ছাত্রের কর্ত্তব্য

শ্রীজয় প্রকাশ নারায়ণ

সর্ব্ব সেবা সংঘ প্রকাশন

সর্ব্বোদয় প্রকাশন সমিতি

ছাত্ৰৰ কৰ্তব্য

छात्रों के बीच

জয়প্ৰকাশ নাৰায়ণ

जयप्रकाश नारायण

[illegible]

[illegible]

সৰ্বোদয় প্ৰকাশন সমিতি

सर्वोदय प्रकाशन समिति

গুৱাহাটী (অসম)

गुवाहाटी (असम)

প্ৰকাশক

प्रकाशक

খগেশ্বৰ ভূঞা

खगेश्वर भूआ

সম্পাদক

मंत्री

সৰ্ব্বোদয় প্ৰকাশন সমিতি

सर्वोदय प्रकाशन समिति

প্ৰথম সংস্কৰণ ২০০০

पहला संस्करण २०००

অক্টোবৰ, ১৯৫৭

अक्टोबर, १९५७

মূল্য ·৭৫ নয়া পইচা

कीमत ·७५ नया पैसा

মুদ্ৰক—পূৰ্বজ্যোতি প্ৰেছ, গুৱাহাটী।

मुद्रक—पूर्वज्योति प्रेस, गुवाहाटी।

ছাত্ৰৰ কৰ্ত্তব্য

: ১ :

দেশৰ কৰ্ত্তব্য সমূহ আমি দুটা ভাগত ভগাই লৈছোঁ। তাৰে এটা ভাগৰ নাম ছাত্ৰ আৰু আনটোৰ নাম নাগৰিক। ছাত্ৰ সকলেই আগলৈ নাগৰিক হয়গৈ। এনেদৰে দুয়োটা ভাগৰে সম্বন্ধ অতি ঘনিষ্ঠ। আজিৰ ছাত্ৰই কালিলৈ দায়িত্বশীল নাগৰিকৰ ৰূপ ধাৰণ কৰে আৰু নাগৰিক সকলক আমি ছাত্ৰ বুলিয়েই ভাবোঁ। মানুহে ভাবে যে একৈশ বছৰ পাৰ হলেই ভোট-দানৰ অধিকাৰী হব পাৰে আৰু ভোটদানৰ অধিকাৰ যি পায় তেৱেঁই নাগৰিক। এই বিভাজন সকলোৰে সুবিধাৰ কাৰণেহে কৰা হৈছে। আমাৰ দেশত সৰু সৰু শিশু সকলেও সমস্ত দেশক বাট দেখুৱাই নিয়াৰ শ শ উদাহৰণ পোৱা যায়। শঙ্কৰাচাৰ্য্যই সুপ্ৰসিদ্ধ শঙ্কৰ ভাষ্যৰ সম্পাদনা ষোল বছৰ বয়সত কৰিছিল। এনে ধৰণৰ বহুতো উদাহৰণ আমাৰ দেশত

পোৱা যাব। সেইকাৰণে আমি কাৰ কিমান বয়স হৈছে, তাৰ ওপৰত মহত্ব নিদিওঁ, আমি ছাত্ৰ সকলক নাগৰিকৰ ৰূপত চাব খোজোঁ আৰু আজিৰ নাগৰিক সকলক ছাত্ৰ বুলিহে ভাবোঁ।

যাৱজ্জীৱন অধ্যয়ন

দেশৰ অধিক সংখ্যক নাগৰিকে অধ্যয়ন নকৰে। তেওঁলোকে ভাবে যে স্কুল-কলেজীয়া জীৱন অৱসানৰ পাছত সংসাৰৰ ভাৰ গ্ৰহণ কৰাৰ লগে লগে মানুহৰ অধ্যয়ন কাৰ্য্যত যৱনিকা পৰে। এইটো এক অশুদ্ধ বিচাৰ আৰু ভাৰতীয় সভ্যতাৰ পৰিপন্থী। ভাৰতীয় সভ্যতাই আমাক শিকাই আহিছে যে মানুহে বিদ্যাভ্যাস আৰু অধ্যয়ন মৃত্যুৰ শেষ ক্ষণলৈকে কৰিব লাগে। সদায় অধ্যয়ন কৰাটো গাৰ্হস্থ্য ধৰ্ম্মৰ মূলনীতি। এই অন্ধ্ৰ প্ৰদেশৰ সৰ্ব্বপ্ৰিয় গ্ৰন্থ তৈত্তিৰীয় উপনিষদতো বৰ্ণনা কৰিছে যে মানুহে নিজৰ বিবিধ কৰ্ত্তব্য সমূহৰ লগতে সদায় অধ্যয়নো কৰিব লাগে। মানৱজীৱনৰ ভিন ভিন্ কৰ্ত্তব্যবোৰ দেখুৱাই দি প্ৰত্যেকতে এনেদৰে কৈছে যে "স্বাধ্যায় প্ৰৱচনেচ"। বিশেষকৈ স্বাধীনতা লাভৰ পাছত যদি নাগৰিক সকলে অধ্যয়ন নকৰে তেন্তে সেই স্বাধীনতাতো মই বিপদৰ আশঙ্কা দেখিবলৈ পাওঁ। ছাত্ৰ অৱস্থাক মই মানৱ জীৱনৰ আৰম্ভণি বুলি ভাবোঁ। যদিহে ছাত্ৰসকলে স্বাধীন ভাবে বিদ্যাধ্যয়ন কৰিবলৈ সামৰ্থবান হব তেতিয়া তেওঁলোককেই নাগৰিক বোলা যাব। যদি ছাত্ৰসকলে স্বাধীন ভাবে বিদ্যাধ্যয়ন কৰা

শক্তিলাভ কৰাৰ পাচত অধ্যয়ন ত্যাগ কৰে তেন্তে তেওঁ অৰ্থোপাৰ্জন কৰিবলৈ শিকি লোৱাৰ পাচতেই অৰ্থোপাৰ্জন কৰিবলৈ এৰি দিয়া এজন কা-পুৰুষ বুলিহে বিবেচিত হব। খোজ কঢ়া শক্তিলাভ কৰাৰ পাচত যদি কোনোৱে খোজ কাঢ়িবলৈ এৰি দিয়ে, তেন্তে তেওঁৰ অৱস্থা কি হব? কেনেকৈ অধ্যয়ন শক্তি লাভ কৰাৰ পাচত অধ্যয়ন ত্যাগ কৰা জনক আমি কি বুলিব পাৰো?

সেই কাৰণে আমি ছাত্ৰ আৰু নাগৰিক সকলক দুভাগ কৰিবলৈ চেষ্টা নকৰোঁ। তথাপি কৰ্ত্তব্যৰ বিভাজন কৰোঁতে আমি অভিৰ ছাত্ৰ আৰু নাগৰিক সকলৰ নিজৰ নিজৰ কৰ্ত্তব্য কিছুমান দেখিবলৈ পাওঁ। আজি ছাত্ৰ সকলৰ কাৰণে মই দুষাৰ মান কব খুজিছোঁ আৰু কালিলৈ নাগৰিক সকলৰ কৰ্ত্তব্যৰ বিষয়ে মোৰ মনৰ ভাব প্ৰকাশ কৰিম। এইদৰে কৰ্ত্তব্যৰ বিভাজনৰ দুবাৰ আলোচনা কৰি এক সম্পূৰ্ণ চিত্ৰ আপোনালোকৰ আগত দাঙি ধৰিম।

ছাত্ৰৰ লগত মোৰ এক ৰূপ

মই সদায় মন কৰি আহিছোঁ যে, মোৰ যি সভাত ছাত্ৰৰ সংখ্যা সৰহ হয়, সেই সভা অধিক শান্তিপূৰ্ণ পৰিবেশৰ মাজেৰে সমাপন হয়। ছাত্ৰ সম্বন্ধে মই অদ্ভুত অনুভৱ লাভ কৰিছোঁ। ভাৰতবৰ্ষৰ ছাত্ৰ সকলৰ প্ৰতি মোৰ অসীম চেনেহ আছে। সেইবাবে ছাত্ৰসকলৰ লগত কথা কওঁতে মই তেওঁলোকৰ লগত একৰূপ হৈ আলোচনা কৰোঁ। মই কব খোজো যে আন যিয়েই

নহওক লাগিলে—মই এজন ছাত্ৰ। মোৰ অধ্যয়ন নিৰন্তৰ চলি থাকে আৰু আজিও চলিয়েই আছে। এটা সহজ উদাহৰণ দিওঁ। আমাৰ যাত্ৰা কালত এজন জাপানী ভাই আছিল। যাত্ৰাৰ মাজতো এঘণ্টা সময় উলিয়াই মই জাপানী ভাষা অধ্যয়ন কৰিলোঁ। বয়স বাঢ়ি যোৱাৰ লগে লগে স্মৰণ শক্তি কমিবায় বুলি মানুহে যি ধাৰণা কৰে মই তাৰ কোনো প্ৰমাণ পোৱা নাই। যিমানেই মোৰ শৰীৰ ক্ষীণ হৈ আহিব ধৰিছে সিমানেই স্মৃতি শক্তি তীব্ৰ হব লাগিছে। শৈশৱকালত দহবাৰ পঢ়ি যি শ্লোক মুখস্থ কৰিবলৈ চেষ্টা কৰিছিলো, এতিয়া দুবাৰ চেষ্টা কৰিলেই সহজতে মনত থৈ যায়। কিয়নো অধ্যয়ন কৰা অভ্যাস সদায় চলি আহিছে। বুদ্ধদেৱে কৈছিল যে, যেনেকৈ সদায় গা ধুলে শৰীৰ নিকা হৈ থাকে, সদায় ঝাৰু দিলে ঘৰ চাফ হৈ থাকে, তেনেকৈ সদায় অধ্যয়ন কৰিলে মন নিৰ্ম্মল হৈ থাকে। সদায় স্নান নকৰিলে যেনেকৈ শৰীৰ চাফ হৈ নাথাকে তেনেকৈ অধ্যয়নৰ অভাৱত মন মলিন হৈ পৰে। মই নিৰন্তৰ অধ্যয়ন কৰি থাকোঁ আৰু আশা কৰো যিদিনা ভগৱানে মোক এই সংসাৰৰ পৰা লৈ যাব সিদিনাও অধ্যয়ন কৰিয়েই যাব পাৰিম। এই অধ্যয়নশীলতাৰ গুণতেই মই ছাত্ৰসকলৰ হৃদয়ৰ লগত একৰূপতা অনুভৱ কৰোঁ।

স্বাধীন চিন্তাৰ প্ৰয়োজনীয়তা

ছাত্ৰসকলৰ প্ৰথম কৰ্তব্য হৈছে তেওঁলোকৰ চিন্তাশক্তি সদায় স্বাধীন কৰি ৰখা। যদি কোনোবাই সম্পূৰ্ণ স্বাধীনতা পাব

লাগে তেন্তে ছাত্ৰইহে প্ৰথমে পোৱা উচিত। শ্ৰদ্ধা বিনে বিদ্যালাভ অসম্ভৱ। সেই কাৰণে ছাত্ৰ শ্ৰদ্ধাবান হব লাগে আৰু তেওঁৰ নিজৰ বুদ্ধিকো স্বাধীন কৰি ৰাখিব লাগে। বহুতে ভাবে যে শ্ৰদ্ধা আৰু বুদ্ধি দুয়োটা বেলেগ বস্তু। সেইটো শুদ্ধ নহয়। যেনেকৈ কান আৰু নাকৰ স্বকীয়া শক্তি থকা স্বত্বেও এটাই আনটোক বাধা নিদিয়ে সেইদৰে বুদ্ধি আৰু শ্ৰদ্ধাও এটো আনটোৰ সহায়ক। শ্ৰদ্ধা নাথাকিলে বিদ্যালাভ অসম্ভৱ। উদাহৰণ স্বৰূপে মাকে পুতেকক কয় "মইনা সোৱা চন্দ্ৰ ওলাইছে।" যদি মাকৰ প্ৰতি পুতেকৰ শ্ৰদ্ধা নাথাকে তেন্তে সেইটো চন্দ্ৰ নহয় বুলি সন্দেহ হব। এই সন্দেহে তা'ৰ জ্ঞান লাভত বাধা দিব। সেয়ে জ্ঞান লাভৰ কাৰণে শ্ৰদ্ধা এক মৌলিক বস্তু। জ্ঞানৰ আৰম্ভণি শ্ৰদ্ধা'ৰ পৰা'ই হয়। কিন্তু বুদ্ধিৰ জ্ঞানৰ সমাপণ কৰা হয় শ্ৰদ্ধাৰ পৰা জ্ঞানৰ জন্ম হয় আৰু স্বাধীন চিন্তা'ৰে তাক শোধন কৰি তাক আত্মসাৎ কৰা হয়। সেইবাবে ছাত্ৰই নিজৰ চিন্তাৰ স্বাধীনতা কেতিয়াও ত্যাগ কৰিব নালাগে। ছাত্ৰৰ ওপৰত অনৰ্থক বল প্ৰয়োগ কৰা শিক্ষক আচল শিক্ষক নহয়। আচল শিক্ষকে ছাত্ৰক কব যে মোৰ কথা যদি তোমা'ৰ মনত লাগিছে তেন্তে গ্ৰহণ কৰা, নহলে নকৰিবা। এইদৰে যি শিক্ষকে ছাত্ৰক বুদ্ধিৰ স্বাধীনতা দিয়ে তেওঁহে প্ৰকৃত শিক্ষক। কিয়নো বুদ্ধিৰ স্বতন্ত্ৰতাহে আচল স্বাধীনতা। সকলো মহাপুৰুষৰ প্ৰতি হৃদয়ত শ্ৰদ্ধা ৰাখিব লাগে, কিন্তু মহাপুৰুষে কোৱা ব'লেই সকলো কথা মানি লোৱা উচিত নহয়। মোৰ কথা ভাল নাপাই বিৰোধ কৰিলে মই আনন্দ পাওঁ।

আৰু যি ভাল পায় গ্ৰহণ কৰে তেতিয়াও মই বৰ আনন্দ বোধ কৰো। কিন্তু যি মোৰ কথা সমৰ্থন কৰিব নোৱাৰিও গ্ৰহণ কৰে তেতিয়া মই অন্তৰত আঘাত পাওঁ। সেইবাবেই মই কওঁ যে সকলোৰে বুদ্ধি স্বাধীনচিন্তীয়া হব লাগে। ইয়াৰ কাৰণে "স্বাধীনচিন্তা" ই আটাইতকৈ ভাল শব্দ হব। আমাৰ এই স্বাধীন চিন্তাক আমি সদায় সুৰক্ষিত কৰি ৰাখিব লাগে। ইয়াৰ ওপৰত কেতিয়াও কোনো প্ৰকাৰৰ প্ৰহাৰ হবলৈ দিব নালাগে। ছাত্ৰ সকলৰ এই অধিকাৰ খৰ্ব কৰাৰ চেষ্টা বিশ্বৰ সকলো ঠাইতে চলিব লাগিছে। সেই কাৰণে মই ছাত্ৰ সকলক সাৱধান কৰি দিব খুজিছো—"ডিচিপ্লিন" বা নিয়মানুবৰ্ত্তিতাৰ নামত ছাত্ৰসকলৰ মস্তিষ্ক যন্ত্ৰত পৰিণত কৰাৰ চেষ্টা চলিব ধৰিছে। নিয়মানুবৰ্ত্তিতা মই বৰ ভাল পাওঁ। আৰু অনুশাসন নহ'লে যে কোনো কাম হব নোৱাৰে তাকো মই অন্তৰেৰে সমৰ্থন কৰোঁ। ধৰিলওক কোনো ঘৰত জুই লাগিছে. যদি তাত অনুশাসন নাথাকে তেন্তে জুই নুমাবলৈ যোৱা মানুহৰ খেলি মেলিত জুই বেছিকৈ জ্বলি উঠিব অনুশাসনৰ মাজেৰে কাম কৰায়া মানুহে নিয়মান শৃঙ্খলাৰে জুই নুমাই দিব, অনুশাসন হীন সৰহ সংখ্যক মানুহ লাগিলেও সেই জুই নুমাব নোৱাৰে। কিন্তু অনুশাসনৰ নামত আজি সকলো ঠাইতে যন্ত্ৰীকৰণহে হব ধৰিছে। আৰু ছাত্ৰ সকলৰ মূৰত কঠোৰ প্ৰহাৰ হব লাগিছে।

মুক্ত শিক্ষা

পৃথিৱীৰ সকলো দেশতে শিক্ষাৰ ব্যৱস্থা চৰকাৰৰ হাতত। ইয়াতকৈ ডাঙৰ বিপদজনক কথা একো হব নোৱাৰে। মই বহুতবাৰ কৈ আহিছো যে শিক্ষাৰ ভাৰ চৰকাৰৰ হাতত থাকিব নালাগে। শিক্ষা পৰিচালনাৰ ভাৰ জ্ঞানী সকলৰ হাতত থকা উচিত। কিয়নো এই কাম সেৱা পৰায়ণভাৱে কৰিব লাগিব। কিন্তু আজি বিশ্বৰ সকলো ঠাইতে চৰকাৰৰ হাতত শিক্ষাৰ দায়িত্ব থকা দেখা যায়। শিক্ষা বিভাগৰ অধিকাৰীয়ে যি কিতাপ মঞ্জুৰ কৰিব দেশৰ সকলো ছাত্ৰই বাধ্য হৈ সেই কিতাপ পঢ়িব লাগিব। উত্তৰ প্ৰদেশৰ 'একাৰাম' থকা জিলাৰ ছয় কোটি মানুহৰ কাৰণে মাথোন এখন কিতাপ দিয়া হব আৰু সেইখনকে তাকেই অধ্যয়ন কৰিব লাগিব। এতিয়া অন্ধ্ৰ প্ৰদেশ "বিশাল অন্ধ্ৰ" গঠন হৈছে সেইবাবে ইয়াতো বিশাল যন্ত্ৰীকৰণ হব পাৰে। কিয়নো আগেয়ে এঘাৰখন জিলাৰ কাৰণে যি পাঠ্য কিতাপ ৰচা হৈছিল এতিয়া সেই কিতাপ বিশখন জিলাৰ কাৰণে চলিব, যদি চৰকাৰ ফেচিষ্ট হয় তেন্তে ছাত্ৰ সকলক ফেচিজিম শিকোৱা হব, চৰকাৰ কমিউনিষ্ট হলে কমিউনিজিমৰ শিক্ষা প্ৰচাৰ কৰিব। পুঁজীবাদী চৰকাৰে পুঁজিবাদৰ মহিমা ছাত্ৰ সকলক বুজাব আৰু যদি চৰকাৰ প্লেনিংবাদী হয় তেন্তে প্লেনিংৰ ৰহস্য ছাত্ৰক শিকাব। ইয়াতকৈ ডাঙৰ বিপদ আন একো হব নোৱাৰে, সেইবাবে শিক্ষা-বিভাগ সদায় স্বাধীন হব লাগে। মই ছাত্ৰ সকলক সতৰ্ক কৰি দিব খুজিছোঁ যে, তোমালোকক সাচত

চালিবলৈ চেষ্টা চলিছে। সেইবাবে তোমালোকে নিজৰ বিচাৰ স্বাতন্ত্ৰতা আৰু স্বাধীন চিন্তা শক্তিক ৰক্ষা কৰিবলৈ সাজু হোৱা।

ইউনিয়নৰ স্বৰূপ

ছাত্ৰসকলে এই বিপদৰ উপলব্ধি কৰিব পৰা নাই। তেওঁলোকে বেলেগ বেলেগ ইউনিয়ন গঠন কৰে তেওঁলোকৰ এই কাৰ্য্য দেখি মই বৰ আচৰিত হওঁ। কিয়নো ভেড়াৰ মাজতহে ইউনিয়ন হোৱা দেখা যায়, বাঘ নাইবা সিংহৰ ভিতৰত কেতিয়াও ইউনিয়ন নহয়। যদি কোনো বিচাৰধাৰা মনত লাগে তেন্তে তাৰ প্ৰচাৰ নিশ্চয় কৰিব লাগে আৰু মনত নালাগিলে এৰি দিব লাগে, মই দেখি আচৰিত হৈছোঁ যে চৰকাৰৰ কাৰণে ছাত্ৰসকলৰ মস্তিষ্ক দুৰ্ব্বল হৈ পৰিছে আৰু সেই কাৰণে তেওঁলোকে ইউনিয়ন গঠন কৰিবলৈ লাগি গৈছে। আমাৰ দেশত লাখ লাখ স্কুল কলেজ আদি চলিব লাগে কিন্তু কোনো ছাত্ৰই কেতিয়াও কোনো ইউনিয়নত যোগদান কৰিব নালাগে। বৰঞ্চ ছাত্ৰই কব লাগে যে নাগৰিক হোৱাৰ পাচত যদি মোৰ স্বাধীনতাৰ মূল্য কম কৰিব লাগে তেন্তে তেতিয়া কোনো ইউনিয়নত যোগদান কৰিব পাৰোঁ, কিন্তু এতিয়া মই ছাত্ৰ। মই মোৰ স্বাধীনতা অক্ষুণ্ণ ৰাখিম। মই ৰাজনীতি সম্বন্ধেও চিন্তা নকৰাকৈ নাথাকো, মই ৰাজনীতিৰো অধ্যয়ন কৰিম। কিন্তু সেই সম্বন্ধে কোনো সিদ্ধান্ত গ্ৰহণ নকৰোঁ। এনে ভাবে চিন্তা কৰিম যাতে আৱশ্যক অনুসৰি নিজৰ বিচাৰধাৰা সলনি কৰিব পাৰোঁ। কিন্তু কোনো ইউনিয়নত

যুক্ত হৈ পৰিলে এই অধিকাৰ হেৰুৱাব লাগিব। ইয়াৰ অৰ্থ এইটো নহয় যে কোনো কাৰ্য্যতেই সহযোগ কৰিব নালাগে। বৰঞ্চ সকলো প্ৰকাৰ লেখা কাৰ্য্যত শক্তি অনুসৰি সহযোগ কৰিব লাগে। কিন্তু ইউনিয়নবোৰে সকলোকে সাঁচত গঢ়ি পেলায়। দেশৰ স্বাধীনতাৰ কাৰণে ই বৰ সাংঘাতিক বস্তু।

নিজৰ ওপৰত নিয়ন্ত্ৰণ

ছাত্ৰৰ আন এটা কৰ্তব্য হৈছে ডেকালোকে সদায় নিজক নিয়ন্ত্ৰণ কৰি ৰাখিব লাগিব। নিজক নিয়ন্ত্ৰণ কৰি ৰাখিব পৰা লোকেহে স্বাধীনতা ৰক্ষা কৰিব পাৰে। ছাত্ৰ সদায় সতেজ আৰু দৃঢ়নিশ্চয়ী হব লাগে। যি সংকল্প গ্ৰহণ কৰা হয় তাক পালন কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হব লাগে। ডেকালোকৰ মনত দৃঢ় নিশ্চয় কৰি লব লাগিব যে, যদি মই সত্যসংকল্প গ্ৰহণ কৰোঁ তেন্তে বিশ্বৰ কোনো শক্তিয়ে সেই সংকল্পত বাধা দিব নোৱাৰে। তাৰ কাৰণে তন, মন আৰু বুদ্ধিৰ ওপৰত নিজৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ থাকিব লাগিব। যদি মই চাৰি বজাত শুই উঠিম বুলি প্ৰতিজ্ঞা কৰোঁ তেন্তে মোৰ ইন্দ্ৰিয়ৰ সমূহৰ কি শক্তি যে মোৰ প্ৰতিজ্ঞা ভঙ্গ কৰিবলৈ সমৰ্থ হব? এনেদৰে যদি নিজৰ ওপৰত নিয়ন্ত্ৰণ কৰিব নোৱাৰে তেন্তে বিদ্যাত ছাত্ৰ তিষ্ঠি থাকিব নোৱাৰিব। সেই কাৰণে বিদ্যাভ্যাসৰ লগে লগে ছাত্ৰই নিজকে নিয়ন্ত্ৰিত কৰি ৰাখিবলৈ প্ৰতিজ্ঞা কৰিব লাগিব। যদি সেয়ে নহয় তেন্তে বিদ্যা বীৰ্য্যহীন হৈ পৰিব। নিজক নিয়ন্ত্ৰণ কৰিব পৰাটোৱেই আটাইতকৈ

তাৰৰ্ষ 'শাঁকি'।' তোমালোকে স্থিতপ্ৰজ্ঞৰ শ্লোক শুনিলাইচে। স্থিতপ্ৰজ্ঞ কাক বোলে জানানে? যাৰ বুদ্ধিয়ে উচিত সিদ্ধি কৰিব পাৰে তেওঁকেই স্থিতপ্ৰজ্ঞ বোলে। আজি কিন্তু তাৰ ডাঙৰ প্ৰশ্নৰ উত্তৰ দূৰ ধৰিছে। সৰু প্ৰশ্ন এতিয়া আৰু নাই। গোটেই পৃথিৱী জটিল সমস্যাৰে ভৰি পৰিছে। সেই কাৰণে সকলো কথা ব্যাপক ভাৱে আৰু ব'কৈ চিন্তা কৰাৰ প্ৰয়োজন হৈ পৰিছে। কেৱল চিন্তা কৰিলেই নহ'ব, অতি দ্ৰুতভাৱে উচিত সিদ্ধান্তও গ্ৰহণ কৰিব লাগিব। আগেয়ে ইমান ডাঙৰ প্ৰশ্ন উত্থাপন নহৈছিল। পৃথিৱী সম্বন্ধীয় জ্ঞানো মানুহৰ বেছি নাছিল। আমাৰ দেশত পানীপথৰ যুদ্ধই আটাইতকৈ ডাঙৰ যুদ্ধ হৈছিল। কিন্তু চীন, জাপান আদি দেশৰ মানুহে পানীপথ যুদ্ধৰ একো ভুকে নাপালে। তেতিয়াৰ সেই অৱস্থা আজি আৰু নাই। পৃথিৱীৰ কোনোবা এচুকত সৰুকৈ এটা ঘটনা ঘটিলেও গোটেই বিশ্ব চকিত হৈ উঠে। ইউৰোপ, আমেৰিকা আদিত ঘটা ঘটনাবোৰৰ প্ৰভাৱ আমাৰ দেশত তৎক্ষণাৎ পৰে। এইদৰে অতি ক্ষিপ্ৰ গতিৰে ডাঙৰ ডাঙৰ সমস্যাবোৰ উত্থাপিত হয়। সেই বাবে এইবোৰৰ নিৰাকৰণৰ কাৰণে খৰ্‌খেদাকৈ কোনো সিদ্ধান্ত গ্ৰহণ কৰাৰ প্ৰয়োজন হৈ পৰিছে। সিদ্ধান্ত গ্ৰহণ কৰাৰ আজি যিমান প্ৰয়োজন হৈ পৰিছে আগেয়ে সিমান নহৈছিল। তোমালোকে প্ৰায়েই দেখিব লাগিছা যে কোনো মানুহে খোজকাঢ়ি ফুৰিবলৈ ইচ্ছা নকৰে আৰু খোজ কাঢ়ি ফুৰিবলৈ তেওঁলোকৰ সময়ো নাই। প্ৰত্যেক মানুহে উৰা জাহাজ নাইবা ৰেল গাড়ীৰে

এনে খুন্দিয়ে দৌৰিব লাগিছে যেন কোনো ভাৱৰ কাৰণেহে তেওঁ-লোকক খাবলৈ খেদি গৈছে। বহুতে মোক প্ৰশ্ন কৰে "আপুনি উৰা জাহাজেৰে ভ্ৰমণ নকৰে কিয়?" তাৰ উত্তৰ দিবলৈ মই কওঁ যে "উৰাজাহাজত উঠিলে মই বতাহ পাম মাটি নাপাওঁ।" কিন্তু মই মাটিহে বিচাৰি ফুৰিছোঁ। সেই কাৰণে মই বাধ্য হৈ মাটিয়ে মাটিয়ে খোজ কাঢ়ি ফুৰিব লগাত পৰিছে।

অৰ্থাৎ বৰ্তমান যুগৰ অৱস্থাই মানুহক অতি ক্ষিপ্ৰতাৰে সিদ্ধান্ত কৰিবলৈ বাধ্য কৰাইছে। সেই কাৰণে এই যুগত স্থিৰ শক্তিয়েই আটাইতকৈ ডাঙৰ শক্তিৰূপে পৰিগণিত হৈছে। ইয়াকেই প্ৰজ্ঞা বোলে। যাৰ প্ৰজ্ঞা (বুদ্ধি) সুস্থিৰ হয় তেওঁকেই স্থিত প্ৰজ্ঞ বোলে। ছাত্ৰ সদায় স্থিতপ্ৰজ্ঞ হব লাগে। স্থিতপ্ৰজ্ঞ হোৱাৰ উপায় হৈছে নিজৰ মন, ইন্দ্ৰিয় সমূহ, বুদ্ধি আদিক নিয়ন্ত্ৰণ কৰা। নিজৰ সংকল্প শক্তিক সুদৃঢ় কৰিবলৈ প্ৰতিজ্ঞা কৰিব লাগে। আমি নিজে লোৱা কোনো সংকল্প যদি পালন কৰিবলৈ আমি অসমৰ্থ হওঁ, তেন্তে জানিব লাগিব যে আমি শক্তিহীন হৈ পৰিলোঁ। সেই কাৰণে আমি নিজে লোৱা সংকল্প বোৰ [illegible] নিয়মমতে পালন কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হব লাগিব। এই স্থিৰ শক্তি লাভ কৰিবলৈ ইন্দ্ৰিয় সমূহক নিজৰ অধীনত ৰাখিব লাগিব।

নিৰন্তৰ সেৱা পৰায়ণতা

ছাত্ৰৰ তৃতীয় কৰ্তব্য হৈছে তেওঁলোক নিৰন্তৰ সেৱা পৰায়ণ হব লাগে। সেৱা বিনা জ্ঞান লাভো হব নোৱাৰে। এই

সম্বন্ধে মহাভাৰতত এটা গল্প আছে। এদিনাখন অৰ্জুন, শ্ৰীকৃষ্ণ আৰু ধৰ্মৰাজ যুধিষ্ঠিৰ একেলগে বহি আছিল। অৰ্জুনৰ প্ৰতিজ্ঞা আছিল, যি গাণ্ডীৱৰ নিন্দা কৰে তেওঁক হত্যা কৰিব। যুধিষ্ঠিৰে অৰ্জুনক উৎসাহিত কৰিবলৈ গাণ্ডীৱক নিন্দা কৰি ক'লে অৰ্জুন! তুমি আৰু তোমাৰ মহাশক্তিশালী গাণ্ডীৱ থাকোঁতেও আমাৰ শত্ৰু নিৰ্মূল নহ'ল। তোমাৰ দেৱজীং গাণ্ডীৱ থাকোঁতেও আমি একেবাৰে লাঞ্ছিত হোৱাটো অতি দুঃখজনক কথা। অৰ্জুনৰ বৰ ধৰ্মনিষ্ঠ আৰু ককায়েকৰ প্ৰতি তেওঁৰ অসীম শ্ৰদ্ধা আছিল। সেইবাবে নিজৰ নিন্দা তেওঁ সহজে সহ্য কৰিব পাৰিছিল কিন্তু গাণ্ডীৱৰ নিন্দা তেওঁ সহিব নোৱাৰিলে। তেওঁ শ্ৰীকৃষ্ণৰ সন্মুখতে যুধিষ্ঠিৰক প্ৰহাৰ কৰিবলৈ সাজু হ'ল। শ্ৰীকৃষ্ণই তেওঁক বাধা দি ক'লে—অৰ্জুন! তুমি জ্ঞানশূন্য হৈ পৰিছা, তোমাৰ জ্ঞান লেশমাত্ৰও নাইযেন বোধ হৈছে। তুমি বুঢ়া মানুহক সেৱা কৰা নাই। সেই কাৰণে তুমি জ্ঞান লাভৰ পৰা বঞ্চিত হৈ আছা। মহাভাৰতৰ আন এঠাইত যক্ষ-প্ৰশ্নৰ এটা কাহিনী আছে। যক্ষ প্ৰশ্নাৱলীৰ ভিতৰত জ্ঞান কেনেকৈ লাভ কৰিব পাৰি এই প্ৰশ্নটো সোধা হৈছিল। তাৰ উত্তৰ পোৱা হৈছিল "জ্ঞানং বৃদ্ধ সেৱয়া" বৃদ্ধসকলক শুশ্ৰূষা কৰিলে জ্ঞান লাভ হয়। বুঢ়াসকলে তেওঁলোকৰ জীৱন কালত বহুতো অনুভৱ লাভ কৰে। সেৱাপৰায়ণ লোকৰ আগত তেওঁলোকৰ জ্ঞানী অন্তৰে সমাজৰ মঙ্গলৰ বাবে সকলো অনুভৱ কৈ দিয়ে। সেই কাৰণে জ্ঞানাভিলাষী ছাত্ৰসকল সেৱা-পৰায়ণ হব লাগে।

তেওঁলোকে কুশলকলৰ, নিজৰ আই বোপাই দীন-দুখী আৰু সমাজৰ সদায় সেৱা কৰিব লাগে। সদায় সেৱা কৰি থাকিলে অধ্যয়ন কেতিয়া কৰিম বুলি ভাবিব নালাগে। বৰং সেৱাৰ দ্বাৰাই জ্ঞান লাভ হব বুলিহে ভাবিব লাগে। ৰামায়ণত ইয়াৰ অলপ উদাহৰণ পোৱা যায়। বিশ্বামিত্ৰ ঋষিয়ে যজ্ঞ-ৰক্ষাৰ কাৰণে দশৰথৰ ওচৰত ৰাম-লক্ষ্মণৰ ভিক্ষা খুজিলে। সন্তানৰ প্ৰতি থকা অসীম স্নেহৰ কাৰণে ৰজা দশৰথে বিশ্বামিত্ৰক ক'লে—ৰাম নিচেই কোমল মনৰ ল'ৰা। তাৰ বয়স ষোল বছৰেই পূৰ হোৱা নাই। ৰাক্ষসৰ লগত যুঁজিবলৈ তাক পঠাবলৈ মোৰ সত যোৱা নাই। দশৰথৰ কথা শুনি তপস্বী বিশ্বামিত্ৰই ক'লে—"ভাল কথা, মই তেন্তে উলটি যাওঁ"। এই কাহিনীটোকে বৰ্ণনা কবি বাল্মীকিয়ে ৰামায়ণত লিখিছে যে বিশ্বামিত্ৰৰ সেই উক্তিত সমস্ত পৃথিৱী ভয়ত জিকাৰ খাই উঠিছিল। জ্ঞানী পুৰুষৰ দাবী উপেক্ষা দেশেও কৰিব নোৱাৰে। মুনি বশিষ্ঠই দশৰথক বহুত বুজাই ক'লে—"বিশ্বামিত্ৰৰ দাবী উপেক্ষা কৰি তুমি অত্যন্ত মূৰ্খতাৰ পৰিচয় দিলা। বিশ্বামিত্ৰৰ লগত থাকিবলৈ পালে তোমাৰ ল'ৰা জ্ঞানৰ অধিকাৰী হ'ব পাৰিব। তেওঁলোকে বিশ্বামিত্ৰৰ সেৱা কৰিব আৰু তাৰ দ্বাৰাই তেওঁলোকে জ্ঞান পাব। সেৱাতকৈ ডাঙৰ বিদ্যালয় আন একো হব নোৱাৰে।" বশিষ্ঠৰ কথা শুনি দশৰথে বিশ্বামিত্ৰৰ হাতত ৰাম-লক্ষ্মণক অৰ্পণ কৰিলে। তাৰ পাচত ৰাম লক্ষ্মণ বিশ্বামিত্ৰৰ সেৱাত ব্ৰতী হৈ কেনেকৈ জ্ঞান লাভ কৰিলে বাল্মীকিয়ে তাৰ অতি হৃদয় গ্ৰাহী বৰ্ণনা কৰিছে।

বিশ্ব মানৱতা

ছাত্ৰসকলৰ চতুৰ্থ কৰ্তব্য হৈছে, তেওঁলোক সকলো বিষয়ত সদায় সাৱধান হ'ব লাগিব। বিশ্বৰ সমাজ কোন পথেৰে আৰু কি গতিৰে আগবাঢ়িব লাগিছে সেই সকলোবে অধ্যয়ন কৰিব লাগিব। বিশ্বত চলি থকা বিভিন্ন মতবাদ সমূহক নিৰপেক্ষ ভাৱে অধ্যয়ন কৰিব লাগে। এই সকলো বিষয়ৰ জ্ঞান লাভ কৰিবলৈ ছাত্ৰসকল সৰ্ব্বব্যাপক হ'ব লাগিব। তেওঁলোকৰ বুদ্ধি আৰু ভাৱধাৰা কেতিয়াও সংকুচিত হ'ব নালাগে। তেওঁলোকৰ অন্তৰত "মই তেলেগু নাইবা ভাৰতীয়" এই ভাৱবোৰৰ উদয় হ'ব নালাগে। তেওঁলোকৰ অন্তৰলৈ এইটো ভাবহে অহা উচিত যে মই দ্ৰষ্টা আৰু মোৰ চাৰিও কালে এইবোৰ দৃশ্য বিদ্যমান। এই দৃশ্যাৱলীৰ পৰা মই সম্পূৰ্ণ বেলেগ। ধৰ্ম্মৰ মাজত আৰু ভাষাৰ মাজত যি বাদ-বিবাদ চলিব ধৰিছে, সেইবোৰৰ লগত মোৰ কোনো সম্পৰ্ক নাই। তাৰ পৰা মই সদায় আঁতৰত থাকি নিৰপেক্ষ বুদ্ধিৰে কেৱল অধ্যয়নহে কৰিম। এনে বিশ্বব্যাপক বুদ্ধি ছাত্ৰসকলৰ হোৱা উচিত। কিন্তু বৰ্ত্তমান সময়ত আমি ইয়াৰ ওলোটা পৰিৱেশ মানুহৰ মাজত দেখিবলৈ পাইছোঁ। ভাষাৰ ভিত্তিত, প্ৰদেশ গঠন সম্পৰ্কত বহুতো অশুভ ঘটনাৰ সৃষ্টি হ'ল। সেই সকলৰ হৃদয়ৰ সংকীৰ্ণতা তাত প্ৰকাশ পাইছিল। মানৱ হৃদয়ত এনে সংকীৰ্ণতাই শোভা নাপায়। ছাত্ৰসকলে এই সকলো কথা ব্যাপক বুদ্ধিৰে চিন্তা কৰিব লাগে আৰু নিজক এজন বিশ্ব

নাগৰিক বুলিহে ভাবিব লাগে। তেওঁলোকে মুক্ত কণ্ঠে কৈ দিয়া উচিত যে "আমি সমস্ত পৃথিবীত বিশ্ব নাগৰিকতা স্থাপন কৰিম।" তেওঁলোকে নিজক আৰম্ভ ভাৰতীয় বুলিও ভাবিব নালাগে, ভাৰতীয় তেওঁলোকহে, যিসকল আজিৰ নাগৰিক। আমি ছাত্ৰসকল ভাৰতীয়ত্বকৈও ওপৰত। আমি বিশ্ব মানৱ, বিজ্ঞানৰ উপাসক, নিৰপেক্ষ বুদ্ধিৰে চিন্তা কৰোঁতা কিন্তু আমি সংকুচিত অন্তৰৰ নাইবা কোনোবা দল বিশেষৰ হব নোৱাৰো।

কর্ণুল (অন্ধ্ৰ) বিনোবা
১১।৩।৫৬

সাতান্ন চনৰ আহ্বান

'৫৭ চনটোৱে ভাৰতীয় ইতিহাসত এক বৈপ্লৱিক মহত্ব নির্মাণ কৰিছে। ই নিজে এটা বিপ্লৱী বছৰ। ইংৰাজ শাসনৰ বিৰুদ্ধে সর্ব প্ৰথম ১৮৫৭ চনত বিপ্লৱৰ জুই জ্বলি উঠিছিল। এতিয়া ১৯৫৭ চন আহিছে; এই '৫৭ চনত কি হব? দহবছৰৰ পৰা স্বাধীনতা পোৱা ভাৰতবর্ষত এতিয়া কোন বিপ্লৱৰ অগ্নিশিখা প্ৰজ্বলিত হব?

বাস্তবিকতে আজি কেৱল ভাৰতবর্ষতেই নহয়, সমস্ত বিশ্বই এক এনে ধৰণৰ বিপ্লৱৰ অপেক্ষা কৰিছে, যি এতিয়ালৈকে হৈ যোৱা বিপ্লৱবোৰতকৈ সম্পূর্ণ বেলেগ হব আৰু সমস্ত মানৱ জীৱনক নতুন

ৰূপটো পৰিবৰ্ত্তন কৰিবলৈ সমৰ্থবান হব। মানুহক মানুহ [illegible] গঢ়িবলৈ এনে এটা বিপ্লৱৰ নিতান্ত প্ৰয়োজন হৈ পৰিছে। মানুহে মানুহৰ শত্ৰু হৈ উঠিছে আৰু মানুহে মানুহক শোষণ কৰিব খুজিছে। বিশ্বৰ প্ৰত্যেক গাওঁ, নগৰ আৰু প্ৰত্যেক দেশৰ অৱস্থা একেবাৰে বেয়াৰ ফালে ঢাল খাইছে যে মানুহৰ মাজত পৰস্পৰৰ বিৰোধ ভাবৰ সৃষ্টি হৈছে আৰু তাৰ ফলস্বৰূপে এতিয়া আণৱিক অস্ত্ৰই মহাকালৰ ৰূপ ধাৰণ কৰি বিশ্বক সংহাৰ কৰিবলৈ তীব্ৰগতিৰে আগবাঢ়ি আহিছে। সেই কাৰণে মানৱ সমাজক ৰক্ষা কৰিবলৈ আৰু তাৰ উন্নতি সাধন কৰিবলৈ আজি এক প্ৰীতি বিপ্লৱৰ পৰম আৱশ্যক হৈ পৰিছে। যুগে আমাক সাৱধান কৰি কব লাগিছে "মানুহ হোৱাঁ, পৰস্পৰৰ ভিতৰত মৰম চেনেহৰ ভাব বঢ়োৱা। সকলোৱে প্ৰীতি ভাবে একেলগে বাস কৰা; নহ'লে তোমালোক সকলোৰে সৰ্ব্বনাশ হব। নিজৰ ভিতৰত খৰিয়াল কৰিলে পাচত অনুতাপ কৰিব লাগিব। মিলি জুলি থাকিলে সুখ শান্তি লাভ কৰিব পাৰিবাঁ। সমাজত ধৰ্ম আৰু নীতিৰ উদয় হব, মানৱ ইতিহাসত এক নতুন যুগৰ সূচনা হব।"

এই প্ৰীতি বিপ্লৱৰ মঙ্গল উপদেশ বিনোবাই আজি চাৰে পাঁচ বছৰে গাৱেঁ গাৱেঁ বিলাই ফুৰিছে। আঢ়ৈ হেজাৰ বছৰৰ পূৰ্ব্বে ভগৱান বুদ্ধদেৱেও গাৱেঁ গাৱেঁ ফুৰি এই প্ৰেমৰ বাণী মানৱ সমাজত বিলাই ফুৰিছিল। ভগৱান বুদ্ধৰ সেই মহান বাণী পৃথিৱীত আজি অতি প্ৰয়োজন হৈ পৰিছে। কিন্তু তাৰ পূৰ্ত্তি বুদ্ধজয়ন্তীৰ বিপুল খৰচীয়া আয়োজনৰ দ্বাৰাই নহয়, হব পাৰিব বিনোবাৰ

ধৰ্মময় উপদেশৰ বাহিৰে।

সন্ত বিনোবাই আমাক বুজাব খুজিছে যে সমস্ত মানৱ সমাজ একেটা পৰিয়ালৰ মানুহ। যেনেকৈ সৰু সৰু পৰিয়ালবোৰত আমি সকলো বহি ভগাই খাওঁ, তেনেকৈ সমাজত অৰ্থাৎ গাওঁে গাওঁে নগৰে-নগৰে, প্ৰদেশে-প্ৰদেশে, দেশে-দেশে আমি ভগাই খাব লাগে। সকলোৱে লগহৈ উৎপাদন কৰি একেলগে ভগাই খাব লাগে। তেনে কৰিলে সকলো মানুহ সুখী হব, সৰ্ব্বত্ৰ শান্তি স্থাপন হব, ধন্দবাজী নিৰ্ব্বাণ হব। 'মোৰ-তোমাৰ' মনোভাৱ পাহৰি গৈ কঠিৰ টুকুৰাৰ কাৰণে, সম্পত্তিৰ অধিকাৰৰ কাৰণে, নিজৰ ভিতৰত কাজিয়া নাইকিয়া হব। তেতিয়াহে সকলোৰে পেট ভৰিব, সকলোৰে প্ৰতি ন্যায় হব আৰু ঘৰে ঘৰে প্ৰেমৰ বা-বতাহ সৃষ্টি হব

আমি আজি যিমান তললৈ নামিছোঁ। যিমান স্বাৰ্থপৰ হৈছোঁ, লোভ মোহ আদিয়ে আমাক যেনে ভাবে গ্ৰাস কৰি পেলাইছে সেই বোৰৰ প্ৰতি মন কৰিলে এনে প্ৰেমপূৰ্ণ জীৱন আমাৰ কাৰণে অসাধ্য আৰু অসম্ভৱ যেন লাগে। কিন্তু সেই মহান লক্ষ্যক ঢুকি পাবলৈ বিনোবাজীয়ে এনে এক সুগম সোপান নিৰ্ম্মাণ কৰিছে যি সোপানেৰে হেলাৰঙে সৰ্ব্বোদয়ৰ উচ্চশিখৰলৈ যাব পাৰে। সেইজনা মহাত্মাই আমাক বুজাব লাগিছে যে প্ৰথমে আমি আংশিক ভাৱে অলপ ত্যাগ কৰোঁ, এক খোজ ওপৰলৈ উঠোঁ, ভূদান কৰোঁ, সম্পত্তিদান কৰোঁ। যদি সকলো মানুহ এখোপ ওপৰলৈ উঠে তেন্তে গোটেই সমাজখন সিমান খিনি ওপৰত উঠিব। তাৰ পাছত দ্বিতীয় খোপলৈ উঠিম আৰু তাৰ পাছত তৃতীয় খোপলৈ উঠি যাম। সৰ্বো শেষত

সকলো মানুহ সৰ্ব্বোদয়ৰ শিখৰত উঠিবগৈ। এই সোপানেৰে খোৰা, কণা সকলেও সমানে আগবাঢ়ি যাব পাৰিব। এই '৫৭ চনৰ ভিতৰতে আমি প্ৰথম খোপ অতিক্ৰম কৰিব লাগিব। প্ৰীতি-বিপ্লৱৰ প্ৰথম খোজ'৫৭ চনত সমাপ্ত হব। এই বিপ্লৱৰ আহ্বান বতাহত বিয়পি পৰিছে। আপোনালোক সকলোৱে এই বিপ্লৱক সতেজ ৰূপ দিব লাগিব। গাৱেঁ গাৱেঁ ভূদান হওক তাৰ বিতৰণ হওক। কোনো গাৱঁত ভূমিহীন নাথাকিব। ধৰিত্ৰী আইৰ কোলাত সকলো সন্তানে স্থান পাব, ভূমিৰ সেৱা কৰা প্ৰত্যেক পৰিয়ালে নিজৰ জোখাৰে মাটি পাব, গাৱেঁ গাৱেঁ প্ৰেম-প্ৰীতিৰ উদয় হব আৰু বিপ্লৱ হব। '৫৭চনৰ শেষলৈ আমাৰ দেশত কোনো ভূমিসেৱক যেন ভূমিহীন হৈ নাথাকে।

ভাই সকল! আপোনালোক সকলোৱে অন্তৰত প্ৰতিজ্ঞা কৰক যে আপোনালোকৰ গাৱঁত কোনো খেতিয়ক ভূমিহীন হৈ নাথাকিব। আপোনালোকে নাভাবিব যে ভূদান যজ্ঞৰ কোনো কৰ্ম্মীয়ে গৈ আপোনালোকৰ গাৱঁত ভূমি বিতৰণ কৰিব। আপুনি নিজে কৰ্ম্মী, এইটো আপোনাৰ কাম আপোনাৰ দায়িত্বতে সম্পন্ন হব লাগিব। ই আপোনাৰেই স্বধৰ্ম্ম আৰু মহান কৰ্ত্তব্যও।

সেইবাবে মই আপোনালোকক সানুনয়ে অনুৰোধ জনাইছো যে আপোনালোকে গাৱেঁ গাৱেঁ গৈ গাৱঁৰ সকলো ভূমিপতিসকলৰ লগত আলোচনা কৰক। তেওঁলোকক ভূদানৰ মহান তাৎপৰ্য্য বুজাই দিয়ক আৰু এনে এটা ব্যৱস্থা কৰি পেলাওক যেন '৫৭ চনৰ শেষলৈ আপোনালোকৰ গাৱঁত এজনো ভূমিহীন খেতিয়ক থাকিব

যোৱাবে। ভগৱানে আপোনালোকৰ মঙ্গল কৰক।

সর্ব্বোদয় আশ্ৰম জয়প্ৰকাশ নাৰায়ণ

পোঃ সোখো দেওৰা (গয়া)

ছাত্ৰত মাজত

: ৩ :

সর্ব্বোদয়ৰ অৰ্থ সকলোৰে উদয়, সকলোৰে কল্যাণ আৰু সকলোৰে উন্নতি হোৱা। মই ভাবো সমাজত আজি এনে মানুহ কোনো নোলাব যি সমৰ্থন কৰিব যে আমি সকলোৰে কল্যাণ হোৱাটো বাঞ্ছা নকৰো। শতকৰা ৫০ জন মানুহৰ কল্যাণ হওক আৰু বাকী ৫০ জনৰ অকল্যাণ হওক নাইবা নব্বৈ জনৰ কল্যাণ হওক, বাকী কম সংখ্যক দহ জনৰ অকল্যাণ হওক আজিৰ বিকশিত মানব সমাজৰ প্ৰত্যেক জন মানুহেই ক'ব যে সকলোৰে কল্যাণ হব লাগে। কিন্তু সকলোৰে কল্যাণনো কেনেকৈ হ'ব? এইবিষয়ে চিন্তা কৰি চোৱা উচিত।

উদাৰ মতবাদৰ যুগ আৰু নাই

আমি যদি প্ৰত্যেক জন ব্যক্তিয়েই গাইগুটীয়া ভাৱে নিজৰ কাৰণেহে চিন্তা কৰো যে আমাৰ কল্যাণ হওক—নিজৰ উন্নতিহে আমি বিচাৰো আৰু নিজৰ লাভৰ কাৰণেহে আমি পুৰুষাৰ্থ কৰো, তেন্তে সকলোৰে কল্যাণ হোৱা অসম্ভৱ। উদাৰ মতবাদৰ (লিবৰলিজম্) কাল এতিয়া উকলি গৈছে! সেইকালত ভুৱা

কৈছিল যে প্ৰত্যেক জন মানুহে যদি নিজৰ নিজৰ উন্নতিৰ কাৰণে চেষ্টা কৰে তেন্তে আপোনা আপুনি সকলোৰে উন্নতি হ'ব। সেই কালৰ সমস্ত অৰ্থ-শাস্ত্ৰ ৰাজনীতি আৰু সমাজনীতি এনে মতবাদৰ ভিত্তিত ৰচনা কৰা হৈছিল। যুগ পৰিবৰ্ত্তনৰ পিচতো আমাৰ বহুতৰ অন্তৰত সেই পুৰণি মতবাদৰ কিছু অংশই প্ৰভাৱ বিস্তাৰ কৰি আছে। কিন্তু ইতিহাসে আজি প্ৰমাণ কৰি দেখুৱাই দিছে যে সেই বিচাৰধাৰাই মানৱ সমাজক প্ৰৱঞ্চনা কৰিছে, এই মতবাদৰ ওপৰত প্ৰতিষ্ঠিত মানৱ সমাজত সকলোৰে কল্যাণ হোৱা নাই। সমাজৰ এটা ভাগে আনটো ভাগৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিছে।

আজিৰ সমাজে এই বৈষম্য আৰু পৰস্পৰৰ স্বাৰ্থ বিৰোধী মতবাদক সমৰ্থন নকৰে। কিন্তু ইয়াৰ কূট চক্ৰৰ পৰা ওলাই ৰক্ষা পাবলৈ কোনো পথৰ সন্ধান পোৱা নাই। কিয়নো প্ৰত্যেক ব্যক্তিয়ে নিজৰ নিজৰ কল্যাণৰ কাৰণে চিন্তা কৰা ভাৱধাৰা আজিৰ সমাজৰ সামাজিক মূল্য হৈ পৰিছে। কিন্তু যদি এই বিষয়ে আমি আজি গভীৰ ভাৱে চিন্তা কৰো যে সমাজত কোনো দুঃখী দৰিদ্ৰ নাথাকিব; সকলো মানুহে সুখ সন্তোষেৰে বাস কৰক, তেন্তে আমাৰ কৰ্ত্তব্য কি হ'ব?

স্বাৰ্থ ত্যাগ কৰিব লাগে

মহাত্মা গান্ধীয়ে এই প্ৰশ্নৰ স্পষ্ট উত্তৰ দি থৈ গৈছে। তেখেতে কৈছে যে যদি আমি সকলোৰে কল্যাণ কামনা কৰো

তেন্তে ব্যক্তিগত স্বাৰ্থৰ কথা পাহৰি সমাজৰ স্বাৰ্থৰ হকে সকলোৱে চেষ্টা কৰিব লাগিব। আমাৰ জীৱনৰ নিয়ম এইটো কেতিয়াও হ'ব নালাগে যে মই মোৰ স্বাৰ্থৰ কাৰণেহে চিন্তা কৰিম আৰু তুমি তোমাৰ স্বাৰ্থৰ হকে চিন্তা কৰা। যদি এই নিয়ম সঁচাকৈয়ে চলি থাকে তেন্তে সমাজৰ কিছুমান লোকৰ হে স্বাৰ্থ সিদ্ধি হ'ব আৰু বাকীসকল দুখীয়া হৈয়েই থাকিব। ইয়াৰ দ্বাৰাই পৰস্পৰৰ ভিতৰত সংঘৰ্ষ, অন্যায় শোষণ আৰু বৈষম্য আদি নানা প্ৰকাৰৰ সামাজিক ৰোগৰ উৎপত্তি হয়, ইয়াৰ সাক্ষী আজিৰ ইতিহাসেই। এই কাৰণে সঁচাকৈয়ে যদি আমি সকলোৰে মঙ্গলৰ অৰ্থে এখন সমাজ গঠন কৰিব খুজিছোঁ, তেন্তে সৰ্ব্বপ্ৰথমে আমি নিজৰ মঙ্গলৰ কথা পাহৰি যাব লাগিব। সকলোৰে মঙ্গল হ'লে আমাৰো হ'ব, কিয়নো আমিওতো সমাজৰেই এজন। কিন্তু যদি প্ৰত্যেকেই ভাবে যে আমাৰ মঙ্গল হ'লে সকলোৰে মঙ্গল হ'ব, এইটো ঠিক নহ'ব।

এই কাৰণে আমি পোন প্ৰথমে এইটো ভাবিব লাগিব যে যদি আমি সৰ্ব্বোদয় হোৱাটো কামনা কৰোঁ আৰু সকলোৰে কল্যাণ বিচাৰো তেন্তে আমাৰ আজিৰ দৃষ্টি কোণ পৰিবৰ্ত্তন কৰিব লাগিব। আমাৰ নিজৰ ওপৰত থকা দৃষ্টি আনৰ পিনে লৈ যাব লাগিব। নিজৰ লাভৰ কাৰণে চিন্তা কৰাই আমাৰ একমাত্ৰ কৰ্ত্তব্য নহয়। আনৰ মঙ্গলৰ বাবে সমাজৰ সকলোৰে কল্যাণৰ কাৰণে চেষ্টা কৰাই আমাৰ কৰ্ত্তব্য। আমি আমাৰ স্বাৰ্থক বলিদান দিব লাগিব আৰু যদি ব্যক্তিগত দলগত, শ্ৰেণীগত, ৰাষ্ট্ৰগত স্বাৰ্থ পৰিত্যাগ কৰা

সকলো ক্ষেত্ৰত সৰ্বোদয়ো হ'ব নোৱাৰে। এনে সমাজত এজন ব্যক্তিৰ উন্নতি জনৰ আন জনৰ অত অনিবাৰ্য্য। এটা শ্ৰেণীৰ উন্নতি হ'লে আন-শ্ৰেণীৰ অৱনতি। পৃথিৱীত এতিয়ালৈকে সামাজিক সংঘৰ্ষ বা সমাজ পৰিবৰ্ত্তনৰ যিমানবোৰ প্ৰয়োগ হৈ গৈছে সেই সকলোৰে আধাৰ স্বাৰ্থই আছিল। চীন, ভাৰত, ৰোম, ফ্ৰান্স আৰু আধুনিক ইউৰোপৰ দেশতো এনে বিপ্লৱৰ জোৱাৰ উঠিছিল। সকলো ঠাইতে কোনো দল বা শ্ৰেণীৰ স্বাৰ্থৰ লগত অন্যান্য দল বা শ্ৰেণীৰ সংঘৰ্ষ হৈছেই আৰু তাৰ দ্বাৰাই এক নতুন পৰিবৰ্ত্তনো হৈছে, সমাজৰ ৰূপ সলনি হৈছে, কিন্তু সৰ্বোদয় হোৱা নাই। কোনো এটা শ্ৰেণীৰ স্বাৰ্থ সিদ্ধি হলে আনটো নিষ্ফল হয়। যেতিয়ালৈকে এজনৰ স্বাৰ্থ আনজনৰ স্বাৰ্থৰ পূৰক নাইবা সহায়ক নহ'ব, তেতিয়ালৈকে সৰ্বোদয়ৰ কল্পনা কৰাই অসম্ভৱ। স্বাৰ্থৰ যুদ্ধই সৰ্বোদয় প্ৰতিষ্ঠা কৰিব নোৱাৰে।

সৰ্বোদয় সমাজ তেতিয়াহে স্থাপন হ'ব নাইবা এইদৰে কব পাৰি যে সৰ্বোদয় সমাজ স্থাপন হলে কোনো ব্যক্তিয়ে নিজৰ স্বাৰ্থৰ কাৰণে জীয়াই নাথাকে। সকলোৰে স্বাৰ্থৰ হকে, সমাজৰ সকলোৰে কল্যাণৰ কাৰণেহে জীয়াই থাকিব, সংঘৰ্ষ কৰিব আৰু মৃত্যু বৰণ কৰিব। অৰ্থাৎ সৰ্বোদয় সমাজ এক নিস্বাৰ্থভাৱ ভেটিত প্ৰতিষ্ঠিত হ'ব। কোনো ব্যক্তিগত বা দলগত স্বাৰ্থৰ ওপৰত নহৈ সমাজৰ সকলোৰে স্বাৰ্থৰ ওপৰত থিৰ হ'ব। বাস্তৱিকতে ইয়াক স্বাৰ্থ বুলি কোৱাটো একপ্ৰকাৰ অনুচিত। কিন্তু সৰ্বসাধাৰণে বুজি পাবলৈ কৰই লাগিব। অৰ্থাৎ সৰ্বোদয় সমাজৰ প্ৰত্যেকজন

ব্যক্তিয়ে সমাজৰ সমস্ত লোকৰ হিতৰ কাৰণে প্ৰয়াস কৰিব। সংঘৰ্ষই নিস্বাৰ্থৰ সৃষ্টি কৰিব নোৱাৰে। আজিলৈকে মানি অহা হৈছে যে সমাজ বিপ্লৱৰ কাৰণে স্বাৰ্থৰ সংঘৰ্ষই প্ৰেৰণা যোগায়। সকলো বিপ্লৱীয়ে এতিয়ালৈকে তাকেই মানি আহিছে। কিন্তু ইতিহাসে সদায় সাক্ষী দি আহিছে যে এনে বিপ্লৱৰ দ্বাৰাই যি সমাজৰ সৃষ্টি হৈছে; সিয়ো স্বাৰ্থৰ ওপৰতে প্ৰতিষ্ঠিত হৈছে। এটা শ্ৰেণীৰ অৱসানৰ পিচত আন এটা শ্ৰেণীৰ উৎপত্তি হয়।

যদি লওক মজুৰ শ্ৰেণীৰ জয় হ'ল, কিন্তু তাৰ দ্বাৰাই পুঁজিপতি নাইবা ধনীৰ বিপক্ষে নিজৰ স্বাৰ্থৰ কাৰণে যুজ কৰা মজুৰ সকলৰ ব্যক্তিগত স্বাৰ্থৰ অৱসানৰ কথা সুসূচায়। স্বাৰ্থৰ হকে কৰা কাজিয়া কেৱল আনটো শ্ৰেণীৰ লগতহে আছিল। কিন্তু জয়লাভ কৰা শ্ৰেণীৰ অন্তৰত থকা স্বাৰ্থপৰতা নাইকিয়া নহ'ল আৰু হবও নোৱাৰে। কিয়নো তেওঁলোকেও স্বাৰ্থৰ কাৰণেহে যুদ্ধ কৰিছিল। মজুৰ শ্ৰেণীৰ কোটি কোটি মজুৰে স্বাৰ্থৰ হকে যুজিছিল। ধনীৰ বপক্ষে যুজোঁতে কোটি কোটি মজুৰৰ স্বাৰ্থ তেওঁলোকে এবং লি ভাবি একেখন পতাকাৰ তলত থিয় হৈ যুজ কৰে। কিন্তু সেই যে পৰিসমাপ্তিৰ পিচতো অন্তৰত থকা স্বাৰ্থ ভাৱনাৰ অন্ত নহয়। ধনীৰ বিপক্ষে কৰা যুদ্ধ শান্তিপূৰ্ণ ভাৱেই হওক বা হিংসাত্মক ভাৱেই হওক জয়লাভ কৰাৰ পিচত প্ৰত্যেক খেতিয়ক মজুৰৰ মাজত স্বাৰ্থৰ কাৰণে আকৌ যুদ্ধৰ অৱতাৰণা হব।

মজুৰসকলৰ বিপ্লৱৰ লগত মোৰ বহুদিনীয়া সম্বন্ধ। সেই

কাৰণে তেওঁলোকৰ বিষয়ে মোৰ অলপ অভিজ্ঞতাও আছে। মজুৰে সকলে সদায় ধ্বনি কৰে যে সমাজত সমতা স্থাপন হওক, বৈষম্য লোপ পাওক। এই ধ্বনি শুনি মই বেলজেৰ মজুৰসকলক সুধিলো যে আপোনালোকে বৈষম্যতা লোপ পোৱাটো যদি সঁচাকৈয়ে বাঞ্ছা কৰে তেন্তে আপোনালোকৰ মনত থকা বিভিন্ন প্ৰকাৰৰ শ্ৰেণী আৰু শ্ৰেষ্ঠবোধ উঠাই নিদিয়ে কিয়? আপোনালোক যদি সঁচাকৈয়ে বৈষম্যৰ বিৰোধী তেন্তে নিজৰ ভিতৰত বৈষম্য কিয় ৰাখিছে? আপোনালোকৰ কোনোজনৰ দৰমহা ৬৫৲ টকাৰ পৰা আৰম্ভ হৈ ১৩৫৲ টকালৈকে, কোনোজনৰ ৮০৲ টকাৰ পৰা ২১০৲ টকালৈকে আৰু কোনোজনৰ ১২৫৲ টকাৰ পৰা আৰম্ভ হৈ ৩৫০৲ টকা হয়গৈ। ইয়াৰ কিবা অৰ্থ থাকিব পাৰেনে? এনে ভেদ আপোনালোকে কিয় সমৰ্থন কৰিছে? এনে ধৰণৰ প্ৰশ্ন কৰিলে তেওঁলোকে উত্তৰ দিয়ে যে "এইটো কেনেকৈ হব পাৰে? আমাৰ কাম আৰু সেইসকলৰ কামত পাৰ্থক্য আছে। আমাৰ কাম আনস্কিল্ড"। এনেদৰে তেওঁলোকে নানা প্ৰকাৰৰ যুক্তি প্ৰদৰ্শন কৰে। কিন্তু সকলো মজুৰ, লাগিলে কাপোৰৰ কাৰখানাৰেই হওক নাইবা টাটা বা বিৰলাৰ কাৰখানাৰেই হওক, ধনী বা চৰকাৰৰ বিপক্ষে যুজিবলৈ এক গোট হয়। একেটা ট্ৰেড ইউনিয়নৰ সকলো মেম্বাৰ। হড়তালৰ জাননী আহিলে সকলোৱে হড়তাল কৰে। ধনী-দুখীয়া, সৰু-ডাঙৰ ভেদাভেদ নাশ হ'ব লাগে বুলি সকলোৱে ধ্বনি কৰে। কিন্তু তেওঁলোকৰ মনত থকা ভেদ ভাৱ আৰু বৈষম্য নাশ কৰিবলৈ তেওঁলোক সাজু নহয়।

বিহাৰৰ ভূ-দান যাত্ৰা চত মূৰেঁাতে ভাগলপুৰৰ শিবিৰত কেইজন মান অধ্যাপকে বিনোবাজীক দেখা কৰিছিল। অধ্যাপকসকলে বিনোবাজীক কলে "সমাজত সমভাৱ স্থাপন হব লাগে। এইকথা পৃথিৱীৰ প্ৰত্যেকজন বুদ্ধিমান লোকে স্বীকাৰ কৰিব। সমভাৱ আৰম্ভণি শিক্ষা বিভাগৰ দ্বাৰা হোৱা উচিত, কিয়নো শিক্ষা আমাৰ ৰাষ্ট্ৰীয় জীৱনৰ বুনিয়াদ স্বৰূপ। দেশৰ প্ৰচলিত শিক্ষাৰ দ্বাৰাইহে মানুহৰ মন আৰু স্বভাৱৰ গঠন হয়। সেইবাবে দেশত যি প্ৰকাৰৰ শিক্ষাৰ প্ৰচলন হ'ব সমাজ আৰু দেশখনো সেইদৰেই গঢ়ি উঠিব। সেইকাৰণে আমি দাবী কৰোঁ যে সমভাৱ আৰম্ভণি শিক্ষা বিভাগৰ দ্বাৰা হব লাগে। আজি যেনেকৈ আমাৰ প্ৰিন্সিপাল মহোদয়ে (তেখেতসকলে কোৱা টকাৰ সংখ্যাটো মোৰ সম্পূৰ্ণ মনত নাই-থবিলওক তেওঁলোকে কৈছে) ৫০০্ বা ৭০০্ টকা দৰমহা পায় আৰু অধ্যাপক সকলৰ কোনোজনে ১৭৫্ টকা আৰু কোনোজনে ২০০্ টকা পায় এইটো যুক্তি সঙ্গত আৰু ন্যায়পূৰ্ণ বিচাৰ হোৱা নাই। এনে বিভেদ থকা অনুচিত।" অধ্যাপক সকলৰ কথা শুনি বিনোবাজীয়ে কলে "আপোনালোকে যদি তাকেই ভাবে, তেন্তে ইচ্ছা কৰিলে আপোনালোকে নিজেই তাৰ নিবাৰণ কৰিব পাৰে। অতি সহজ উপায়েৰে এই কাম কৰিব পাৰিব। মাহৰ আৰম্ভণিত নাইবা শেষত আপোনালোক সকলোৱে দৰমহা খিনি একেলগে গোটাই লৈ সমানে ভগাই পেলাওক। এই সমভা আপোনালোকৰ চিৰদিনৰ কাৰণে চিৰস্থায়ী হৈ থাকিব। চৰকাৰ বা মেনেজিং কমিটীৰ ফালৰ পৰা নিয়ম-তন্ত্ৰ ৰচনা হৈ এই কাম হব বুলি

আশা কৰি আপোনালোক কিয় বৈ থাকিব লাগিছে ? সচাঁইকৈ যদি আপোনালোকে ইচ্ছা কৰে তেন্তে কৰি পেলাওক। মই ভাবো যে এই কাম শিক্ষা বিভাগৰ দ্বাৰাই আৰম্ভ হব লাগে। কিন্তু সকলোকে যদি দণ্ড শক্তিৰ সহায়েৰে সমত্তাৰ পাঠ শিকাব লগীয়া অৱস্থাৰ সৃষ্টি হয় তেন্তে সি দেশৰ সৌভাগ্যৰ কথা হবনে ? দণ্ড-শক্তিৰে সমতা আনিব খুজিলে তাৰ দ্বাৰা বৈষম্যৰ বীজ অঙ্কুৰিত হ'বই। শুদ্ধ অন্তৰেৰে সমতা মানি নললে তাৰ মাজৰ পৰা যি কোনো উপায়েৰে বৈষম্যৰ বীজ সৃষ্টি হ'বই। মই আপোনালোকক এই কথাকেই ক'ব খুজিছো যে স্বাৰ্থৰ কথা চিন্তা কৰোঁতে দল শ্ৰেণী স্বাৰ্থৰ কথা আছি পৰে তাত এক বিশেষ শ্ৰেণীৰ ব্যক্তিয়ে নিজৰ নিজৰ স্বাৰ্থৰ কথাহে চিন্তা কৰে। যদি স্বাৰ্থৰ কাৰণেহে বুজিবলৈ লোৱা হয় অ'ক আমাৰ সকলো দৰ্শন (ফিল'চফী) স্বাৰ্থৰ ভেটিতহে ৰচনা কৰা হয় তেন্তে যি দল, শ্ৰেণী নাইবা ৰাষ্ট্ৰৰ জয় হয় তেওঁলোকৰ ভিতৰত পৰস্পৰৰ স্বাৰ্থৰ কাৰণে কাজিয়াৰ সৃষ্টি যে হবই চিৰসত্য কথা। স্বাৰ্থৰ সংঘৰ্ষ য'ত হ'ব তাত সৰ্বোদয় হোৱা অসম্ভৱ। স্বাৰ্থ বিসৰ্জনৰ দ্বাৰাইহে যে আমাৰ সমাজৰ আৰু সকলোৰে কল্যাণ হব পাৰিব এই কথা যেতিয়ালৈকে আমি বুজি নাপাওঁ আৰু আমাৰ সকলো প্ৰকাৰৰ বুদ্ধি নিস্বাৰ্থৰ ভেটিত প্ৰয়োগ নকৰোঁ তেতিয়ালৈকে সৰ্বোদয় প্ৰতিষ্ঠা হব নোৱাৰে।

আপোনালোকৰ বহুতৰ অন্তৰত প্ৰশ্ন হব পাৰে যে বিনোবাজীয়ে যি ডাঙৰ খোৱাৰ কথা কব ধৰিছে, ভূমি সমবিতৰণ কৰা, সম্পত্তিৰ সমবিভাজন কৰা, নিজৰ উপাৰ্জনৰ পৰা টকাৰ এপইচা

দুপইচা, অষ্টাংশ আদি নিজৰ সুবিধানুসৰি দান কৰা ইত্যাদি। কথাৰে বিপ্লৱ কেনেকৈ হ'ব পাৰে? এই নিয়মেৰে আঢ্যতা আৰু দৰিদ্ৰতাৰ প্ৰশ্নৰ সমাধান হোৱা সম্ভৱপৰ নে? শক্তিশালী বিপ্লৱ কৰিবলৈ হ'লে নিষ্পেষিত সকলক সংগঠন কৰিব লাগিব আৰু শোষণকাৰী সকলৰ পৰা বলেৰে ধন সম্পত্তি কাঢ়ি লৈ সকলোকে সমানে ভগাই দিব লাগিব। লাগিলে আইন ৰচনা কৰিয়েই হওক, ৰাষ্ট্ৰীয়কৰণ কৰিয়েই হওক, সামাজিকৰণ কৰিয়েই হওক, বা চিঞৰেৰেই হওক নাইবা তৰোৱালৰ শক্তিৰেই কাঢ়ি লওক, যি কোনো উপায়েৰে ধনীৰ সম্পত্তি দুখীয়াৰ হাতলৈ আহিব লাগে। এয়ে আমাৰ চলিত বিপ্লৱৰ নমুনা। কিন্তু দলিত, শোষিত আৰু নিষ্পেষিত সকল সংগঠিত হৈ যদি স্বাৰ্থৰ কাৰণেহে যুদ্ধ কৰে তেন্তে সেই যুদ্ধ হিংসাৰেই হওক নাইবা অহিংসাৰেই হওক স্বাৰ্থৰ ভেটিতহে ৰচনা হ'ব। মই আপোনালোকক কব খোজো যে ই আচল বিপ্লৱ নহয়।

আপোনালোকে ভাবিব পাৰে যে চাৰিওফালে মৰা-কটা চলিব ধৰিছে, ঘৰ-বাৰী পুৰিব ধৰিছে, ধনীৰ সম্পত্তি দুখীয়াৰ মাজত বিতৰিত হ'ব ধৰিছে, কাৰখানাৰ ওপৰত মজুৰ আৰু মাটিৰ ওপৰত খেতিয়কে অধিকাৰ কৰিব ধৰিছে দেশত ডাঙৰ বিপ্লৱ আৰম্ভ হৈছে। পৃথিৱীৰ যিবোৰ ঠাইত এনে বিপ্লৱ হৈ গৈছে তেওঁলোকে তাৰ পৰা কি লাভ কৰিছে জানেনে? বিপ্লৱৰ আচল মূলভূত তত্ত্ব তাৰ পৰা ওলোৱা নাই। স্বাৰ্থৰ যুদ্ধহে হৈছে। এনে যুদ্ধত জীৱনৰ স্বাৰ্থ কেৱল অৱশিষ্ট হিচাপে থাকি যায়।

তাৰ ইঞ্জিনীয়াৰ, মেকানিক, অকুশল কাম কৰোঁতাসকল, চিপাহী, জেনেৰেল, কাৰখানা ডাইৰেক্টৰ, যেতিয়ক সকলোৱে কয় যে আমি মজুৰ আৰু আমি সকলোৱে মিলি কাৰখানা আৰু সম্পত্তিৰ পৰাক্ৰীৰ পৰা সকলো বস্তু কাঢ়ি লৈছোঁ। কিন্তু তাৰ পিচত কি হব জানেনে? ইঞ্জিনীয়াৰে কব, আমি সাধাৰণ মজুৰতকৈ বেছি পাব লাগে। আপোনালোকে যদি সাধাৰণ মজুৰৰ সমানে আমাকো দিব তেন্তে আমি শিকি বুজি যি বুদ্ধি আৰু জ্ঞান লাভ কৰি জন-সেৱাত খটুৱাইছোঁ তাক কেৱল দুইখন হাতেৰে কামকৰা মজুৰৰ লৈতে সমান শ্ৰেণীত গণ্য কৰিছে।" সৈন্যধিপতিয়ে কব এইটো কেনেকৈ হব পাৰে? সাধাৰণ সৈনিক সকলে আৰু অন্যান্য লোকসকলে যিমান পায়, সিমানেৰে সেনাধিপতি কেনেকৈ চলিব? আমাৰ কাৰণে মটৰ লাগিব, পকা ঘৰ লাগিব। সাধাৰণ সৈনিকৰ সমানতো আমাৰ কাম নহয়। দেশৰ গোটেই সৈন্য বাহিনীটো পৰিচালনা কৰিব লাগিব যেতিয়া আমি অধিক পোৱা উচিত।" এনে ধৰণৰ নানান সমস্যাৰ উদ্ভৱ হব।

এই সকলোবেই অৰ্থ এইটোৱেই যে পুঁজিপতি ধনী আদিক ধ্বংস কৰি যদি এখন শ্ৰেণীহীন মজুৰ সমাজলো সৃষ্টি কৰা হয় তেন্তে সেই সমাজত একজনতকৈ আন জনৰ অধিক লাভ কৰাৰ চেষ্টা চলি থাকিব। ইয়াৰ কাৰণ কি জানেনে? ইয়াৰ কাৰণ হৈছে সেই যুদ্ধ স্বাৰ্থৰ ভেটিত সম্পন্ন হৈছিল। সমাজৰ পৰা যদি স্বাৰ্থ-চিন্তাৰ অৱসান নহয়, তেন্তে তাক বিপ্লৱ বুলি কব

নোৱাৰি। কিয়নো তাৰ দ্বাৰাই মূল্য পৰিবৰ্তন নহয়। ধৰি লওক ৰাষ্ট্ৰীয়কৰণ কৰি লৈ পুঁজিপতিক খেদি দি সেই ঠাইত এজন ডাইৰেক্টৰ বা তেনে কোনো এজন অফিচাৰক বহুৱাই দিয়া হ'ল। ডাইৰেক্টৰেও পুঁজিপতিৰ সমানে সুবিধা লাভ কৰিলে, বৰং পুঁজিপতিতকৈ বেছি অধিকাৰ আৰু শক্তি প্ৰয়োগ কৰিবলৈ সুবিধা পালে। তেন্তে সি কেনে ধৰণৰ বিপ্লৱ হ'ল?

এই যুগৰ বিপ্লৱী সকলৰ চকুত পৰ্দা পৰিছে, সেই কাৰণে তেওঁলোকে বেছি দূৰলৈ দেখিব পৰা নাই। তেওঁলোকে ভাবে যে ইয়াত বাদে আৰু আন পথ নাই। নিজৰ স্বাৰ্থৰ কাৰণে হিংসাৰেই হওক বা অহিংসাৰেই হওক আইনেৰে হওক বা সত্যাগ্ৰহেৰে হওক কেৱল যুঁজিব লাগে। সত্যাগ্ৰহৰ লগত স্বাৰ্থৰ কোনো সম্বন্ধ নাই। স্বাৰ্থৰ কাৰণে সত্যাগ্ৰহ হব পাৰে জানো? স্বাৰ্থ কোনো তত্ত্ব নহয়। স্বাৰ্থৰ যুদ্ধ, সত্য যুদ্ধও হ'ব নোৱাৰে। কিন্তু সৰ্বোদয়ৰ যুদ্ধ সকলোৰে স্বাৰ্থৰ হকে কৰা যুদ্ধ। গোটেই সমাজৰ স্বাৰ্থৰ কাৰণে কৰা যুদ্ধ সত্য যুদ্ধ হব পাৰিব, কিয়নো তাৰ দ্বাৰাই সমাজৰ বিভাজন নহয়।

স্বাৰ্থ ত্যাগৰ প্ৰক্ৰিয়া

আপোনালোকৰ আগত বিপ্লৱৰ এটা নতুন দৰ্শন দাঙি ধৰা হৈছে। মহাত্মা গান্ধীয়ে ইয়াক অতি সুস্পষ্ট ভাৱে আমাৰ সন্মুখত উত্থাপন কৰিছিল। কিন্তু তাৰ ব্যৱহাৰিক ৰূপটো তাবাবে এতিয়াহে

প্ৰকাশ পাইছে। বিপ্লৱ কেনেকৈ হব? কেনেকৈ স্বাৰ্থ ত্যাগ কৰিব লাগিব? সমাজৰ কাৰণে নিজৰ স্বাৰ্থ কেনেকৈ ত্যাগ কৰিব আমাকো তাৰ শিকনি দিব লাগিব। পৃথিৱীৰ কোটি কোটি মানুহৰ অন্তৰৰ পৰা স্বাৰ্থৰ চিন্তা দূৰ কৰি বিপ্লৱ কৰা কেনেকৈ সম্ভৱপৰ হব? এই সকলোবোৰ আজি আমাৰ গভীৰ চিন্তাৰ বিষয় হৈ পৰিছে। স্বাৰ্থ ত্যাগৰ আন্দোলন আৰম্ভ কৰি নিস্বাৰ্থৰ ভেটি স্থাপন কৰিব লাগিব আৰু এক নতুন সামাজিক মূল্যৰ সৃষ্টি কৰিব লাগিব।

বহুতে মোক প্ৰশ্ন কৰে—"আপোনালোকে হেজাৰ হেজাৰ একৰ মাটিৰ গৰাকী আৰু কোটি কোটি টকাৰ গৰাকীসকলৰ হৃদয় পৰিবৰ্ত্তনৰ দ্বাৰা সমাজত কেনেকৈ সমতা স্থাপন কৰিব খুজিছে আমি বুজি পোৱা নাই। আপোনালোকৰ মুখৰ কথাতে হেজাৰ হেজাৰ একৰ মাটিৰ গৰাকীয়ে স্বত্ব ত্যাগ কৰিবনে? আপুনি ভাবেনেকি যে কোনো ভূমিপতিয়ে ভেঙৰ অজস্ৰ একৰ মাটিৰ পৰা নিজৰ ল'ৰা-ছোৱালীৰ কাৰণে ২০ একৰ মাটি ৰাখি বাকী সকলোখিনি দান কৰিব? এইবোৰ সম্ভৱপৰ হ'ব পাৰেনে? আপোনালোকে সপোন দেখিছেনেকি? সেইদৰে যদি কোনো কোটি-পতি এজনে নিজৰ ছয় কোটি টকীয়া সম্পত্তিৰ পৰা এক ষষ্ঠাংশ হিচাপে এক কোটিৰ সম্পত্তি দান কৰিলে তেন্তে তাৰ দ্বাৰাও কোনো কিম্বা বিশেষ পৰিবৰ্ত্তন হব পাৰিব? ইয়াৰ দ্বাৰাই সমাজত সমতাৰ স্থাপন হব পাৰিবনে? ছয় কোটিৰ গৰাকী এতিয়া পাঁচ কোটিৰ গৰাকী হ'ল। ইচ্ছা কৰিলে আকৌ এক কোটি উপাৰ্জ্জন কৰিব।

এনেধৰে বিনাশ হব পাৰেনে? আপোনালোকে এইবোৰ কি বুজাব খুজিছে?

আমাক যদি কয়, মজুৰ সকলে হাতত তৰোৱাল লৈ ধনীৰ ঘৰত সোমাই যাওক আৰু সকলো সম্পত্তি লুটি লৈ আহক তেন্তে তাক আমি সমৰ্থন কৰিব পাৰোঁ। নাইবা যদি কয় যে পাৰ্লিয়া-মেণ্টৰ সহায়েৰে 'কেপিটেল লেভী' বুলি পুঁজিৰ ওপৰত প্ৰতিবন্ধক লগাই মৰ্য্যাদাতকৈ অধিক পুঁজি বা ভূমি কোনেও ৰাখিব নোৱাৰে বুলি আইন তৈয়াৰ কৰা হয় তেন্তে তাত আমি সন্মতি জনাব পাৰোঁ। নাইবা সকলো ৰাষ্ট্ৰীয়কৰণ কৰি ইনকমটেক্স, চুপাৰটেক্স, আদি লগায়ো কৰিব পাৰি। আপোনাৰ এই আন্দোলনত দুখীয়াই হয়তো সৰ্ব্বস্ব দিব পাৰে আৰু ধনীয়েও বিনোবা, জয় প্ৰকাশ আদি নেতা সকলৰ প্ৰভাৱৰ কাৰণে সম্পত্তিৰ এটি ক্ষুদ্ৰাংশ দান কৰিব পাৰে। তাৰ দ্বাৰাই ধনীৰ লাভ হে হ'ব। বাতৰি কাকতত অমুক জমিদাৰে ভূমি-দান কৰিছে, সম্পত্তি দান দিছে ইত্যাদি। যাতে সমাজত তেওঁৰ অলপ নাম হয়। আপোনালোকৰ চকুত ধূলি মাৰিবলৈ অলপমান হয়তো দিব। কিন্তু তাৰ দ্বাৰাই সমাজৰ কি পৰিবৰ্ত্তন হ'ব?

"ইয়াৰ উত্তৰ স্বৰূপে মই কব খোঁজো—"যি সকল বন্ধুৱে এনে-দৰে সন্দেহ কৰে তেওঁলোকে এই আন্দোলনৰ আচল তাৎপৰ্য্য বুজা নাই। বিনোবাজীয়ে কি কৰিব খুজিছে আৰু গান্ধীজীয়ে কি কৈ গৈছে তেওঁলোকে তাক হৃদয়ঙ্গম কৰিব পৰা নাই। ভূমিপতি সকলে যেতিয়া ভূমিদান কৰে আৰু ধনীয়ে সম্পত্তি দান কৰে তাক দেখি মই বৰ আচৰিত হওঁ। আমি তেওঁলোকক আমাৰ বিচাৰ

-ধাৰা বুজাওঁ, আমাৰ কথা শুনিয়েই যে তেওঁলোকে সম্পত্তি বিসৰ্জ্জন কৰিব তাক আমি ভাবিবই নোৱাৰো।, কিন্তু তেওঁলোকে দান দিয়ে। অনেক কোটিপতিয়ে সম্পত্তিদান কৰিছে টাটা, খটাও আদি কিমানে দান কৰিছে! কিন্তু সেই সকলোৰে নাম কোৱাৰ প্ৰয়োজন নাই। কোনোৱে ষষ্ঠাংশ, কোনোৱে পঞ্চমাংশ, কোনোৱে উপাৰ্জ্জনৰ আৰু কোনোৱে খৰচৰ উপযুক্ত অংশ দান কৰিছে। হেজাৰ হেজাৰ একৰ মাটিৰ পৰাকীয়েও দিছে আৰু ধনী সকলেও দিছে। এইবোৰ যাদু-মন্ত্ৰ যেন লাগে। মহাত্মা গান্ধী আৰু এই দেশৰ পুৰণা ঋষি-মুনি সকলৰ প্ৰভাৱৰ কাৰণেহে এই সকলোবোৰ হব ধৰিছে। এই দেশৰ বতাহত এক অদ্ভুত শক্তি নিহিত আছে কিন্তু আমি তালৈকো আশা নকৰো। কিয়নো ধনীৰ অন্তৰত বিপ্লৱৰ অগ্নি-শিখা এতিয়াও জ্বলি উঠা নাই। আচাৰ্য্য সকলে এতিয়াও ধ্বনি কৰা নাই, "ধন আৰু ধৰিত্ৰীৰ বিভাজন হওক, সমাজত সমতাৰ স্থাপনা হওক, ৰাষ্ট্ৰৰ সম্পত্তি ৰাষ্ট্ৰৰ হওক, সম্পত্তিৰ ৰাষ্ট্ৰীয়কৰণ সামাজিকৰণ হওক' এই ধ্বনি কেৱল আপোনালোকেহে কৰিছে। ইন্ কিলাব জিন্দাবাদ'ৰ ধ্বনিও আপোনালোকৰ মুখেৰেহে ধ্বনিত হৈছে। নতুন সমাজৰ সপোন দেখিছে মাথোন আপোনালোকে। দেশৰ দৰিদ্ৰ মধ্যম বৰ্গ আৰু নৱ যুৱক বিপ্লৱী সকলেহে এখন নতুন সমাজৰ সপোন দেখিব ধৰিছে। যি সকল অট্টালিকাত বহি আছে তেওঁলোক তললৈ আহিবলৈ কিয় বিচাৰিব? তেওঁলোকে সুখ-আৰামৰ ব্যৱস্থাৰ ওলট পালট কৰিবলৈ কিয় বিচাৰিব? আপোনালোকেহে মাথোন ইচ্ছা কৰিছে।

সেইকাৰণে বিপ্লৱ আৰু সমতাৰ ইচ্ছুক সকলে ধন আৰু ধৰিত্ৰীৰ বিভাজন কৰিব লাগিব। তেওঁলোকে বিপ্লৱৰ আগৰণুৱা হিচাপে আগবাঢ়ি যাব লাগিব। সমাজবাদী আৰু সাম্যবাদীসকলে কয় যে পুঁজীবাদী সমাজত বিপ্লৱ কৰিবলৈ মজুৰ সকল আগবাঢ়ি ওলাব লাগিব। আমিও তাকেই কব খুজিছো যে এই বিপ্লৱত আপোনালোকেই আগবাঢ়ি আহিব লাগিব। কিন্তু আপোনালোক যাব লাগিব শুদ্ধ পথেৰে, ভুল পথেৰে নহয়। বিশ্বত হিংসাৰে বিপ্লৱ হৈ গ'ল, আৰু বিপ্লৱীসকলে কোনো সন্মান নেপালে। সমাজৰ সমস্যা সমাধান নহ'ল সমাজৰ পৰা সংঘৰ্ষ বিদ্বেষ আৰু বৈষম্য দূৰীকৰণ নহ'ল। এই সকলোবোৰৰ মূল কাৰণ কি মই আপোনালোকক কলোঁ। সেইকাৰণে এইবাৰ আপোনালোকে বিপ্লৱৰ এক নতুন পথ গ্ৰহণ কৰিব লাগিব। দৰিদ্ৰ সকলে কয় "কোটিপতি সকলৰ ধন সমাজৰ।" সেইবাবে সেই সকলো ধনৰ সামাজিকৰণ বা সমবিতৰণ হব লাগে। কিন্তু আমাৰ ইখিনি উচিত সেইখিনি তোমাৰ নিজা। তাৰ গৰাকী আমি। যেনেকৈ সেই ধনৰ বিতৰণৰ প্ৰশ্ন উঠে মই পঞ্চাশ টকা পাওঁ, আনজনে তেৰ শ আৰু তৃতীয়জনে আঠৈ শ টকা পায়। সেইবোৰৰ বিতৰণ হব নোৱাৰে সেইবোৰ আমাৰ নিজা। এইখিনি আমি আমাৰ নিজৰ বুদ্ধি আৰু শক্তিৰে উপাৰ্জন কৰিছো। সেইবাবে ই আমাৰ, কিন্তু ধনীৰ ধনৰ ওপৰত সকলোৰে স্বত্ব আছে। কিয়নো সকলোৰে সহযোগিতাৰ দ্বাৰাহে সেই সম্পত্তি নিৰ্মাণ হৈছে। এইদৰে ই দুটা ভূমিকাৰ সৃষ্টি কৰে। নিজৰ কাৰণে স্বাৰ্থৰ আৰু ধনীৰ কাৰণে নিস্বাৰ্থৰ।

পৃথিৱীত ডেৰ শ বছৰৰ পৰা মজুৰ ট্ৰেডইউনিয়ন আন্দোলন চলিব ধৰিছে। ইয়াৰ জন্ম ইংলণ্ডত হৈছিল আৰু তাতেই শক্তিশালী ৰূপ ধাৰণ কৰিছে। বৃটিছ ট্ৰেডইউনিয়ন কংগ্ৰেছ পৃথিৱীৰ শক্তিশালী অনুষ্ঠানবোৰৰ ভিতৰত লেখত লব লগীয়া এটা বৃহৎ অনুষ্ঠান। তেওঁলোকৰ নিজা দল আছে। তেওঁলোকে নিজে ৰাজ্যৰ শাসন ভাৰো চলাইছে আৰু মজুৰ-ৰাজ প্ৰতিষ্ঠা কৰিছে। কিন্তু সেই সকলোবোৰ হোৱাৰ পিচতো আজি ইংলণ্ডৰ মজুৰৰ অৱস্থাৰ কি পৰিবৰ্ত্তন হৈছে? তেওঁলোকৰ বিচাৰ-ধাৰাই বা কি? তেওঁলোকৰ আৰু সমাজ জীৱনৰ প্ৰভেদ কি? ডেৰশ বছৰৰ পৰা যুদ্ধ চলাই আজি কোন স্থানত উপনীত হৈছে? আমেৰিকাৰ "ট্ৰেড-ইউনিয়ন" আন্দোলন প্ৰচণ্ড শক্তিশালী। তেওঁলোকৰ প্ৰত্যেক কামৰ কাৰণে 'এগ্ৰিমেণ্ট থাকে। সংগঠিত মজুৰ সমূহ কুশলতা আৰু শক্তিৰে নিজৰ হিতৰ কাৰণে অতি সূক্ষ্ম সূক্ষ্ম কথ বো চিন্তা কৰে আৰু যেতিয়ালৈকে মালিক, মজুৰ সঙ্ঘৰ সদস্য নহয় তেতিয়ালৈকে কোনো মজুৰক চাকৰ হিচাপে ৰাখিব নোৱাৰে। তেওঁলোকে ক্লজ চপ্ (বন্ধ দোকান) তৈয়াৰ কৰিছে। এনেদৰে তেওঁ লোকে সকলোবোৰ ব্যৱস্থা সুন্দৰ ভাৱে কৰি পেলাইছে। তথাপি মজুৰ সদায় মজুৰ হৈয়েই আছে, আৰু গৰাকী, গৰাকী হৈয়েই আছে। দুয়োৰে ভিতৰত সংঘৰ্ষ চলিয়েই আছে। তেন্তে কি সাৰ্থক হ'ল? য'ত মজুৰৰ নামত বিপ্লৱ হ'ল, যি দেশক মজুৰৰ দেশ বুলি সকলোৱে কয় তাৰ অৱস্থা এনে কিয় হ'ল? এই সকলো বোৰ কথা আপোনালোকে জনা উচিত। কলেজৰ ছাত্ৰৰ কাৰণেই কোনো নতুন কথা হব নালাগে।

আপোনালোক সদায় জাগ্ৰত হৈ বিশ্বৰ সকলো বিষয়ৰ জ্ঞান আহৰণ কৰিব লাগে। তেন্তে ভাবি চাওকচোন তাত এনে অৱস্থা কিয় হল? ইমান বছৰৰ পৰা সংঘৰ্ষ কৰি আছিও তাৰ ফল একোকে নেপালে, আৰু যিখিনি পোৱা বুলি ধৰা হৈছে সিও অতি নগণ্য। ই একেবাৰে নিশ্চিত কথা যে ইয়াৰ দ্বাৰাই কোনো সাৰ্থকতা নহ'ব। কেৱল স্বাৰ্থৰ সংঘৰ্ষহে চলিব তাৰ পিচত পৰস্পৰৰ ভিতৰত নানা প্ৰকাৰৰ দলাদলি ভাৱ আৰু মৰা-কটাৰ সৃষ্টি হব।

সকলো সম্পত্তি সমাজৰ

সম্পদৰ আন এটা পথৰ সন্ধানৰ কথা আজি কব ধৰিছোঁ। যদি তুমি কব খোজা যে সম্পত্তি সমাজৰ তেন্তে তোমাৰ হাতত থকা সম্পত্তি সমাজৰেই হ'ব। পুঁজিপতিসকলৰ সম্পত্তি যদি সমাজৰেই সহযোগত উৎপাদন হৈছে তেন্তে পৃথিৱীত কোনে কব পাৰে যে মোৰ হাতত থকা সম্পত্তিৰ অৰ্জ্জন মই অকলে কৰিছোঁ? কোনো মানুহেই এনেদৰে কব নোৱাৰে। মানুহ অকলশৰীয়া প্ৰাণী নহয়। এক সামাজিক প্ৰাণী হে জন্মৰ পৰা মৃত্যুলৈকে মানুহ সমাজত থাকে। মানৱ জাতিৰ ক্ষেত্ৰত আটাইতকৈ আগতে বুজিব লগীয়া কথা হৈছে এইটো যে সমাজত আমাৰ জীৱন অতি সহজ। সহজতে জন্ম, সহজতে সমস্ত কাৰ্য্য সম্পন্ন আৰু মৃত্যুও সমাজতে অতি সহজে হৈ যায়। এই বিষয়ে চিন্তা কৰিবলৈ আমাৰ অৱকাশ নেথাকে। জন্ম হোৱা মুহূৰ্তৰ পৰা আৰম্ভ কৰি মৃত্যুৰ শেষ প্ৰৰ্য্যন্ত সমাজে

আমাক সকলো বস্তুৰ যোগান ধৰিবই লাগিছে। আপোনালোকে ইয়াত শিক্ষা লাভ কৰিছে। এই শিক্ষাৰ দ্বাৰা ডিগ্ৰী লাভ কৰি যদি কোনো চাকৰি বা ব্যৱসায় কৰিবলৈ লয় তেন্তে আপুনি কব পাৰিবনে যে মই নিজৰ বুদ্ধিৰ বলেৰেহে উপাৰ্জ্জন কৰিছোঁ? নিজৰ শক্তিৰে মই বি, এ, পাচ কৰিছোঁ? ভাবি চাওকচোন। আপুনি নিজৰ শক্তিৰে এই কাৰ্য্য কৰিব পাৰিলেহেঁতেন নে? যিমান তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰই নহওক, লাগিলে তেওঁ ফাৰ্ষ্ট ক্লাছ ফাৰ্ষ্টেই হওক, তথাপি তেওঁক কোনো জংঘলৰ মাজত এৰি থৈ আহিলে তেওঁ বি-এ বা এম্ এ পাচ হৈ আহিব পাৰিব জানো? কেতিয়াও লাভ একোকে কৰিব নোৱাৰিব। তদপৰি জংঘলী হৈ আহিব পাৰিব। হয়তো তেওঁৰ পক্ষে প্ৰাণ জীয়াই থকাটোৱেই টান হৈ পৰিব।

আমাৰ কোনো কামেই পাৰস্পৰিক সহায় নহলে হব নোৱাৰে। আমি যি কোনো কামেই নকৰোঁ, লাগিলে চাকৰিয়েই হওক বা ব্যৱসায়েই হওক নাইবা খেতিয়েই হওক যি কোনো কামতে সমাজৰ সহায় বাদ দি একো হব নোৱাৰে। কোনো বিখ্যাত উকীলে যদি ভাবে যে মই নিজৰ বুদ্ধিৰ বলতহে উপাৰ্জ্জন কৰিছোঁ। ইয়াত সমাজে মোক কি সহায় কৰিছে? কিন্তু চিন্তা কৰি চাওকচোন সেই উকীল জনক যদি জংঘলৰ মাজত থৈ অহা হয় তেন্তে তেওঁ উকীল হৈ আহিব পাৰিলেহেঁতেন নে? তেওঁৰ সেই ওকালতি বিদ্যাও সমাজেহে জন্ম দিছে। হেজাৰ হেজাৰ বছৰৰ চেষ্টাতহে এই জ্ঞান-বিজ্ঞানৰ জন্ম সমাজে দিব পাৰিছে। পাটনা বিশ্ববিদ্যালয়ৰ কথাকেই ভাবকচোন! পকীঘৰটো সজা হৈছে কিমান মানুহে একেলগে

কামত খাটি দিছে কিমানে চান্দা, বৰঙণি দিছে, কিমান অধ্যাপক ইয়াত আহি গোট খাইছেহি, কিমানে কিতাপ লিখিব লাগিছে ? এই সকলোবোৰ কাম চলিবই লাগিছে। সমাজত আইন প্ৰনয়ণ কৰা হৈছে। পৰম্পৰৰ ভিতৰত কাজিয়া লগাই যেতিয়া মক্কেল, উকীল চাহেবৰ ওচৰলৈ যায় তেতিয়াহে তেওঁ উপাৰ্জ্জন কৰিব পাৰে যিমানেই ধনী মানুহ নহওক ঘৰত বহি উপাৰ্জ্জন কৰিব নোৱাৰে। কোনো মানুহেই অকলে উৎপাদন বা উপাৰ্জ্জন কৰিব নোৱাৰে।"

কোটিপতিয়ে কয় যে তেওঁ নিজৰ বুদ্ধিৰ বলেৰে উপাৰ্জ্জন কৰিছোঁ। এই উপাৰ্জ্জনত কাৰো ভাগ থাকিব নোৱাৰে। ধৰক এক দশৰ আগতেই তেওঁক উত্তৰ ধনীজনক দি ... হয়, ধনী মহাশয় ! আপুনি এক কোটি টকা লৈ পঞ্চাশ বছৰ জংঘলত নিজে থাকক গৈ। এই পঞ্চাশ বছৰৰ ভিতৰত কোনো মানুহৰ লগত আপোনাৰ দেখা হব নোৱাৰিব। জংঘলৰ জীৱ-জন্তু, চৰাই-চিৰিকতিৰ লগত যিমানেই সম্বন্ধ কৰিব খোজে কৰিব পাৰে, কিন্তু কোনো নৰমানুহক দেখিবলৈ নেপাব। এতিয়া যদি এক কোটি টকা লৈ পঞ্চাশ বছৰো তেওঁ জংঘলৰ মাজত থাকে তেন্তে সেই টকাৰে এটা পইচাও উপাৰ্জ্জন কৰিব নোৱাৰিব। তেওঁৰ সম্পত্তিৰ এটা পইচা বৃদ্ধি হব নোৱাৰিব। কোনো প্ৰকাৰে যদিহে বস্তু খাই জীৱন ধাৰণ কৰি থাকিব পাৰিব জংঘলৰ পৰা খৰি আদি লুৰি যদি কান্ধত লৈ গাঁৱলৈ বেচিবলৈ আহে তেন্তে দুই-চাৰি অনা পাব। গাঁৱৰ পৰাহে তেওঁৰ সম্পত্তি বৃদ্ধি হব, অৰ্থাৎ মানুহৰ পৰস্পৰৰ সম্পৰ্ক নহলে ধন-সম্পত্তিৰ উৎপাদন বা বিদ্যালাভ হব নোৱাৰে। ব্যৱসায় চাকৰি

আদি যিয়েই নকওক, একো হব নোৱাৰে। কোটিপতি সকলৰ ওচৰত যি ধন আছে, সেই গোটেই ধন বনুৱা সকলৰ শ্ৰমেৰে উৎপাদিত হৈছে। সেইবাবে তাক বনুৱা অৰ্থাৎ সমাজে পাব লাগে। ঠিক তেনেকৈয়ে বনুৱাৰ হাতত্তো যি সম্পত্তি আছে তাকো সমাজেই সৃষ্টি কৰিছে, এতেকে সেই সকলোবোৰেই সমাজৰ সম্পত্তি।

ইয়াত অৰ্থ-শাস্ত্ৰৰ বিদগ্ধ পণ্ডিত আৰু ছাত্ৰও নিশ্চয় আছে। তেওঁলোকে জানে যে এজন মানুহে সমাজত থাকি যি উৎপাদন কৰে তাৰ ইমান ভাগ নিজে আৰু বাকী ভাগ আনৰ সহযোগিতাত্তে উৎপাদন কৰিছে বুলি নিভুৰ্ল ভাবে কব পৰা কোনো শাস্ত্ৰ বা বিজ্ঞান আজিলৈকে ওলোৱা নাই। তেওঁ নিজে কিমান আৰ্জিছে আৰু আনৰ সহায়ত কিমান আৰ্জিছে এইটো কোনোৱেই ক'ব নোৱাৰে। ইয়াক ভিত্তি কৰিয়েই অনেক মতবাদৰো সৃষ্টি হৈছে কিন্তু মহাত্মা গান্ধীয়ে কৈছিল যে মোটা-মোটি হিচাপে কব পাৰি যে আমি যি উৎপাদন কৰিছোঁ সেই সকলোবোৰ সমাজৰ সহযোগিতাতহে কৰিছোঁ। সেই কাৰণে এই গোটেই সম্পত্তিৰ গৰাকী সমাজহে, আমি নহয়। মালিকানা স্বত্ব আৰু স্বামিত্বৰ প্ৰচলিত বিচাৰ-ধাৰা সম্পূৰ্ণ ভুল। সকলো সংঘৰ্ষৰ মূলতে এই বিচাৰ-ধাৰাটোৱেই নিহিত আছে। অকল মালিকৰ মালিকানা স্বত্বই নহয়, বৰং বনুৱাৰ মালিকানা স্বত্বও অসত্য। দুহালিচা মাটি থকা সৰু খেতিয়ক জনেও কয় যে এই মাটিৰ গৰাকী মই আৰু দুহেজাৰ হালিচা মাটি থকা জনেও নিজকে সেই মাটিৰ গৰাকী বুলি গৌৰৱ অনুভৱ কৰে। দুহালিচা মাটি থকা জনৰ

মনতো মালিকী স্বত্বৰ ভাৱনা সমানে আছে। কেওঁ কয়, মোৰ মাটিৰ ওপৰত কোনেও আধিপত্য বিস্তাৰ কৰি নোৱাৰে। আৱশ্যক হ'লে ফৌজদাৰী কৰি টাঙোনেৰে মূৰ ভাঙি দিবলৈকো মই সাজু আছো। স্বামিত্বৰ ভাৱনাই এইবোৰৰ মূল কাৰণ। আমি তেওঁলোকৰ মালিকী স্বত্ব নাইকিয়া কৰি সকলো সম্পত্তিৰ সামাজিকৰণ কৰিব খুজিছোঁ। মোৰ হাতত থকা ধন-সম্পত্তিৰ গৰাকী মই বুলি কৈ থাকিলেও আমাৰ এই যুদ্ধত সফলকাৰ্য্যতা লাভ কৰিব পৰা নেযা'ব। সেই কাৰণে আনৰ সম্পত্তি ভগোৱাৰ আগতে প্ৰথমে আমি আমাৰ সম্পত্তিৰ সম বিতৰণ কৰিব লাগিব। কিন্তু যদি তাকে নকৰি নিজৰ সম্পত্তি নিজৰ কৰি থৈ আনৰ সম্পত্তিহে ভাগ-যোগ কৰিবলৈ যোৱা হয় তেন্তে তাৰ দ্বাৰাই সমাজত সৰ্ব্বোদয়, শান্তি আৰু সমভাৱ স্থাপন নহ'ব। আপোনালোকে এই বিশ্ব বিদ্যালয়ৰ শিক্ষা শেষ কৰি যদি কয় যে আমি এই ডিগ্ৰী লাভ কৰিছোঁ, গতিকে সাধাৰণ বনুৱাতকৈ ইমান গুণ বেছি দৰমহা আমি পাব লাগে তেন্তে সৰ্ব্বোদয় নহ'ব। যদি এজনে বেছি পায় আৰু আন জনে কম পায়, তেন্তে সৰ্ব্বোদয় কেনেকৈ হ'ব? সকলোৰে কল্যাণ হ'ব পাৰিব জানো?

সৰ্ব্বোদয়ৰ আধাৰ স্বামিত্ব বিসৰ্জ্জন

মহাত্মা গান্ধীয়ে কৈ গৈছে যে সমাজত সৰ্ব্বোদয় তেতিয়াহে প্ৰতিষ্ঠিত হব যেতিয়া সকলো মানুহে বুজি পাব যে আমাৰ ওচৰত যি ধন-সম্পত্তি আছে সেই সকলোবোৰ আমাৰ নহয়। বোপা-

ককাৰ উপাৰ্জ্জিত সম্পত্তি আমাৰ নহয়, আৰু আমি যি আৰ্জ্জিছোঁ সিয়ো আমাৰ নহয়। সকলো সম্পত্তি সমাজৰ আৰু আমাৰ ধৰ্ম্ম, সামাজিক ধৰ্ম্ম। সত্যই আমাক নিৰ্দ্দেশ দিছে যে আমাৰ ওচৰত যি সম্পত্তি আছে, সেই সকলো সমাজক অৰ্পণ কৰিব লাগে, আৰু তাৰ পৰা সমাজে আমাক যি দিয়ে তাকেহে লব লাগে। সকলোৰে আৱশ্যকতালৈ লক্ষ্য ৰাখি সমাজে আমাক যি দিয়ে তাৰেই জীৱিকা নিৰ্ব্বাহ কৰি চলিলেহে সৰ্ব্বোদয় হ'ব পাৰিব। আমাৰ স্বাৰ্থ স্বামিত্ব আৰু মালিকী স্বত্বৰ ভাৱনা ত্যাগ কৰিলেহে সৰ্ব্বোদয় হোৱাৰো সম্ভাৱনা আছে। সেইকাৰণে মই আশা কৰিছোঁ যে সমাজৰ শোষিত, দলিত, দৰিদ্ৰ, দুখী আৰু বিপ্লৱী সকলোৱেই আগবাঢ়ি আহি বিপ্লৱক জুৰিয়াওক পৰক। প্ৰথমে সেইলোকে নিজৰ জীৱনত বিপ্লৱ কৰক আৰু তাৰ পিচত সমাজৰ জীৱনলৈ আপোনা-আপুনি পৰিবৰ্ত্তন আহি যাব। সেইলোকেও স্বামিত্ব বিসৰ্জ্জন কৰিব লাগিব, নিজৰ স্বাৰ্থ-ত্যাগ কৰিব লাগিব।

প্ৰথমে নিজৰ যি আছে দিয়া, তাৰ পিচত মোৰ পৰা লবা

আজি কোটি পতিয়ে কয়, এই সম্পত্তি মোৰ, ইয়াৰ অধিকাৰী মই। তেওঁ বাৰু তেনেকৈ কিয় কয়, জানেনে? আজিৰ সমাজে তেনেকৈ ক'বলৈ সকলোকে সুবিধা দিছে। সেইকাৰণে তেনেকৈ সকলোৱে কয়। এই বিচাৰ-ধাৰা আজিৰ সমাজত চলি আছে। কোটি কোটি দৰিদ্ৰৰ মুখতো এই বাণী উচ্চাৰিত

হয় ধৰিছে। সেইবাবেহে তেওঁলোকে কবলৈ সাহ কৰিছে। কিন্তু যদি কোটি কোটি জন মুখে একস্বৰে কবলৈ ধৰে যে "আমাৰ একোৱেই নাই, এই মাটি সম্পত্তি সকলো সমাজৰ আমি মাথোন ভাগ যোগ কৰি খাইছোঁহে। এইবোৰৰ গৰাকী আমি নহয়, সমাজহে।" তেন্তে এমুঠিমান ধনীয়ে সম্পত্তিৰ গৰাকী নিজে বুলি ক'বলৈ সাহস কৰিব নোৱাৰিব। কিন্তু আজিৰ সমাজত এই গৰাকী ভাৱনাৰ বা কথাহ বিয়পি পৰিছে। ই আমাৰ সমাজৰ বিচাৰ ধাৰা আৰু বুনিয়াদ হৈ পৰিছে। সেইবাবে ধনীসকলে তেনেকৈ কবলৈ সাহস পাইছে। এই দৃষ্টিৰে যদি চোৱা হয়, তেন্তে তেওঁলোকৰ মাজত কিবা পাৰ্থক্য আছেনে? ধনী আৰু দুখীয়াৰ মাজত কি পাৰ্থক্য আছে? আমাৰ নিজস্বতা আজি এই বিচাৰ-ধাৰাৰ ওপৰত চলিয়েই আছে যে আমি যি আৰ্জিছোঁ লাগিলে পঞ্চাশ টকাই হওক বা তাতকৈ কমেই হওক তথাপি সি আমাৰ। সেইবাবে ধনীয়ে কয়, "তুমি পঞ্চাশ টকাহে আৰ্জিছা, মই পঞ্চাশ লাখ আৰ্জিছোঁ। ই ভাগ্য পৰীক্ষাৰ খেল। তোমাৰ ভাগ্যত কম উঠিছে, আৰু মোৰ ভাগ্যত বেছি উঠিছে। মই যেনেকৈ নিজৰ কাৰণে খোজোঁ তুমিও তেনেকৈ নিজৰ কাৰণে খোজা। যুদ্ধত তুমি হাৰিছা আৰু মই জিকিছোঁ। তুমি হাৰিছা বাবেই মোৰ পৰা কাঢ়ি লবলৈ চাহিছা। প্ৰথমে তুমি দিয়া তাৰ পিচত মোৰ পৰা খুজিবা।"

যেতিয়া আমি, আমাৰ কোটি কোটি জনতাই নিজৰ স্বাৰ্থ আৰু স্বামিত্ব বিসৰ্জন দিব পাৰিব তেতিয়াই বিপ্লৱৰ আচল ৰূপ

ফুটি ওলাব। আজি যি কোটিপতিয়ে ৬ কোটিৰ পৰা ১ কোটি দিব খুজিছে তেতিয়া হয়তো গোটেই ৬ কোটিকেই দি দিব লাগিব। তেওঁলোকে জানি ল'ব লাগিব যে 'এই কাৰখানা, দোকান আৰু কোম্পানী আমাৰ নহয়, ই সমাজৰ সম্পত্তি আৰু ইয়াৰ লাভো গোটেই অংশ সমাজৰ। আমি সমাজৰ সেৱা কৰিম, কাৰখানা কোম্পানী আৰু বেহা বেপাৰ চলাই যি লাভ হ'ব তাক সমাজত জমা দিম সমাজে আমাক নিৰ্বাহৰ কাৰণে যি দিয়ে তাৰেই আমাৰ জীৱিকা চলাম।' ধৰি লওক সমাজৰ কেইজনমান মানুহে যে ইহঁত জ্ঞানলাভ পৰি এই কথাত সমৰ্থন নিদিলে, তেতিয়া কি হ'ব? তেতিয়া নিজৰ স্বাৰ্থত্যাগ কৰা লোকটি কাৰ্যতঃ এই নৈতিক ভূমিকাৰ ওপৰত নিজকে নিজে প্ৰতিষ্ঠা কৰিব লাগিব আৰু মানি ল'ব যে সকলো সম্পত্তি সমাজৰ, সমাজে আমাক যি দিয়ে সেয়ে আমাৰ হ'ব। যদি সমাজৰ সকলোৱে মানি লয়, তাক সকলোৰে সমানে ভগাই খাম। এইখিনিতে কৈ থ'ব বিচাৰো। যদি ধনীয়ে নিজৰ ভূমিকা ত্যাগ কৰিব নোখোজে, তেন্তে দুখীয়াই তেওঁলোকক কৈ দিব পাৰে— 'আপোনালোক, যদি আপুনি ইমানখিনি পাপতো নামি থাকিব খুজিছে, তেন্তে আপোনাক সহায় কৰিবলৈ মন কৰা নাই। তেন্তে আপোনাৰ লগত আমাৰ কোনো প্ৰকাৰৰ সহযোগ নেথাকিব। আমি আপোনাৰ মাটিত খেতি নকৰো আৰু আপোনাৰ কাৰখানা বা উদ্যোগত কাম নকৰোঁ।" যদি এইদৰে চাৰিওফালৰ পৰা বিপ্লৱৰ বহ্নি জ্বলি উঠে, তেন্তে আপোনালোকে ভাবিব নে কি যে সমাজৰ বৰ্তমান চলি থকা ৰূপৰ সলনি হ'বলৈ বহুত

সময় লাগিব ? সমাজখন এটা পিৰামিডৰ নিচিনা। পিৰামিডৰ ওপৰত সেই সকলে প্ৰতিপত্তি লাভ কৰিছে। কিন্তু তেওঁলোক কি আধাৰৰ ওপৰত আছে জানেনে ? যি কোটি কোটি দৰিদ্ৰ তেওঁলোকৰ তলত পৰি আছে, সেয়েহে হৈছে তেওঁলোকৰ আধাৰ। কোটি কোটি জনসাধাৰণ [illegible] কোটি কোটি জনসাধাৰণ [illegible], এই মুষ্টিমেয় ধনীসকলৰ [illegible] তাৰ বুনিয়াদ। যেতিয়া কোটি কোটি মানুহে নিজৰ [illegible] বিসৰ্জন [illegible] দিব, তেতিয়া এই পিৰামিড [illegible] থাকিব নোৱাৰিব। [illegible] আপুনি [illegible]

আজি [illegible] আপুনি ইমান লাভ কৰিছে যেতিয়া আমাৰ [illegible] দিব লাগিব। বছৰত আমি [illegible] আৰু এনেহৰ বেছিকৈ দিব লাগিব। [illegible] লাভৰ অংশ [illegible] পাব লাগে।" এই [illegible] কাৰণ [illegible] ধৰ্মঘট [illegible] ধৰ্মঘটৰ কোনো শক্তি নেথাকে। এনেকুৱা ধৰ্মঘটৰ পৰা একো ফল পোৱা নেযায়। বনুৱাসকলৰ এই সাধাৰণ সংগঠন যদি [illegible] শক্তিশালী হয় তেন্তে দুই জনা [illegible]। [illegible] নিজৰ ভিতৰতে স্বাৰ্থৰ কাৰণে কাজিয়া [illegible] হব। কিন্তু যদি মজুৰ, দৰিদ্ৰ সকলোৱেই ঐক্যবদ্ধ হৈ এক মুখ হৈ কয় যে আমি ব্যক্তিগত স্বাৰ্থৰ কাৰণে আৰু কাজিয়া নকৰোঁ, আৰু সকলোৱে হাতত থকা সকলো সম্পত্তি, সকলো মাটি আনি সমাজৰ কাৰণে দি দিলোঁ।

ইয়াৰ পৰা আমাৰ ল'ৰা-ছোৱালীৰ কাৰণে যিখিনি আমাক সমাজে দিয়ে তাৰেই জীৱিকা নিৰ্ব্বাহ কৰিম। আজিৰ এই সামাজিক ধৰ্ম্মৰ পথেৰে আমি সকলোটি সমানে আগবাঢ়ি যাব পাৰিম। আমি আশাকৰো তোমালোকো ওলাই আহিবা, নহলে তোমালোকৰ সেই পাপৰ ভাগী আমি কেতিয়াও হব নোৱাৰো।" এনে ধৰণে কৰা হৰতাল স্বাৰ্থৰ সংঘৰ্ষ নহয়। এনে হৰতাল বৰ্গ-সংঘৰ্ষ (ক্লাচ ষ্ট্ৰাগোল) নহয়, নৈতিক সংঘৰ্ষহে। এনে যুদ্ধ যেতিয়া ধৰ্ম্ম আৰু অধৰ্ম্ম, নীতি আৰু অনীতিৰ মাজত লাগিব তেতিয়া দৰিদ্ৰই কৈ উঠিব—"আমি নীতি, সত্য আৰু ধৰ্ম্মৰ পথহে অনুসৰণ কৰিম। ইমান দিনে আমি তোমালোকৰ পাপৰ ভাগী হৈ আছিলো, তোমালোকৰ পাপ কৰ্ম্মত সহযোগ কৰিছিলো; কিন্তু সেই পাপৰ মূল আমি নিজেই আছিলো। তোমালোকে পাপ-পূৰ্ণ উপায়েৰে ঘটা ধনৰ ভাগ আমিও খুজিছিলো। সি যে পাপ-মূলক আজি তাক আমি বুজিব পাৰিছো। সেইবাবে তেনে পাপৰ ভাগী আমি কেতিয়াও হব নোৱাৰো।"

বিপ্লৱৰ নতুন আৰু আচল প্ৰক্ৰিয়া

ডেৰ শ বছৰৰ পৰা চলি অহা মজুৰ আন্দোলনৰ আজি এনেকুৱা ফল বাহিৰ হৈছে। ইয়াত বুদ্ধিজীৱী আৰু শ্ৰমজীৱী দুয়ো শ্ৰেণীৰেই মজুৰ আছে। আপোনালোক সকলোৰেই বুদ্ধিজীৱী। আপোনালোকৰ ভিতৰত হয়তো দুই এজন গৰাকীও আছে। আপোনালোকে উপাৰ্জ্জন কৰিব আৰু জীৱিকা চলাব।

কিন্তু সেই শ্ৰম, বুদ্ধিৰ শ্ৰমহে হ'ব। ডেৰ শ বছৰৰ আন্দোলনৰ ফল আজি আপোনালোকৰ সন্মুখত আহি পৰিছে। মই কওঁ যে যি আন্দোলনৰ বৰ্ণনা মই কৰিব লাগিছোঁ, যিহক ভিত্তি কৰি মই বিপ্লৱৰ কথা কৈছোঁ, সেই ভিত্তিত যদি আৰু ১৫ বছৰ আন্দোলন চলিবলৈ পায়, তেন্তে দেখিব-সমাজৰ এক আমূল পৰিবৰ্ত্তন অচিৰে আহি যাব। সমাজৰ পুৰণি ৰূপ সলনি হৈ পৰিব। তাৰ দ্বাৰা যি সমাজ স্থাপনা হ'ব সি সৰ্ব্বোদয় সমাজ হ'ব।

বিপ্লৱৰ ই এক ভাৰতৰ তাক সজ প্ৰণালী। ই এক চ'ছিয়েল ডায়নেমিক্স' (সমাজিক গতিশীলতাৰ তত্ত্ব)। ইয়াক সত্য অহিংসা নৈতিকতা কৰ্ত্তব্যৰ আধাৰৰ ওপৰত গান্ধীজীয়ে স্থাপন কৰিছে। বিনোবাজীয়েও আজি এই তত্ত্বৰ, এই নক্সাৰ আৰু এই বিচাৰ ধাৰাৰ প্ৰয়োগ কৰিব ধৰিছে। ভূ-দান, সম্পত্তি দান, শ্ৰম-দান আৰু বুদ্ধি দানৰ মাধ্যমেৰে 'নিজৰ স্বাৰ্থ আৰু স্বত্বৰ বিসৰ্জ্জনৰ কাৰ্য্যকৰী শিক্ষা দিব ধৰিছে। মাটি-সম্পত্তিৰ ওপৰত কাৰোৰে অধিকাৰ নাই, সকলোৰে অধিকাৰ সমানহে, এই বিচাৰ-ধাৰা ক্ৰমে চাৰিওফালে বিয়পিব ধৰিছে। আজি আমাৰ হাতত থকা স্থাৱৰ-অস্থাৱৰ সকলো সম্পত্তি বিসৰ্জ্জন কৰি সমাজে যি দিয়ে তাৰে জীৱিকা নিৰ্ব্বাহ কৰাটো আমাৰ সকলোৰে কৰ্ত্তব্য হৈ পৰিছে। সকলোৱে যদি নিজৰ নিজৰ স্বত্ব ত্যাগ কৰে তেন্তে কাৰোৰে কম নহয়। কিন্তু যদি সকলোৱেই নিজৰ ভঁৰাল ভৰে ৰাখ চেষ্টাতহে থাকে তেন্তে কিছুমানৰ ভঁৰালত থবলৈ ঠাই নোহোৱা হ'ব আৰু কিছুমানৰ ভঁৰালৰ তলি উদং হৈ পৰিব। সেই কাৰণে সকলোৱে

মিলা-প্ৰীতি ভাৱে ভাগ-যোগ কৰি খোৱাৰ প্ৰথা যদি সমাজত চলাব পৰা হয় তেন্তে সমাজৰ কোনো মানুহ দুখীয়া বা অনাহাৰী হৈ থাকিব নেলাগিব, সকলোৱে সুখ আৰু শান্তিৰে জীৱন যাপন কৰিব পাৰিব ।

কৰ্ম্ম আৰু কৰ্ত্তব্যৰ বৰ্ণ পৰিচয়

কিন্তু আমাৰ কাৰণে আজিৰেই সেই কেৱল উপলব্ধি কৰাটো সহজ কথা নহয় । সেইকাৰণে বিনোবাজীয়ে আমাৰ সন্মুখত এখন আঁচনি দাঙি ধৰিছে । তেখেতে আমাৰ এই ধৰ্ম্মৰ আৰু কৰ্ত্তব্যৰ বৰ্ণ পৰিচয় কৰাব ধৰিছে । তেখেতে নিজে বি, এ, এম, এ পাচ কৰিলেও সৰু সৰু ল'ৰা-ছোৱালীক বি, এ, এম, এৰ কিতাপ পঢ়ুৱাব নোৱাৰে । সৰু ল'ৰা-ছোৱালীক প্ৰথমে অ-আ ক-খৰ কিতাপহে পঢ়োৱা হয় । বিনোবাজীয়ে আমাক এই সৰ্ব্বোদয় নব-জীৱনৰ অ-আ, ক-খ শিকাব ধৰিছে । তেখেতে কৈছে—বন্ধুসকল, স্বামিত্ব বিসৰ্জ্জন কৰক, স্বত্ব ত্যাগ কৰিবলৈ শিকক, কিন্তু সমাজৰ দুই চাৰিজনে স্বামিত্ব বিসৰ্জ্জনৰ আহুতি স্বৰূপে সৰ্ব্বস্ব দান দিলেও সমাজৰ ৰূপ সলনি নহয । তাৰ কাৰণে লাখ লাখ, কোটি কোটি জন-গণে এনেকুৱা ত্যাগ কৰিব লাগিব । কোটি কোটি মানুহে তাত সহযোগ কৰিব পৰাকৈ বিনোবাজীয়ে এখন নতুন কাৰ্য্যসূচীও তৈয়াৰ কৰিছে । কোনোৱে টকাত এপইচা বা দুপইচাকৈ দিব পাৰে , কিন্তু তাকেই বিচাৰ পূৰ্ব্বক দিব লাগে । তেওঁ ভাবিব লাগে যে মোৰ হাতত থকা সম্পত্তি সমাজৰ, গতিকে তাত সকলোৰে

সমান ভাগ আছে। আজি যি সকলে অলপমানহে দান কৰিছে, কালিলৈ হয়তো আৰু অলপ দান, নিশ্চয় কৰিব। যেনেকৈ ক্ষুদ্ৰাদপি ক্ষুদ্ৰ পানীৰ কণিকাবোৰ গোট খাই আথাই সাগৰ ভৰি পৰে তেনেকৈ কোটি কোটি ক্ষুদ্ৰ ক্ষুদ্ৰ সঙ্কেত বা প্ৰতীক ৰূপী দানেৰে, কোটি কোটি জন-গণৰ ক্ষুদ্ৰ ক্ষুদ্ৰ চেষ্টাৰে, এনে এটা অনুকূল পৰিবেশৰ সৃষ্টি হ'ব, যাত সমাজে সগৌৰৱে দ্বিতীয়টো খোজ আগ-বঢ়াবলৈ সমৰ্থবান হ'ব পাৰিব। সেই নক্সাটো বাৰু কেনেকুৱা হ'ব? সকলো মাটি গাওঁৰ হব আৰু গাওঁৰ সকলো বাইজ মিলি আনন্দ মনেৰে জীৱন যাপন কৰিব। সেইবোৰক নিজৰ গোটেই মাটি সমানে ভগাই লব। পৰিয়ালত থকা মানুহৰ সংখ্যা অনুপাতে জীৱন নিৰ্ব্বাহৰ কাৰণে আৱশ্যকীয় মাটি সেইবিলাকে পাব মাটিৰ গৰাকী কোনো ব্যক্তি বিশেষ নহব, সমাজ হে হ'ব। যদি তেওঁ খেতি-কাম নকৰা নগৰলৈ গুচি যায়, তেন্তে তেওঁৰ পৰা মাটি লৈ আনক দিয়া হ'ব।

ক-খ-গৰ পিচত চিত্ৰ

এনে ধৰণৰ এখন ছবি আমাৰ সন্মুখত আছে। তাৰ লগতে আৰু আন এখন ছবিও আমাৰ আগত ৰখা হৈছে। সেইখন হৈছে এনে ধৰণৰ—গ্ৰামদানী গাওঁৰ মানুহে কব যে আমাৰ এনেকুৱা বহুতো ৰাজহুৱা কাম আছে, যিবোৰ হয়তো আমি সকলোৱে মিলি কৰিব পাৰোঁ। প্ৰত্যেকজন ল'ৰা-ছোৱালীক নিজৰ বাপেকে শিক্ষা দিব কিয় লাগে? সকলো ল'ৰা-ছোৱালী

গাৱঁৰ [illegible] এতেকে গাৱেঁ নিজৰ শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। সেইদৰে শিক্ষাৰ কাৰণে সামূহিক খেতি কৰিবলৈ ১০ একৰ মাটি বেলেগে ৰাখিব লাগে। ঘৰৰ কাৰোবাৰ ৰোগ ব্যাধি হ'লে ঘৰৰ পৰিয়ালে সেৱা-শুশ্ৰূষা আৰু ঔষধ পাতিৰ ব্যৱস্থা কৰে। কিন্তু সাধাৰণতে ঘৰত কোনো ভাল ব্যৱস্থা নাথাকে। ফলত ৰোগীয়ে নানা প্ৰকাৰৰ আৰু-যাতনা ভুগি মৃত্যুৰ মুখত পৰিব লগা হয়। এনেকুৱা কিয় হব লাগে বাৰু? গাওঁত যিখিনি মাটি আছে তাৰে কিছু অংশ চিকিৎসাৰ কাৰণে ৰাখি থব পাৰি। চিকিৎসা, স্বাস্থ্য, বিয়া সবাহ আৰু কৰ-কাটল আদিৰ কাৰণে এভাগ মাটি বেলেগাই থব লাগে। এই নিচিনাকৈ গাৱঁত [illegible] সামূহিক পাম হৈ উঠিব পাৰে। [illegible] কাম কৰিব আৰু [illegible] পৰা উৎপন্ন [illegible] গাৱঁৰ ৰাইজৰ [illegible]

[illegible]

মানুহ আছে যি বহুত ডাঙৰ পৰিয়াল লৈ সৰু ঠেক খোটালী একোটাতে অতি দুঃখে-কষ্টই জীৱন পাত কৰিব লগা হৈছে। ভেওঁলোকৰ একেটা কোঠাতে বুঢ়া-বুঢ়ী, থকা-খোৱা, সন্তান জন্মোৱা, বেমাৰী ৰখা আদি সকলো কাম চলাব লগীয়া হয়। একালেদি কিছুমানৰ ঘৰ, মানুহৰ অভাৱত এনেয়ে পৰি আছে। আনফালেদি কিছুমানে একেটা কোঠা'তে হাঁহ-কুকুৰাৰ দৰে জীৱন কটাব লগাত পৰিছে। মানুহৰ মাজত এনে বৈষম্যভাই শোভা পায় জানো? আমাৰ ওচৰত বাঢ়ি থকা ঘৰ বা খোটালীবোৰ আমি ভেওঁলোকক থাকিবলৈ এৰি দিব লাগে। সেই সময়ত নক্সাৰ ৰূপ কেনে ধৰণৰ হয়গৈ তাক আজিয়েই কব নোৱাৰি। সেই জীৱন 'কমিউনিটি লাইফ' (ঐক্যবদ্ধ জীৱন) হৈ নপৰিবনে? অৱশ্যে কেনে ধৰণৰ হয়গৈ এতিয়াও থিৰাং কৈ কব নোৱাৰি। কিন্তু তাৰ এটা অস্পষ্ট ৰূপ আমাৰ সন্মুখত নিশ্চয় আছে। চাৰি বছৰৰ আগতে গ্ৰাম-ৰাজ্যৰ সম্পূৰ্ণ চিত্ৰও আমাৰ সন্মুখত নাছিল। কিন্তু এই চাৰি বছৰৰ ভিতৰতে গ্ৰাম-ৰাজ্যৰ এখন সৰ্ব্বজন সমাদৃত নক্সা আমাৰ চকুৰ আগত স্পষ্টকৈ ভাহি উঠিছে।

যদি কোনোবা কাৰখানাৰ গিৰিহঁতে কৈ দিয়ে যে আজিৰ পৰা মই মোৰ সম্পত্তি সমাজক দান কৰিলো। এই কাৰখানা এতিয়া সমাজৰ হ'ল। তেতিয়া সেই কাৰখানাটো কেনেকৈ চলোৱা হ'ব তাৰ বিষয়ে চিন্তা কৰিব লাগিব। আজি ৰাষ্ট্ৰীয়কৰণ হোৱা আমাৰ কাৰখানাবোৰ কেনেকৈ চলোৱা হয় জানেনে? আমাৰ

আগত সিন্দ্ৰী-কাৰখানা আৰু চিত্তৰঞ্জন লোকোমোটিভৰ ওৱৰ্কচ বৰ্ত্তমান আছে। এই কাৰখানাবোৰ কি নিয়মেৰে চলোৱা হৈছে তাক আপোনালোকে নিশ্চয় জানে চাগৈ। কাৰখানাৰ জেনেৰেল মেনেজাৰে তিনি হেজাৰ নে সাৰে তিনি হেজাৰ টকা দৰমহা পায়, আৰু সাধাৰণ মজুৰে পায় বাঠি কি আশী টকাহে! এইটোৱেই আজিৰ ৰাষ্ট্ৰীয়কৰণ ব্যৱস্থাৰ নমুনা। কিন্তু য'ত সম্পত্তিৰ প্ৰতি কাৰোবে ব্যক্তিগত মোহ নেথাকিব, বৰং স্বাৰ্থত্যাগৰ কথাহে উঠিব তেনে ক্ষেত্ৰতো তাৰ নিচিনা কেতিয়াও হ'ব নোৱাৰিব। তেতিয়া এটা নতুন নক্সা অঙ্কিত হ'ব। কিন্তু এইবোৰ ভৱিষ্যতৰ প্ৰশ্নহে। আমাৰ বিচাৰ ধাৰা ক্ৰমাৎ পৰিষ্কাৰ হৈ যোৱাৰ লগে লগে, মনৰ শুদ্ধতা বাঢ়ি যাব। চকুৰ পৰ্দ্দা ক্ৰমাৎ আঁতৰি যাব আৰু আমাৰ দৃষ্টি শক্তি উজ্জ্বল হৈ উঠিব। তেতিয়া আগত থকা সকলো অস্পষ্ট বস্তু স্পষ্টভাৱে দেখা পাম। সম্প্ৰতি যেনে ভাবে চলি আছে তাক আপোনালোকৰ কোনেও সমৰ্থন নকৰে। মইতো ভাবো আজি কিছুমান মানুহে সুখ-স্বচ্ছন্দভাৱে খাই লৈ মৌজ কৰি থাকিব আৰু কিছুমানে খব-পিন্ধিবলৈ আৰু থাকিবলৈ ঠাই নেপাই হাঁ-ভাত হাঁ-কাপোৰ কৰি তিল তিলকৈ শুকাই মৰাটো আপোনালোকৰ ভিতৰত কোনেও সমৰ্থন নকৰে। দেশৰ সমস্ত জনগণেই সমভাৱে, আনন্দ মনেৰে, সুখ-সন্তোষেৰে খাই-লৈ জীৱন-ধাৰণ কৰাটো আপোনালোকেও নিশ্চয় বিচাৰে। যদি সঁচাকৈয়ে আপোনালোকে তাকে বিচাৰিছে তেন্তে বিনোবাজীৰ দ্বাৰাই প্ৰদৰ্শিত পথ হে আপোনালোকৰ কাৰণে প্ৰশস্ত হ'ব। স্বাধীনতা

সংগ্ৰামৰ সময়ত আমাৰ অভিজ্ঞতাও ঠিক এনেকুৱাই আছিল। এসময়ত মই এই পাটনা কলেজতো পঢ়িছিলো। তেতিয়া মই আই, এচ, চিৰ ছাত্ৰ আছিলো। গান্ধীজীৰ অসহযোগ আন্দোলনৰ বা-বতাহ নগৰৰ চাৰিওফালে বিয়পি পৰিছিল। এই ঠাইতেই (তেতিয়া ইয়াত হুচন হুমাম চাহেব আৰু অলীমাম চাহেবৰ বঙলা আৰু পথাৰ আছিল) বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। সেইদিনাৰ কথা আমি কেতিয়াও পাহৰিব নোৱাৰো। তেতিয়াৰ পৰাই আমাৰ জীৱনৰ সুঁতিয়ে আন ফালে গতি কৰিলে। মৌলানা আবুল কালাম আজাদৰ ভাষণ শুনিবলৈ পাইছিলো। পণ্ডিত জৱাহৰলাল নেহৰুও সেই সভাত উপস্থিত আছিল। তেতিয়া তেওঁৰ সিমান নাম নাছিল আৰু বাক শক্তিও সিমান বেছি নাছিল। কিন্তু মৌলানা চাহেব বৰ ওজস্বি বক্তা আছিল। তেওঁৰ প্ৰতিটো কথাই জুই জলাই দিব পৰা বিধৰ আছিল। গঙ্গাত জুই লগাৰ নিচিনা অৱস্থাৰ সৃষ্টি হৈছিল। তেওঁৰ ভাষণত আকৃষ্ট হৈ পাটনা কলেজৰ, চাইন্স কলেজ আৰু বি, এন কলেজৰ পৰা শ শ ছাত্ৰ ওলাই আহিছিল। আমাৰ আই, এচ, চি, পৰীক্ষালৈ মাত্ৰ কুৰি দিন বাকী আছিল। তেতিয়া আমি প্ৰিন্সিপাল চাহেবক লিখিত ভাবে জনাই দিলো যে "আমি সকলোৱেই বুজিছো যে এই সকলোবোৰ চয়তান-দুৰ্বৃত্তৰ অনুষ্ঠান।" গান্ধীজীয়ে বৰ টান শব্দ প্ৰয়োগ কৰিছিল—'চেটানিক'। মৌলানা চাহেবে বজ্ৰ-গম্ভীৰ শব্দেৰে কৈ উঠিছিল 'ভাইহঁত! তোমালোকে আৰ্চনিক বিহঁৰ টুকুৰা মুখত লৈ চুহিব ধৰিছা। কলেজত যি শিকিছা, সি তেনেই বিহঁ।

তোমালোকে ভাবিছানে কি যে যেতিয়ালৈকে আমি তোমালোকৰ মুখত গাখীৰৰ গিলাচ আনি লগাই দিব নোৱাৰিম তেতিয়ালৈকে, তোমালোকে এই বিষ পান কৰিয়েই থাকিবা ? তোমালোকে বুজা উচিত যে ই ৰাষ্ট্ৰীয় বিদ্যালয় নহয় আৰু ইয়াত যি শিক্ষা দিয়া হৈছে সি তোমালোকক মানুহ কৰিবৰ কাৰণে নহয় ।

আমাৰ নিজৰ অভিজ্ঞতা

অসহযোগ আন্দোলনৰ জুই দপ্ দপ্ কৰে জ্বলি উঠিল। হেজাৰ হেজাৰ ছাত্ৰ ছাত্ৰীয়ে কলেজ ত্যাগ কৰি নতুন পথত আগবাঢ়ি আহিল । তেওঁলোকে ভাৰতৰ গাৱেঁ গাৱেঁ সোমাই আন্দোলনৰ কামত লাগি গ'ল । আমাৰ ভিতৰৰ বহুতো ছাত্ৰই শেষলৈকে এই ক্ষেত্ৰতে কাম কৰি আছিল আৰু আজিও আছে। সেই যুগত যি সকল স্বাভিমানী নৱযুৱক, দেশাভিমানী ছাত্ৰ আছিল, তেওঁলোকৰ অন্তৰত দেশপ্ৰেমৰ কিছু ভাৱনা আছিল, সেইবাবে তেওঁলোকে বুজি পাইছিল যে দৰমহা যিমান বেছিকৈয়ে নিদিয়ক, লাগিলে 'ডেপুটি মেজিষ্ট্ৰেটৰ' কামকে দিয়ক তথাপি ইংৰাজৰ চাকৰি কৰাটো আমাৰ পক্ষে যুক্তি-যুক্ত নহয় । শ্ৰীমৈথিলী চৰণজীৰ কথাত কবলৈ গলে, সেই সময়ত মানুহে ভাবিছিল "স্বৰ্গৰ সোপান ই, হায়ৰে ডেপুটীগিৰী" । ডেপুটীগিৰীকো বৰ ডাঙৰ কাম বুলি ভাবিছিল। সেই কালত তেওঁলোকে সেইবোৰৰ ওপৰত পদাঘাত কৰিছিল

আৰু মহাত্মা গান্ধীৰ আহ্বানত হেজাৰ হেজাৰ নৱযুৱকে আন্দোলনত জপিয়াই পৰিছিল।

নিস্বাৰ্থ সেৱা লাগে

কিন্তু আজি আৰু সেই যুগ নাই। এতিয়া হৈছে স্বৰাজৰ যুগ। আমি স্বৰাজ পালোঁ। ছাত্ৰসকলে চাগে ভাবিছে যে এতিয়া আমাৰ কাম পূৰা হ'ল। এতিয়া পেট ভৰাই খোৱা আৰু অৰ্জ্জাৰ বাহিৰে নো আৰু কি কাম আছে? ইংৰাজৰ আমোলত চৰকাৰী চাকৰি কৰাটো দেশদ্ৰোহ বুলি ধৰি লোৱা হৈছিল। কিন্তু আজি আমাৰ নিজা ৰাজ্য হৈছে। ইয়াত চৰকাৰী চাকৰি কৰাটো, লাগিলে থানাৰ চন্তৰিৰ কামেই হওক তথাপি সি সেৱাই হ'ব। বৰ্ত্তমানৰ ডেকাসকলেও এইটোকেই সমৰ্থন কৰে। কিন্তু আমি এইটো অৱশ্যে কম যে আজি দেশত আটাইতকৈ ডাঙৰ কাম, ডাঙৰ সেৱা চৰকাৰী চাকৰি কৰাটো বা ওকালতি কৰাটো নাইবা ডাক্তৰি কৰাটোৱেই নহয়। আমি নিঃস্বাৰ্থভাৱে সেৱা কৰিব লাগিব। আৱশ্যক হলে পেটত বান্ধ্‌ দি হ'লেও দেশৰ প্ৰত্যক্ষ সেৱা কৰিবই লাগিব। অতি দুৰ্ভাগ্যৰ বিষয় যে আজি আপোনালোকৰ দৃষ্টি ডাঙৰ ডাঙৰ চাকৰি, ক্ষমতা আৰু ৰাজনীতিৰ ফালে আকৰ্ষিত হৈছে। কিয়নো আজি আমি সকলোৱেই ভাবিছো যে দেশত যদি কিবা কাম হ'ব লাগে তেন্তে ৰাজনীতি বা ক্ষমতাৰ দ্বাৰাইহে হব পাৰিব।

দেশৰ কাম ক্ষমতা আৰু আইনৰ দ্বাৰাই নহয়

সচাঁকৈয়ে ই আমাৰ কাৰণে বৰ দুৰ্ভাগ্যৰ বিষয় যে আমাৰ জীৱনৰ মূল্যও আজি ইয়াক ভিত্তি কৰিয়েই নিৰূপণ কৰা হৈছে। ইয়াত আমাৰ নেতাসকলৰো হাত যথেষ্ট আছে। দেশৰ কাৰণেও ই এটা দুৰ্ভাগ্যৰ কথাই যে স্বাধীনতাৰ যুদ্ধত যি সকল অতি উচ্চ পৰ্য্যায়ৰ নেতা আছিল, তেওঁলোকে ক্ষমতাৰ ৰাজ-গাদীত বহিবলৈ গুচি গ'ল আৰু তেওঁলোকে সমাজত এই ভাবটো প্ৰচাৰ কৰিছে যে এইটোৱেইহে আটাইতকৈ ডাঙৰ কাম, উচ্চ স্থান, শ্ৰেষ্ঠ সেৱা এয়েই। মহাত্মা গান্ধীৰ কথা বেলেগ আছিল। পৃথিৱীৰ প্ৰায় সকলো দেশতে বিপ্লৱৰ পিচত বিপ্লৱৰ সেনাপতি নেতাসকলেই শাসনৰ বাগ-জৰী হাতত লয়। আমেৰিকাৰ জৰ্জ্জ ওৱাচিংটন প্ৰথম ৰাষ্ট্ৰপতি হৈছিল। ৰুচিয়াত লেনিনেই নিজৰ দেশত প্ৰথম প্ৰধান মন্ত্ৰী হ'ল। এইদৰেই প্ৰায় সকলো ঠাইতে হৈছে। কিন্তু আমাৰ নেতাজন অসাধাৰণ আছিল। তেখেতৰ অসাধাৰণতা আৰু পৰাক্ৰমৰ নেতৃত্বত আমি স্বাধীনতা পালোঁ। হয়তো স্বাধীনতাৰ কাৰণে আৱশ্যকীয় যোগ্যতা আমাৰ নাছিল। কিন্তু আমাৰ নেতাৰ অসাধাৰণতাৰ গুণতেই আমি অতি সোনকালে স্বাধীনতা লাভ কৰিলোঁ। তথাপি গান্ধীজীয়ে কোনো অধিকাৰ গ্ৰহণ নকৰিলে। গান্ধীজী দেশৰ প্ৰধান মন্ত্ৰীও নহ'ল আৰু ৰাষ্ট্ৰপতিও নহ'ল। তেখেতে ইচ্ছা কৰাহেঁতেন যি কোনো পদকেই গ্ৰহণ কৰিব পাৰিলে

হৈছেন। পণ্ডিত জৱাহৰলাল নেহৰু আদি সকলো ৰাজনীতিক অধিকাৰৰ গাদীত প্ৰতিষ্ঠা কৰিছিল। সেইসকলৰ চৰণত বহি সকলোৱে ৰাজনীতিৰ শিক্ষা গ্ৰহণ কৰিছিল। তেওঁলোক সকলোৱে বাপু আছিল। তথাপি তেওঁলোকে অধিকাৰ গ্ৰহণ নকৰিলে কিয়? তেওঁলোকে দেশক বুজাব খুজিছিল যে দেশৰ আচল কাম, আচল সেৱা অধিকাৰেৰে নাইবা আইনেৰে হ'ব নোৱাৰে।

আজি দেশৰ যি কোনো মধ্যম বৰ্গৰ মাজলৈ যাওক আপুনি তাত শুনিবলৈ পাব যে ভেটী-খোৰ, ভ্ৰষ্টাচাৰৰ উৎপাতত দেশৰ নৈতিক পতন হৈ গৈছে, দেশৰ চৰিত্ৰ ধ্বংস হৈ গৈছে। তেন্তে সমাজৰ উন্নয়ন কেনেকৈ হ'ব? কেনেকৈ আমাৰ চৰিত্ৰ নিৰ্মাণ হ'ব? আমাৰ বিচাৰধাৰা আৰু জীৱন-মূল্যৰ ৰূপ কেনেকৈ সলনি হ'ব? জীৱনৰ শ্ৰেষ্ঠ আদৰ্শ কেনেকৈ প্ৰস্থাপিত হ'ব? দণ্ড-শক্তি আৰু আইনৰ যোগেদি ই সম্ভৱ হ'বনে? আইনে যদি কৈ দিয়ে যে দেশৰ সকলো সত্যবাদী আৰু ত্যাগী হওক তেন্তে আমি কোনো সত্যবাদী বা ত্যাগী নহওঁ। ই আইন নাইবা দণ্ডশক্তিৰে কোৱা হ'লেও নহয়। হিংসাপ্ৰেমীসকলে ভাবে যে হিংসাক বাদ দি বিপ্লৱ হ'ব নোৱাৰে। কিন্তু তেওঁলোকে মূল্য পৰিবৰ্তন কৰিব নোৱাৰে। আইনেৰে এই কাম সম্ভৱ নহয়। যদি এই কাম ৰাজ্যৰ দ্বাৰাই হ'লহেঁতেন তেন্তে সমাজৰ কাম বহুত সহজ হৈ পৰিলহেঁতেন। তেতিয়া আইনৰ দ্বাৰাই স্বৰ্গকো পৃথিৱীলৈ নমাই আনিলোহেঁতেন। কিন্তু তেনে হ'ব নোৱাৰে। বৰং আইনে যি কয় আমি তাৰ ওলোটা এটাহে কৰিবলৈ বিচাৰো। আইন যদি

ভালেৰে যায় আমি পাতেৰেহে যাবলৈ লওঁ। আমি সদায় আইনৰ পৰা লুকাই সাৰিব খোজোঁ, আৰু পদে পদে তাৰ উলঙ্ঘা কৰিবলৈ চেষ্টা কৰো। ই আমাৰ দিন-ৰাতিৰ অনুভৱৰ কথা।

মহাত্মা গান্ধীয়ে কোনো পদবী গ্ৰহণ নকৰাৰ কাৰণ এয়ে। বাপুৱে কৈছিল 'আমি আইন ৰচনা কৰিব খোজা নাই, মানৱ তৈয়াৰ কৰিব খুজিছো। আইন ৰচয়িতা সকলে আইন ৰচনা কৰক আমি আমাৰ কাম কৰিম। মানুহ গঢ়া কাম আইনেৰে হ'বই নোৱাৰে। তাৰ কাৰণে লাগিব প্ৰেম আৰু বিচাৰ। আমি মানুহক প্ৰেমেৰে বুজাম। মানৱ জাতি এক বিচাৰশীল প্ৰাণী। ভগৱানে মানুহক আটাইতকৈ শ্ৰেষ্ঠদান হিচাপে বিচাৰ-শক্তি প্ৰদান কৰিছে। সেই বিচাৰ শক্তিৰেই আজি বিনোবাজীয়ে কাম কৰিব ধৰিছে। প্ৰেম-শক্তি আৰু বিচাৰ-শক্তিত বাদে তেখেতৰ হাতত আন একো শক্তি নাই। ঘূৰি ঘূৰি চাৰিওফালে প্ৰেম অমৃতৰধাৰা মানৱ সমাজত বিলপাই দিব ধৰিছে।

আপোনালোকৰ দৃষ্টি হয়তো উচ্চ পদ সমূহৰ ওপৰত পৰিছে আৰু আপোনালোকে তাকেই হয়তো মহত্তাকাঙ্ক্ষা বুলি ভাবিব ধৰিছে। কিন্তু মই আপোনালোকক নম্ৰভাবে নিবেদন কৰিব খুজিছোঁ যে সি কোনো মহৎ আকাঙ্ক্ষা নহয়। পণ্ডিত জৱাহৰলাল নেহৰু বহা আসন থনৰ কাৰণে আগ্ৰহ কৰাটোক মই মহৎ আকাঙ্ক্ষা বুলি স্বীকাৰ কৰিব নোৱাৰো। পণ্ডিত নেহৰুৱে যদি আজি প্ৰধান মন্ত্ৰীৰ পদত্যাগ কৰি গান্ধীজীৰ মহা শান্তিৰ বাণী গাৱেঁ গাৱেঁ বিলাই ফুৰে

সেয়েহে তাক তেওঁ উচ্চ স্থান ত্যাগ কৰি তললৈ অহা হ'ব বুলি মই নাভাবোঁ। বৰং মই কম যে তেওঁক প্ৰধান মন্ত্ৰীৰ পদে কাহানিও ঢুকি পাব নোৱাৰা উচ্চ স্থানলৈ উঠিছে। কিন্তু আজি আমাৰ বিচাৰধাৰা এনেভাৱে পৰিৱৰ্তন হৈ পৰিছে যে বহুতে হয়তো ভাবি অস্থিৰ হৈছে যে জয়প্ৰকাশ নাৰায়ণে ৰাজনীতি ত্যাগ কৰি দেশৰ মহৎ অনিষ্ট সাধন কৰিলে। তেওঁৰ অবিহনে দেশত এতিয়া বিৰোধী দল কেনেকৈ গঠন হব? ইত্যাদি কথাৰ চিন্তা কৰে। কিন্তু ভাই সকল! ৰাজনীতিৰ কি শক্তি আছে? তাৰেনো কিমান কাম হ'ব পাৰে? যদি জৱাহৰলালজীয়ে আইন ৰচনা কৰি জনাই দিয়ে যে আজিৰ পৰা সকলোৱে সত্য কথা কবা, তেন্তে কোনোবাই ক'ব নে? কোনোৱে নকয়। এই কাম মানুহক বুজাই-বঢ়াই চেনেহ প্ৰীতিৰেহে কৰাব পাৰি।

নতুন সমাজ পাতিৰ লাগে

বন্ধু সকল। সেই কাৰণে মই আপোনালোকক এই নিস্পৃহ সেৱা ক্ষেত্ৰলৈ আমন্ত্ৰণ কৰিব খুজিছোঁ। আপোনালোকে জানে যে যি সকল শক্তিশালী বুদ্ধিমান মানুহ সেই সকল আই, এ, এচ নাইবা 'এম্ এ' আদিলৈ গুচি যায়। যি সকলৰ সিমান শক্তি নাই বা বুদ্ধি নাই সেইলোক সকলে আমাৰ এইবোৰ সুবিধা নোপায়েই সেইবাবে বৰ্তমানে ভূ-দানৰ কামকে কৰে। এনে ধৰণৰ প্ৰচণ্ড ভ্ৰম ভাবি চলিব ধৰিছে। এই কথাত আপোনা-লোকৰ হাঁহি উঠিছে কিন্তু ই হাঁহিৰ কথা নহয়, কান্দিবলগীয়া কথাহে।

মহাত্মা গান্ধী প্ৰধান মন্ত্ৰীৰ গাদীত বহিছিল ; কিয়নো মহাত্মাত নিস্পৃহ সেৱাৰ শক্তি বেছি। আজিৰ শিক্ষিত সকলে এনে সেৱা কৰিবলৈ আগবাঢ়ি নাহিবনে ? তেওঁলোকে সাহসেৰে কৈ দিয়া উচিত যে আমাক কোনো পদৰ আৱশ্যক নকৰে।

পাৰ্লিয়ামেণ্টৰ সদস্য নাইবা মন্ত্ৰী হবলৈকো আমাৰ ইচ্ছা নাই,—আনকি ডিষ্ট্ৰিক্ট বোৰ্ডৰ সভ্য পদলৈকো আমি কামনা নকৰো। আমি নিস্পৃহ ভাৱে সেৱা কাৰ্য্য আৰু বিচাৰ প্ৰচাৰৰ বিপ্লৱ কৰিম। আমি বৰ্ত্তমান সমাজৰ ৰূপ সলনি কৰি এক নতুন শান্তিৰ সমাজ স্থাপন কৰিম।

পণ্ডিত নেহৰুজীয়ে দিল্লীত বহি আইন ৰচনা কৰি সাৰ্ব্বোদয় সমাজ প্ৰতিষ্ঠা কৰিব নোৱাৰে। সাৰ্ব্বোদয় সমাজ স্থাপন কৰিবলৈ স্বাৰ্থৰ বলিদান দিব লাগিব। মানুহৰ অন্তৰক কৰাল মাৰি লাগি থকা স্বাৰ্থপৰতাৰ আইনৰ দ্বাৰাই নাইকিয়া কৰিব নোৱাৰি। আইনে কয় যে তুমি ইমান হেজাৰৰ ইনকম টেক্স দিব লাগিব। কিন্তু ইফালে হেজাৰ হেজাৰ টকা উকিলক ফিজ দি মানুহে ইনকম টেক্সৰ পৰা ৰক্ষা পাবলৈ বুদ্ধি শিকি লয় ইনকম টেক্সৰ অফিচাৰক ফাঁকি দিবলৈ তেওঁলোকে চুচা বহী কৰি লয়। এটা অফিচাৰৰ কাৰণে আৰু আনটো নিজৰ কাৰণে। ইনকম টেক্সৰ অৰ্থ হৈছে মানুহে যিখিনি আৰ্জ্জে তাৰ একাংশ ত্যাগ কৰিব লাগে। আইনে ইনকমটেক্সৰ ব্যৱস্থাৰে তাকেই কৰিব খুজিছে। তোমাৰ সম্পত্তিত সমাজৰো অধিকাৰ আছে। কিয়নো সমাজৰ সহযোগিতাৰেহে তোমাৰ সেই ধন তৈয়াৰ হৈছে। কিন্তু তেওঁ স্বইচ্ছাৰে

তাক ত্যাগ কৰিব নোখোজে। ধনি লোক যদি আইনে জোৰ কৰি সেই ধন কাঢ়ি লয় আৰু নিয়ম বান্ধি দিয়ে যে তোমাৰ হাতত লাখ টকা আছে তুমি হেজাৰতকৈ অধিক টকা ৰাখিব নোৱাৰা, এনেকৈ [illegible] একৰ মাটি থকা জনৰ হাতত পঞ্চাশ একৰ দিহে বাকী তিনি কাঢ়ি লয়, তেন্তে তেওঁৰ অন্তৰত ধনৰ প্ৰতি থকা মোহ [illegible] কৰিব পাৰিবনে? কেতিয়াও নোৱাৰে। বৰং ইয়াক তেওঁলোকে সৰু পথৰে অনাচাৰ তুলি ধাৰণ কৰি পোতক তুলিবলৈ চেষ্টা কৰিব। সুতৰাং আইনৰ দ্বাৰা মানুহৰ অন্তৰৰ পৰা মোহৰ নিৰাকৰণ কদাপি সম্ভৱ হব নোৱাৰে।

বিপ্লৱ প্ৰথমে নিজৰ জীৱনত

আপোনালোকে যদি সঁচাকৈয়ে বিপ্লৱ কৰিব খোজে তেন্তে প্ৰথমে নিজৰ জীৱনত বিপ্লৱ কৰক। আজি সকলোৱে কয় যে ভূমিৰ সমবিতৰণ হব লাগে। কোনো মানুহৰ হাতত ১০ বা ২০ একৰ মাটিতকৈ অধিক মাটি ৰাখিবলৈ দিব নোলাগে। কিন্তু নিজৰ হাতত থকা ৫০০ একৰ মাটি বিতৰণ কৰিবলৈ কোনো সাজু নহয়। তেওঁ কয় যে আইন হলে যেতিয়া ভূমি বিতৰণ হব তেতিয়া আমিও দিম। গান্ধী বিনোবাই সকলোকে সতৰ্কবাণী শুনাই দিছে যে যদি সঁচাকৈয়ে এই নিয়ম চলি থাকে তেন্তে আজি যাৰ হাতত শক্তি আছে তেওঁ কাঢ়ি লব আৰু কালিলৈ যাৰ হাতলৈ শক্তি যাব তেওঁ কাঢ়ি লব। তেন্তে এজনৰ পৰা আনজনে কাঢ়ি লোৱাৰ এই অনুক্ৰম সদায় সমাজত চলি থাকিবনে?

দিলেহে বিপ্লৱ হব পাৰে, কাঢ়ি ললে নহয়। কিন্তু তাকো দিব লাগিব বিচাৰ পূৰ্ব্বক ভাবেহে। অকল দান বা ভিক্ষাৰেও বিপ্লৱ হব নোৱাৰে। ৱিনোবাই কাকো দানভিক্ষা খুজিবলৈ নকয়। মানুহক বিচাৰধাৰা বুজাই দাবী কৰিবলৈ কয়। বিচাৰধাৰা বুজি লৈ যদি দিব খোজে তেন্তে আমি ল'ম। নহ'লে আপোনাৰ এক পইচাও আমি গ্ৰহণ নকৰো। বুজা-বুজাকৈ আপোনাৰ একেৰে মাটিও আমি নিবিচাৰো। অৰ্থাৎ মুখ্য কথা হৈছে অন্তৰ পৰিবৰ্ত্তন। সেই বাবে ছাত্ৰ ভাই সকল! আপোনালোকে নেভাবিব যেতিয়ালৈকে স্বাধীনতাৰ সংগ্ৰাম চলি আছিল তেতিয়ালৈকেহে ত্যাগ সেৱাৰো যুগ আছিল আৰু আজি স্বাধীনতাৰ পিচত ভোগৰ যুগ আহি পৰিছে। বন্ধুসকল! স্বাধীনতাৰ যুদ্ধত ত্যাগৰ যিমান প্ৰয়োজন আছিল আজি তাতকৈ বহুত বেছি ত্যাগ আৰু তপস্যাৰ প্ৰয়োজন হৈ পৰিছে। দেশে আপোনালোকৰ পৰা ত্যাগৰ দাবী কৰিছে। দেশে আপোনালোকক আই, এ, এছ হবলৈ দাবী কৰা নাই। মই আপোনালোকক কব খোজো যি সকল বুদ্ধিমান, প্ৰাণবান উৎসাহী যুবক আছে, দেশৰ কাৰণে তেওঁলোকৰ কৰ্ত্তব্য হৈছে, তেওঁলোকে মুক্ত কণ্ঠে সকলোকে শুনাই দিব লাগে যে 'আমি অৰ্দ্ধহাৰে অৰ্দ্ধনগ্নভাৱে হলেও দেশৰ সেৱাত, মাতৃভূমিৰ মহান পুণ্য কৰ্ম্মত আত্মসমৰ্পণ কৰিম। আমি আই, এ, এছ নহওঁ। যি সকলে সেৱাৰ ক্ষেত্ৰত স্থান নেপাই তেওঁলোক আই, এ, এছ হবলৈ যাওক।

আমি আজি ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন আনিব খুজিছোঁ। আগেয়ে আমাৰ ৰাজ্যত কি আছিল। ক্ষত্ৰিয় সকলৰ ৰজা সকলৰ আৰু ব্ৰাহ্মণ সকলৰ ৰাজ্য নহয়নে? নিস্পৃহ ভাবেৰে সেৱা আৰু লোক সংগ্ৰহ কৰা, নিজৰ কাৰণে অলপো সংগ্ৰহ নকৰা, জ্ঞান অৰ্জ্জন কৰা আৰু আনৰ কাৰণে জ্ঞান বিতৰণ কৰা। কোনো জাতিবিশেষৰ বিষয়ে আমি কব নোখোজো। দুৰ্ভাগ্যবশতঃ তেওঁলোকৰ জাতি বিভাগ হ'ল। কিন্তু সেই যুগতো নিস্পৃহ আৰু অপৰিগ্ৰহী সেৱকক সমাজত উচ্চ স্থান দিয়া হৈছিল। গান্ধীজী দেশৰ প্ৰধান মন্ত্ৰী নহ'ল। তেওঁৰ থাকিবলৈ নিজা ঘৰো নাছিল যি অলপমান আছিল তাকো ত্যাগ কৰি কৌপিন পিন্ধি দেশৰ সেৱা কৰিছিল। কিন্তু তেওঁ বিশ্ব বৰেণ্য হ'ল। তেওঁৰ মৃত্যুৰ সময়ত ব্ৰাজিল, আৰ্জ্জেণ্টাইনা আদি কিমান দেশত শোক সভা পাতিছিল। সমগ্ৰ বিশ্বই গান্ধীজীৰ মৃত্যুৰ বাতৰি শুনি কঁপি উঠিছিল। মানৱ জাতিৰ স্বভাৱ হৈছে আইনৰ ওচৰত শিৰদোৱাটো কিন্তু সিয়ো ভয়ৰ কাৰণেহে হয়। সত্য, ত্যাগ, বৈৰাগ্য আৰু ধৰ্ম্মৰ আগত শ্ৰদ্ধা আৰু আদৰেৰে বিশ্বই মূৰ দোঁৱায়।

সেইবাবে যদি আপোনালোকৰ জীৱন মূল্যৰ পৰিবৰ্ত্তন হয় আৰু জীৱনত বিপ্লৱ আহে তেন্তে আপোনালোকক যথাৰ্থ বিপ্লৱী বুলি কব পাৰিম। নহলে আপোনালোক আচল বিপ্লৱী হব নোৱাৰে। পাটনা চহৰত ইনক্লাব জিন্দাবাদ আদি ধ্বনি কৰি চিঞৰ-বাখৰ কৰিলেও আপোনালোক বিপ্লৱী হব নোৱাৰে। বিপ্লৱৰ কাৰণে প্ৰথমে নিজৰ জীৱনৰ আদৰ্শ সলনি কৰক।

আপোনালোক শোষণৰ বিৰোধী। কিন্তু দিনে নিশাই আপোনালোকৰ অন্তৰত কেৱল এয়ে চিন্তা যে কেনেকৈ ভাল চাকৰি এটি পোৱা যায়।

এইদৰে আপোনালোকো শোষণ কাৰীৰ শাৰীলৈ যাবলৈ চেষ্টা কৰে। আপোনালোক বৈষম্যৰ বিৰোধী। কিন্তু আপোনালোকে ভাবে যেন দৰমহা ৩৫০ টকাৰ আৰম্ভ হয়। ইফালে বৈষম্যৰ বিৰুদ্ধে ধ্বনি কৰে। নিষ্প্ৰাণ ধ্বনিৰ কোনো অৰ্থ নাই। ই তেনেই মিথ্যাবাদ আৰু এই মিথ্যাবাদৰ পৰিণতি হৈছে মিথ্যাচাৰ।

এই মহল দৰিদ্ৰৰ বুকুৰ ওপৰত

গান্ধীজীয়ে যদিও কৈছিল সকলোৱেই গান্ধী হব পাৰে তথাপি আমি সকলোৱে গান্ধী হব নোৱাৰোঁ। আমি সাধাৰণ মানুহ। গান্ধীজীৰ কথাত সত্যতা আছিল, কিন্তু আমাৰ অন্তৰত দুৰ্বলতা আছে। আমি আটায়ে গান্ধী-বিনোবা হব নোৱাৰোঁ সঁচা কিন্তু গান্ধী বিনোবাৰ আদৰ্শৰ পথেৰে আগবাঢ়ি যোৱা আমাৰ সকলোৰে কৰ্তব্য। বিনোবাজীৰ আশ্ৰমত থকা সিন্ধু প্ৰদেশৰ নৱযুৱক সাধক বন্ধু এজনে এদিনাখন মোৰ আগত কৈছিল—"বিনোবাজীয়ে বুদ্ধ গয়াত সমন্বয় আশ্ৰম নামেৰে এখন আশ্ৰম স্থাপন কৰিছে। ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদে আশ্ৰমৰ আধাৰ শীলা স্থাপন কৰিছিল। আশ্ৰমৰ ঘৰবাৰীবোৰ সাধাৰণ জুপুৰীঘৰৰ নিচিনা। দূৰ দূৰণিৰ পৰা মানুহ আশ্ৰম চাবলৈ আহে।" তেওঁ কৈছিল "মেক্সিকান দম্পতি

হেনো আশ্ৰম চাবলৈ আহিছিল। তেওঁলোকে আশ্ৰমৰ এজন সেৱকক সুধিলে চণ্ডীগড়ৰ বিষয়ে আপোনাৰ মত কি? সেৱকজনে উত্তৰ দিলে, চণ্ডীগড়ৰ বিষয়ে মই কি কম? চণ্ডীগড় পঞ্জাবৰ ৰাজধানী।" দম্পতিয়ে কলে, "ভাৰত আৰু ভাৰতীয় সকলৰ কাৰণে, গান্ধী পণ্ডিত জৱাহৰলাল নেহৰুৰ দেশৰ প্ৰতি আমাৰ অন্তৰত যথেষ্ট আদৰ আৰু সন্মান আছে। তেওঁলোকে কিমান উচ্চ আদৰ্শৰ কথা কয়। কিন্তু যি দেশত দৰিদ্ৰতাৰ কোনো সীমা নাই, অনাহাৰী আৰু নগ্নতাৰ শেষ নাই, তাত ৰাজধানীৰ কাৰণে, অফিচাৰ আৰু মন্ত্ৰী সকলৰ অফিচৰ কাৰণে ইমান ডাঙৰ মহল তৈয়াৰ কৰা হৈছে। দৰিদ্ৰৰ বুকুৰ ওপৰত এই মহলবোৰ সজা হৈছে।

আমাৰ জীৱনৰ মূল্যই নষ্ট হৈ গৈছে। নতুন দিল্লীলৈ গ'লে অন্তৰ ভাগি যা'ব খোজে। এয়েই ভাৰতবৰ্ষৰ ৰাজধানী নে? সকলোৱেই চুট পেণ্ট পিন্ধি ডাঙৰ ডাঙৰ মটৰ গাড়ী লৈ গা-ঘেলায় বিৰাট বিৰাট অট্টালিকা! দিল্লীত থকা আমাৰ মহিলা সকলে জৰ্জেটৰ বেচ দামী বিদেশী শাৰী পিন্ধি, ওঁঠ ৰঙা কৰি ফেচন মাৰি ফুৰা দেখিলে আচৰিত লাগে! কঙাল দেশৰ ৰাজধানী এনেকুৱাই নে? আৱাড়ী অধিবেশনত কংগ্ৰেছে প্ৰস্তাৱ গ্ৰহণ কৰিছিল যে সমাজবাদী আদৰ্শৰ সমাজ গঠনৰ কৰাই আমাৰ উদ্দেশ্য।" তাকে দেখি চিঞৰাট কৈছিল, যে কংগ্ৰেছৰ নিচিনা এটা ডাঙৰ দলে যাৰ হাতত দেশৰ শাসন ভাৰ আছে, এনে উদ্দেশ্য থকা প্ৰস্তাৱ গ্ৰহণ কৰা দেখি মই অতি আনন্দিত হৈছো। কিন্তু এই প্ৰস্তাৱটো

শুনি প্ৰথমে মোৰ মনত প্ৰশ্ন উঠিছিল যে আপোনালোকে সমাজবাদী আদৰ্শৰ সমাজ কেনেভাৱে গঠন কৰিব খুজিছে ? আপোনালোকে নিজৰ নিজৰ ঘৰ বোৰত সমাজবাদী আদৰ্শক কেনেকৈ ৰূপায়িত কৰিব ধৰিছে ? আপোনালোক থকা ডাঙৰ ডাঙৰ অট্টালিকাবোৰ ত্যাগ কৰিছে নে ? সেই ৰাজ অট্টালিকাত বহিয়েই এই দৰিদ্ৰ দেশখনৰ শাসন কৰিব খুজিছেনে কি ? ই কেনে ভামচা !

আমাৰ প্ৰত্যেক জনৰ গাত দোষ আছে। আমি সকলো এই পাপৰ ভাগী। মধ্যম বৰ্গৰ আমি প্ৰত্যেক জন মানুহেই কম বেছি পৰিমাণে একজনে আনজনৰ অধিকাৰ কাঢ়ি লব ধৰিছোঁ। দেশত অভাৱ অনাটন ইমান বাঢ়িছে যে আমি যি খাইছো আৰু যি পিন্ধিছো তাতো আনৰ অংশ আছে। আমি দৰিদ্ৰ সকলৰ মুখৰ চিৰি খোৱা হৈছোঁ। সেই কাৰণে যদি গান্ধী বিনোবাৰ সমানে আমি ত্যাগ কৰিব নোৱাৰোঁ তেন্তে যিমানখিনি পৰা যায় তাকে কৰোঁহক। আমি ত্যাগৰ এই মহান সাধনা কৰিব লাগিব। শুধ শুধ মহলবোৰলৈ চালে নহব, আমি চাব লাগিব অনাহাৰী অৰ্দ্ধনগ্ন দৰিদ্ৰ সকলৰ জুপুৰীবোৰলৈহে। নিজৰ জীৱনটো যিমান তললৈ নিব পাৰোঁ সিমান তললৈ নিবলৈ চেষ্টা কৰাহে আমাৰ কৰ্ত্তব্য। ই দেশৰ আটাইতকৈ ডাঙৰ সেৱা। আপোনালোক নৱ যুবক বন্ধু সকলৰ পৰা আমি সৰ্ব্ব প্ৰথমে এই আশা কৰিছো। আজি লক্ষ্ণৌ, দিল্লী আদিৰ ছাত্ৰ সকলৰ পিনে চালে দেখিব (সৌভাগ্য ক্ৰমে বিহাৰৰ ছাত্ৰ সকলৰ মাজত সেই মহা ব্যাধিৰ

প্ৰবেশ হোৱা নাই।) তেওঁলোক কেচনৰ কাৰণে পাগল যেন হৈ পৰিছে। তেওঁলোকে বহুমূলীয়া বিদেশী কাপোৰ আৰু বহুমূলীয়া জোতাৰ বাহিৰে আন বস্তু ব্যৱহাৰ নকৰে। দৰিদ্ৰ দেশৰ ৰয়যুৱকৰ এনে অৱস্থা। আৰু' তেওঁলোকৰ মুখতেই বিপ্লৱৰ মহাধ্বনি গুঞ্জৰি উঠে। তেন্তে এই আত্ম প্ৰৱঞ্চনা কিহৰ ?

বিপ্লৱৰ ৰণভেৰী

আজি সময় আহিছে। বিনোবাই বিপ্লৱৰ বিকুল বজাইছে। বিপ্লৱৰ বিগুল পাটনাৰ বিধান সভাত, দিল্লীৰ লোক সভাত নাইবা চেক্ৰেটৰীয়েট বোৰত বজা নাই। তাত অফিচ আৰু বঙা ফিটাহে আছে আৰু সেই বঙা ফিটাৰ মাজত দেশৰ ভাগ্য বিধাতা সোমাই আছে। দিনে দিনে বঙা ফিটাৰ সংখ্যা বৃদ্ধি হয়। বট বৃক্ষৰ নিচিনাকৈ অফিচাৰশাহী পলে পলে বাঢ়ি গৈছে। বট বৃক্ষত যেনেকৈ এটা শাখাৰ পৰা এডাল শিপা ভৰলৈ আহি তাক তাৰ পৰা আন এডাল গছৰ ৰূপ লয় তেনেকৈ অফি-চাৰশাহী এই ৰাক্ষস কপটোৱে এদিন হয়তো সমস্ত লোক তন্ত্ৰক গিলি পেলাব। আপোনালোকে যদি সেই অফিচাৰশাহী (চাকৰ-শাহী বুলি কোৱাটো উচিত নহব, অফিচাৰশাহীহে কব লাগিব) মেচিনৰ অংশ হব খোজে তেন্তে বিপ্লৱ হব নোৱাৰে। আপোনা-লোকে মেজিষ্ট্ৰেট নাইবা পুলিশ বিষয়া হৈ দেশত বিপ্লৱ আনিব

নোৱাৰে। যদি কৰ্ত্তব্য পৰায়ণ ভাবে কাম কৰে তেন্তে আলপ সেৱা যে কৰিব পাৰিব, তাক আমি অস্বীকাৰ কৰিব নোখোজো। কিন্তু সেই সেই পদত থকা সকলৰ মাজতো নিশ্চয় কৰ্ত্তব্য পৰায়ণ লোক আছে। সেই সকলক সুধি চাওকচোন। তাত এনে ভাবে জাল পাতি থোৱা আছে যি জালৰ পৰা তেওঁলোক ওলাব নোৱাৰে। তেওঁলোকৰ আত্মা তাত চেপা খাই পৰিছে। সেই কাৰণে বিপ্লৱৰ বিগুল তাত বাজিব নোৱাৰে। বাজিছে জনতাৰ ঘৰে ঘৰে, গাৱঁ আৰু চহৰৰ গলিয়ে গলীয়ে, দৰিদ্ৰৰ ভগা পঁজাৰ ভিতৰত।

বিনোবাই এই বিপ্লৱৰ ধ্বনি কৰিছে। তেওঁ কৈছে যে সাতান্ন চনৰ শেহলৈকে ভাৰতৰ গাৱেঁ গাৱেঁ (ভাৰতৰ মুঠ ৫ লাখ আঠাইশ হাজাৰ গাওঁ) যদি ভূমি বিতৰণ কাৰ্য্য সমাধান হৈ যায় তেন্তে বিপ্লৱৰ প্ৰথম খোজ সম্পূৰ্ণ হৈছে বুলি আমি ধৰিব পাৰিম। আজি যদি কোনোবাই আমাক প্ৰশ্ন কৰে যে এই কাম কেনেকৈ হব পাৰে? খুজিলে মানুহে মাটি দিবনে? মই তেওঁক কম তোমাৰ এই কথাৰ কোনো অৰ্থ নাই। নিদ্ৰিত অৱস্থাত থকা জনক জগাব পাৰি কিন্তু যি সাৰ পাই থাকি শোৱাৰ ভাও জোৰে তেওঁক কেনেকৈ জগাব পাৰি? যি বুজিবলৈ চেষ্টা নকৰে তেওঁক বুজাবই বা পাৰি কেনেকৈ? বুজি নোপোৱা জনক বুজাব পাৰি কিন্তু এওঁটো বুজিব-লৈকো চেষ্টা কৰা নাই। এই কাৰ্য্যত আমি পাঁচ বছৰ অনুভৱ কৰিছো। অনুভৱে আমাক স্পষ্ট ভাবে কব লাগিছে যে য'ত কাম কৰা হৈছে, য'ত আচল কৰ্ম্মীৰ প্ৰবেশ হৈছে, য'ত এই বাণী কঢ়িয়াই

নিয়া হৈছে, তাত জনতা পিচ পৰি থকা নাই। আপোনালোক আৰু আমি পিছ পৰি আছো। জনতা পিছ পৰি থকা নাই। গাৱঁত ভূমি বিতৰণ সহজতে হব পাৰে, কিন্তু তাৰ কাৰণে কৰ্ম্মী লাগিব। যি শ্ৰেণীৰ গাৱঁত কৰ্ম্মী আছে সেইলোকৰ দৃষ্টি-কোণ আন ফালে থকা দেখা যায়। সেই দৃষ্টি-কোণ ঘূৰাই আনিবলৈ বিনোবাই গাৱঁৰ ফালে খোজ আগবঢ়াইছে।

বলিদান নহয় জীৱন দান

বিনোবাই আন্দোলনেৰে দেশ সজাগ কৰিছে। তেওঁ সকলো-লোকৰ দৃষ্টি অধিকাৰৰ পৰা সেৱাৰ স্থানলৈ ঘূৰাই আনিছে। আপোনালোকে দেশ গঠন কৰিব লাগিব। নতুন ভাৰত গঢ়িব লাগিব। শৰীৰত ঘামৰ সুঁতি বোৱাব লাগিব। বলিদান নহয় জীৱন দান কৰিব লাগিব। সমাজে আজি আপোনালোকৰ পৰা বলিদান বা প্ৰাণৰ আহুতি খোজা নাই। ভগৎ সিংহই প্ৰাণৰ আহুতি দিছিল। সেই সময়ত প্ৰাণ আহুতিৰ দাবী আছিল কিন্তু আজি প্ৰাণৰ নহয়। জীৱনৰ, বুদ্ধিৰ, শ্ৰম, সেৱাৰ আহুতিৰ দাবী আহিছে। আপোনালোকৰ জীৱন সমাজৰ সেৱাৰ কাৰণে ব্যৱহাৰ কৰিবলৈ আপোনালোকে প্ৰতিজ্ঞা কৰক। যেমান খিনি ত্যাগ কৰিব পাৰে কৰক। অধিক ত্যাগ কৰিব পৰাজনে কম ত্যাগ কৰা জনক হীনবা নক বুলি নাভাবিব। মনত অহঙ্কাৰৰ ভাব আহিলে সকলো তপস্যা মূল্য হীন হৈ পৰিব। আমাৰ মাজত যথেষ্ট ত্যাগ কৰা মানুহ ইয়াত বহি

আছে। তেওঁলোকে যথেষ্ট ত্যাগ কৰিছে তাত সন্দেহ নাই। কিন্তু যদি তেওঁলোকৰ মনত ধনিষ্ঠা মানো অহঙ্কাৰ ভাব জন্মে তেন্তে সেই ত্যাগ নিস্ফল হৈ পৰিব। যি ডাঙৰ ত্যাগ কৰিব পাৰে তেওঁ আনকো তেনেহৰে ত্যাগী হবলৈ শিকনি দি লগে লগে লৈ যাবলৈ চেষ্টা কৰিব লাগে। এখোজ যদি আগ বঢ়াইছে তেন্তে দ্বিতীয় খোজো তুলিবলৈ চেষ্টা কৰক। গাৱৰ দুখী দৰিদ্ৰ চহা সকলৰ ওচৰত আমি কি খুজিম? কিন্তু আপোনালোকৰ ওচৰত খুজিব পাৰো। সেই কাৰণে মই আপোনালোকৰ ওচৰত খুজিবলৈ আহিছো।

প্ৰথম কিস্তি হিচাবে মই আপোনালোকৰ ওচৰত তিনটা দাবী কৰিব খুজিছোঁ। এইটো প্ৰথম কিস্তি দ্বিতীয় কিস্তিৰ কাৰণে মই আপোনালোকৰ ওচৰলৈ আকৌ আহিম। তৃতীয় কিস্তি আপোনালোকক খুজিবৰ প্ৰয়োজনেই নহব বুলি মোৰ বিশ্বাস।

তিনটা ভাগ ঃ—(১) সম্পত্তি দান

প্ৰথম কিস্তি হিচাবে মই অতি ক্ষুদ্ৰ দাবী এটি আপোনালোকৰ সন্মুখত ৰাখিব খুজিছো। এতিয়াই স্কুল বিদ্যাৰ্থীয়ে সম্পত্তি দান আগ বঢ়াইছে। পাটনা চহৰত বহুত হেজাৰ বিদ্যাৰ্থী আছে। কলেজত পঢ়া বিদ্যাৰ্থীৰ সংখ্যা প্ৰায় ৮ হেজাৰ হব। হাইস্কুলৰ বিদ্যাৰ্থীৰ কথা এতিয়া বাদ দিছো। এই আঠ হেজাৰ বিদ্যাৰ্থীৰ মাজৰ পৰা আমি মাথোন স্কুল বিদ্যাৰ্থীহে পাইছো। ইয়াৰ অৰ্থ

এইটো নহয় যে এই ছাত্ৰ বিদ্যাৰ্থী নিস্বাৰ্থপৰ আৰু বাকী সকলো স্বাৰ্থপৰ। ইয়াৰ কাৰণ হৈছে কাম কৰা মানুহৰ অভাৱ। আমাৰ শক্তিয়ে এই ছাত্ৰ বিদ্যাৰ্থীৰ হোষ্টেলত প্ৰবেশ কৰিব পাৰিছে। কিন্তু যদি কৰ্মী সকলে সম্পত্তি দানৰ মৰ্ম লৈ প্ৰত্যেক হোষ্টেলে হোষ্টেলে প্ৰত্যেক বৰ্ডিং ঘৰে ঘৰে সোমাই এই আন্দোলনৰ উদ্দেশ্য বুজাবলৈ সুবিধা পালেহেঁতেন তেন্তে মই ভাবো আমি ৮ হেজাৰ সম্পত্তি দান লাভ কৰিব পাৰিলোহেঁতেন। বিদ্যাৰ্থী সকল স্বাৰ্থপৰ কিয় হ'ব? এই দিশত বিদ্যাৰ্থী সকলে হয়তো প্ৰশ্ন কৰিব পাৰে যে (আমি নিজে সম্পত্তিৰ উপাৰ্জন নকৰো, এতেকে সম্পত্তি দান আমি কেনেকৈ কৰো। কিন্তু বিদ্যাৰ্থীয়ে খৰচ নিশ্চয় কৰে। যিখিনি খৰচ কৰা হয় তাতো সমাজৰ অংশ আছে। আপোনালোকৰ আই বোপাই বা যি সকলে আপোনালোকৰ খৰছ যোগাইছে, তাতো সমাজৰ অংশ আছে, সেইবাবে প্ৰথম দান হিচাবে আপোনালোকে প্ৰত্যেক মাহত যিমান টকা খৰচ কৰে সিমান পইছা সম্পত্তি দান হিচাবে দিবলৈ মই আপোনালোকৰ ওচৰত দাবী কৰিব খুজিছো। প্ৰতি টকাত এপইছাকৈ। পঞ্চাশ টকা যদি খৰচ কৰে তেন্তে পঞ্চাশ পইছা হ'ব। অতি সামান্য কথা, আপোনালোকে সপ্তাহত এদিন চিনেমা চোৱা এৰি দিলেই হৈ যাব। আপোনালোকে সম্পত্তি দান দিয়া বুলি লিখি ঘৰৰ পৰা অধিক টকা খৰচৰ কাৰণে সুধুজিব তেনে কৰিলে সি আপোনাৰ সম্পত্তি দান নহ'ব। টকা পথিওৱা জনৰহে হ'ব। নিজৰ পেট কাটি দান কৰিব লাগিব। যিখিনি কৰিব পাৰে ত্যাগ কৰক। দিনটোত এপিয়লা চাহ খোৱা কম কৰিব

পাৰে, নাইবা এগিলাচ গাখীৰ খোৱাৰো কম কৰিব পাৰে। তৃতীয়া বিদ্যাৰ্থীয়ে কয় যে আমি গাখীৰ দেখিবলৈকো নাপাওঁ আৰু চিনেমা দেখাৰো ভাগ্যত নঘটে। মই তেওঁলোকক কম চিনেমা দেখিবলৈ নোপোৱা ভাবেই হৈছে। চিনেমা নেদেখা একো বেয়া কথা নহয়। বৰং ভালহে। কিন্তু গাখীৰ খাবলৈ নোপোৱাটোহে বৰ দুখদায়ক কথা। বিদ্যাৰ্থী আৰু বুদ্ধিজীৱী সকলে গাখীৰ খাবলৈ পাবই লাগে। কিন্তু নাপাই আপোনালোক দুখীয়া, সেইকাৰণেই গাখীৰ আদি খাবলৈ নাপায়। তথাপি আপোনালোকে কিছু পাঁচ টকা নাইবা ত্ৰিশ টকা যি খৰচ কৰে তাৰ পৰা এক পইচা উলিয়াই থওক। দুখীয়াইও পেট কাটি দান কৰক। প্ৰত্যেক জন বিদ্যাৰ্থীয়ে দানৰ মুঠি আগ বঢ়াওক। এই যিখিনি সম্পত্তি আপোনালোকে গোটাব তাৰ ব্যৱহাৰ কেনেকৈ হব।

সম্পত্তি দান কোনো বৰঙনি নহয়। আপোনালোকে যিখিনি সম্পত্তি সংগ্ৰহ কৰিব সেইবোৰ আমাৰ ওচৰলৈ নাইবা ভূদান সমিতিলৈ পঠাব নালাগে নাইবা সৰ্ব্বোদয় ছাত্ৰ পৰিষদৰ অফিচ-লৈকো আমি পঠাবলৈ নকওঁ। টকা আপোনালোকৰ হাততেই থাকক। ধৰি লওক পাটনা চহৰত দুশ চাৰিশ যিমান সম্পত্তি দাতা হয় তাৰে এখন দাতা কমিটি গঠন কৰি সকলো খিনি টকা তাতে জমা কৰক। তাৰ পাছত দাতা সকলে সেই টকা কেনেকৈ খৰচ কৰিলে ভাল হয় আলোচনা কৰি ঠিক কৰি খৰচ কৰিব। এই টকা কোনো চাহ মেলত জানো খৰচ কৰা হব? কেৱল সেৱা কাৰ্য্যতহে খৰচ কৰা হব। দান কৰা যেনেকৈ আপোনালোকৰ

নিজৰ ওপৰত নির্ভৰ কৰে খৰচ কৰাৰ ভাৰো যোগ্য অনাই আপোনালোকৰ ওপৰত নির্ভৰ কৰে। আপোনালোকৰ সুবিধা মতে মাহে মাহে খৰচ কৰিবও পাৰে। নাইবা ৬ মাহৰ মূৰতো সকলো পইচা সংগ্ৰহ কৰি খৰচ কৰিব পাৰে।

(২) সময় দান

বন্ধু সকল। আপোনালোকৰ সেৱাত সময় দান মাৰ প্ৰথম দাবী। দ্বিতীয় দাবী [illegible] সময় দানৰ [illegible] আপোনালোকৰ পৰা সময় বিচাৰে। [illegible] আপোনালোকে দীঘল ছুটি পায়। পৰীক্ষা আদিও যায়। আপোনালোকে ছুটাৰ সময়ত কামও এনেকুৱা [illegible] দিব পাৰে। যদি [illegible] সেই দিন [illegible] কৰিব হব। [illegible] সেই দিনা সময়ৰ ভিতৰত জিলাই জিলাই নাইবা একাধিক জিলাৰ মাজত কৰ্মও এসপ্তাহৰ শিবিৰ কৰিব। যদি আপোনালোকে অধিক সময় দিব পাৰে তেন্তে [illegible] আমি [illegible] ধাৰা [illegible] বুজাই দিম [illegible] বাস কৰিব [illegible]। [illegible] আপোনালোকৰ [illegible] দান সকলো দেশৰ বিচাৰ ধাৰা, [illegible] বিপ্লৱৰ মহান বাণী সকলোকে শুনাই ফুৰিব। আপোনালোক নগৰতো

ফুৰিব লাগিব। আপোনালোকৰ লগত বিক্ৰীৰ কাৰণে কিতাপ আদিও থাকিব। ভূদান যজ্ঞৰ সাপ্তাহিক পত্ৰিকাৰ হিন্দী ইংৰাজী আদি সকলোবোৰ আপোনালোকে লগত ৰাখিব আৰু তাৰ গ্ৰাহক কৰিব। গাঁৱৰ কোনো গছৰ তলত, নামঘৰত, স্কুল ঘৰত নাইবা কোনো মানুহৰ ঘৰত বহি মানুহক বুজাব। ভূদান যজ্ঞৰ গান গাব, জয় ধ্বনী কৰিব, ভূদান সম্পত্তি দান গ্ৰহণ কৰিব ভূ-বিতৰণ কৰিব, গ্ৰামদান গ্ৰহণ কৰিব ইত্যাদি কাম আপোনা-লোকে কৰিব লাগিব। কিন্তু যদি আপোনালোকে নিজে সম্পত্তি দান নকৰি আনৰ পৰা ভূদান সম্পত্তি দান খুজিবলৈ যায় তেন্তে আপোনালোকৰ বাণীত কোনো তেজস্বীতা নাথাকিব। আপোনালোকৰ বাণী নিস্তেজ হৈ পৰিব। আপোনালোকে নিজে নিজে দান খুজিবলৈ সংকোচ বোধ নকৰিব। সেই কাৰণে সময়দানীয়ে প্ৰথমে সম্পত্তি দান কৰিব লাগে। নহলে তেওঁৰ সময় দানলৈ আমি কি কৰিম। যি নিজে বিচাৰ বুজে আৰু বিচাৰ অনুসৰি আচাৰ নকৰে তেওঁ আনৰ বিচাৰ ধাৰাৰ সলনি কদাপি কৰিব নোৱাৰে। অধ্যাপক সকলৰ ওচৰতো মই নিবেদন কৰিব খুজিছো যেন তেখেত সকলেও ছুটীৰ সময়ত সময়দান কৰে। তেখেত সকলে নিজৰ বিদ্যাৰ্থী সকলক লগত লৈ ফুৰিব পাৰে। ভূদান কৰ্ম্মী, অধ্যাপক, বিদ্যাৰ্থী সকলো দল দল হৈ ফুৰিবলৈ লওক। ঘৰে ঘৰে— ভূদানৰ ধ্বনী গুঞ্জৰি উঠক। সেই জুনৰ ভিতৰতে সমস্ত বিহাৰ সৰ্ব্বোদয় মন্ত্ৰেৰে মহামন্ত্ৰিত হওক।

(৩) খাদী

বিদ্যাৰ্থী ভাই বন্ধু আৰু সকলো বন্ধুৰ ওচৰত মোৰ তৃতীয় দাবী হৈছে খাদী কাপোৰৰ। আপোনালোকে আজিৰ পৰা সঙ্কল্প গ্ৰহণ কৰক যে আমি এতিয়াৰ পৰা খাদীৰ কাপোৰহে ব্যৱহাৰ কৰিম। স্বদেশী মিলৰ কাপোৰ হলেও আমি আৰু মিলৰ কাপোৰ ব্যৱহাৰ নকৰো। আমি সদায় খাদীহে পিন্ধিম। এই তৃতীয় দাবী মই কিয় কৰিছো তাৰ ব্যাখ্যা কৰিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হয়। আপোনালোকৰ আগত এতিয়ালৈকে যিমানবিলাক কোৱা হল, সেই খিনিকো যদি বুজিব পাৰিছে তেন্তে এই বিষয়েও কিছুপৰিমাণে নিশ্চয় বুজিছে। খাদী গ্ৰাম উদ্যোগৰ লগত এক সমাজ শাস্ত্ৰ নিহিত হৈ আছে খাদী গ্ৰাম উদ্যোগৰ এক স্বতন্ত্ৰ দৰ্শন আছে। সমাজত সৰ্বোদয় প্ৰতিষ্ঠা কৰিবলৈ, সুখ শান্তি স্থাপন কৰিবলৈ আৰু সমস্ত বিশ্বৰ মানৱজীৱন বিকেন্দ্ৰিত কৰিবলৈ আমি কি প্ৰণা-লীৰে সমাজ ৰচনা কৰিম। এই প্ৰশ্নৰ বিষয়ে মই এতিয়াই অধিক চিন্তা কৰিব নোৱাৰো। আটাইতকৈ ডাঙৰ পাপলৈ নামিছোঁ যি চিন্তন জগতৰ পাৰি মৰো তাকেই কাৰণ ধৰিছো। টি. টি. কৃষ্ণ-মাচাৰী আৰু চি. ডি. দেশমুখে যি কাৰণত খাদীক সমৰ্থন কৰিছে সেই একে কাৰণতে মই আপোনালোকক খাদী পিন্ধিবলৈ আহ্বান জনাইছো। দেশ আজি বেকাৰী সমস্যাৰ কৰাল গ্ৰাসত পৰিছে। কৃষ্ণমাচাৰী আৰু দেশমুখৰ নিচিনাকৈ পশ্চাত্য দেশৰ শিক্ষা পোৱা বিদ্বান সকলেও আজি এই কথা স্বীকাৰ কৰি খাদীৰ সমৰ্থন কৰিব

ধৰিছে। ভাৰতবৰ্ষৰ বেকাৰী সমস্যা সমাধান কৰিবলৈ খাদী গ্ৰামউদ্যোগ, কুটিৰ শিল্প আদিৰ বাহিৰে আন উপায় আজিলৈ কোনোৱে আমাক দিবা পৰ নাই।

গ্ৰামোদ্যোগ কিয়

ইয়াৰ কাৰণ বহুতো। এটা কাৰণ হৈছে দেশত মূলধন যথেষ্ট নাই। মূল ধনৰ অৰ্থ হৈছে পছৰটোৰ ভিতৰত আমি যিখিনি উৎপাদন কৰো তাৰ পৰা খোৱা লোৱাৰ পাছত আৰু অন্যান্য ব্যৱহাৰী কামত লগোৱাৰ পাছত যিখিনি জমা থাকে সেয়ে মূলধন। ইয়াৰ ভিতৰত কিমান টকা ধনীলোকৰ হাতত আছে, কিমান টকা দুখীয়াৰ হাতত আছে সেইটো বেলেগ কথা। সেইটো পুঁজি বিতৰণৰ প্ৰশ্ন। কিন্তু দেশৰ যিখিনি বাহি থাকে সি নিচেই তাকৰ। এনে অবস্থাত দেশৰ ডাঙৰ ডাঙৰ উদ্যোগ স্থাপন কৰি মানুহক কাম দিয়াৰ কল্পনা কৰা অসম্ভৱ। দেশৰ ডাঙৰ ডাঙৰ পুঁজিপতি সকলে হিচাব কৰি কৈছে যে একোটা সৰু কাৰখানা (যেনে চেনীৰ কাৰখানা বা কাপোৰৰ কল) একোজন মানুহক কাম দিবলৈ কমেও দহ হেজাৰ টকাৰ মূল ধনৰ প্ৰয়োজন হয়। তেনেকৈ ডাঙৰ কাৰখানাত [যেনে লোহাৰ কাৰখানা অৰ্থাৎ যাক গুৰু উদ্যোগ বোলে] প্ৰত্যেকজন মজদুৰৰ কাৰণে ২৫ হেজাৰ টকাৰ মূল ধনৰ আৱশ্যক হয়। শ শ কোটি টকা খৰচ কৰি আজি লোহাৰ কাৰখানা হব ধৰিছে আৰু হৈ থাকিব। তাৰ দ্বাৰাই এশ কোটিৰ ঠাইত ১০৫

কোটি বা ১৫০ কোটি মজদুৰে কাম পাব! কিন্তু দেশত আজি কোটি কোটি মানুহ বেকাৰ হৈ আছে। এই প্ৰত্যেক জন মানুহৰ কাৰণে ১০ হেজাৰৰ পৰা ২৫ হেজাৰ কৈ টকা কৰ পৰা পোৱা যাব? আমাৰ দেশত ইমানবোৰ টকাৰ পুঁজি আছে নে?

আমাৰ দেশৰ বৰ্তমান অৱস্থাৰ পৰা চিন্তা কৰিলে বুজা যায় যে দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনা কোনো সাধাৰণ পৰিকল্পনা নহয়। পাঁচ বছৰৰ ভিতৰত আঠচল্লিশ শ কোটি টকা খৰচ কৰা হব। পব্লিক সেক্টৰৰ বিষয়ে কম খুঁচিছো। তেইশ শ কোটি টকা বেলেগে আছে। এই আঠচল্লিশ শ কোটি টকা পাব্লিক সেক্টৰলৈ কৰ পৰা আহিব। সেই বিষয়ে আমি সঠিককৈ কব নোৱাৰো। ২৭ শ কোটি টকাৰ হিচাপ আমি জানো। এই টকা খ' ৰেভিনিউ আৰু ৰেল আদিৰ আয়ৰ পৰা পোৱা যাব। বাকী ১৪ শ কোটি টকা ক'ৰ পৰা আনিব মই নাজানো। চৰকাৰে ঠিক কৰিছে যে এই টকাৰ ১২শ কোটি টকা (১২ অৰ্বুদ) নোট ছপাই উলিয়াব। ই বৰ ভয়াবহ কথা। মই ইয়াৰ বিৰোধ নকৰো কিন্তু সকলোৱে জানে যে নোট ছপা কৰা বৰ বিপদজনক কথা। দেশত নোট যিমান ছপোৱা হয় সেই অনুপাতে দেশৰ ধন বৃদ্ধি নহয় তেন্তে তাৰ দ্বাৰাই দেশত ইনফ্লেচন (মুদ্ৰাস্ফীতি) হয়, অৰ্থাৎ টকাৰ অনাটন আদি হবলৈ ধৰে। সেই কাৰণে ই বৰ অত্যন্ত বিপদজনক কথা। ডেফি-চিট - ফিনান্সিং, বাৰশ কোটি টকাৰ: বাকী বাৰশ কোটি টকা ক'ৰ পৰা আনিব? আঠশ কোটি টকা হেনো অন্য দেশৰ পৰা ঋণ লৈ আনিব। ইও বৰ ভয় লগা কথা। মই অৱশ্যে

ইয়াৰ বিৰোধ নকৰো, কিন্তু ইয়াৰ বিপদ আছে। এই আঠশ কোটি টকা পোৱা যাবনে নাযাব তাৰো কোনো নিশ্চয়তা নাই। সেই কাৰণে ই অনিশ্চিত হৈ আছে। দেশৰ এটা সাধাৰণ পৰিকল্পনাৰ কি অৱস্থা তাকৈ লক্ষ্য কৰিলেই আমাৰ দেশৰ আৰ্থিক পুঁজিৰ ভেটি কিমান শক্তিশালী বুজা যায়। সেই কাৰণে দেশৰ প্ৰত্যেকজন বেকাৰ মানুহক ডাঙৰ উদ্যোগৰ দ্বাৰা কামত লগোৱা অসম্ভৱ কথা।

গান্ধীজী প্ৰতিগামী নে

বাস্তৱিকতে আমাৰ আকাংক্ষা মনোভাব কিছু পৰিমাণে তললৈ নমাই আনিবৰ হল। গান্ধীজী কোনো 'প্ৰতিগামী' ব্যক্তি নাছিল। আপোনালোকে হয়তো সুধিব পাৰে যে আজিৰ এই আনবিক যুগত আপোনালোকে যঁতৰ আৰু গ্ৰাম উদ্যোগৰ কথা কিয় কব ধৰিছে। কিন্তু ইয়াৰ বাহিৰে এই দেশৰ কাৰণে আন উপায় কি আছে? আপুনি আমেৰিকাক অনুকৰণ কৰিব পাৰিবনে? দহ হেজাৰৰ পৰা পাঁচশ হেজাৰ টন দেশত থকা মেচিন আদিলৈ চাইহে অনুমান কৰা হৈছে। এতিয়াই অলপ আগতে মই বাতৰি কাকতত পঢ়িবলৈ পালো আমেৰিকাত হেনো ৭৫ লাখ টকা খৰচ কৰি এটা সৰু কাৰখানা তৈয়াৰ কৰা হৈছে। ৭৫ লাখ টকা মূলধনৰ সেইটো গ্যাচ প্লেণ্ট— আছিল। তাত কাম কৰিবলৈ মাত্ৰ দুজন মজদুৰহে ৰখা হৈছে। তেওঁলোক সাধাৰণ মজদুৰ নহয়। দুয়োজন বিশেষজ্ঞ লোক।

কিন্তু প্ৰত্যেক জন মজদুৰৰ কাৰণে ৩৫ লাখ টকাৰ মূল ধন খটোৱা হল। আমি ভাৰতবৰ্ষত ইমানবোৰ টকা খটুৱাব (কেপি-টেল ইনভেষ্টমেণ্ট) পাৰিমনে ইমানবোৰ টকা খৰচ কৰিবলৈ ভাৰতবৰ্ষ সক্ষম হ'বনে?

এইটো এটা সাধাৰণ বুদ্ধিৰ কথা। কোটি কোটি মানুহ দেশত নিবনুৱা হৈ পৰি আছে। দ্বিতীয় কথা মানুহ আৰু মাটিৰ পৰিমাণ। আমেৰিকাত প্ৰত্যেক জন মানুহৰ কাৰণে ১২ একৰকৈ মাটি আছে কিন্তু আমাৰ দেশত প্ৰত্যেক জনৰ গাড় এক একৰ (৩ বিঘা) মাটিহে পাব। কোনো কোনো প্ৰদেশত এক একৰতকৈও কম পাব। এই সাধাৰণ কথা খিনিও যি তথা শাস্ত্ৰীয় বুজি নপায় তেনেলোকক অৰ্থ শাস্ত্ৰী বুলি কব পাৰিবনে? দেশৰ কোটি কোটি লোক শতকৰা ৮০ জন মানুহ গাৱঁত থাকে। গাৱঁৰ মানুহৰ ভোটেৰে আমাৰ ৰাজ্য চলে। যি কোনো গণতন্ত্ৰই নহওক ৮০ ভাগ মানুহৰ মঙ্গলকেই ডাঙৰ বুলি ধৰা নহ'বনে? মই এতিয়া সৰ্বোদয়ৰ কথা কোৱা নাই। বৰ সৰু ৰকমৰ কথাহে কৈছো। যত অধিক মানুহৰ অধিক সুখৰ মতত অধিক লোক আশীজনৰ মূল্য বেছি নহ'বনে বাৰু? ভাৰতৰ গাৱঁত থকা ৮০ ভাগ মানুহৰ জীৱন সুখৰ উন্নয়নৰ কথা আপোনালোকে কেতিয়াবা চিন্তা কৰিছেনে? চহৰত আপোনালোকে লোহাৰ কাৰখানাকেই খোলক নাইবা যিকোনো কাৰখানাকে খোলক, নানা প্ৰকাৰৰ উদ্যোগ আদি বঢ়াওক ধন দৌলৎ বঢ়াওক, তাৰ অংশ গাৱঁৰ মানুহে পাবনে?

ই কেতিয়াবা সম্ভৱ হবনে ?

আপোনালোকে হয়তো আৰু ভাবিব পাৰে যে আমি ডাঙৰ ডাঙৰ কাৰখানা আদি তৈয়াৰ কৰি তাত গাৱঁৰ মানুহবোৰক কাম দিম। গাৱঁৰ মানুহৰ পৰা একাংশ সেই কাৰখানাবিলৈ যদি গুচি আহে তেন্তে গাৱঁৰ ভূমি সমস্যাবো সমাধান হব (অৰ্থাৎ য'ত প্ৰত্যেকজন মানুহৰ ভাগত ১ একৰ মাটি আছে তাত আপোনা আপুনি ২ একৰ হৈ যাব আৰু গাৱঁৰ মানুহৰ আৰ্থিক স্তৰ উন্নত হব) কিন্তু সেইটো কেতিয়াবা সম্ভৱ হব পাৰিবনে ? বৰ্ত্তমান পৰিকল্পনাত দিয়া হিচাব মতে পাঁচ বছৰত দেশৰ জনসংখ্যা প্ৰতি বছৰে ৩০ লাখ হিচাবে ডেৰ কোটি আৰু বাঢ়িব। সেই ডেৰ কোটিৰ ভিতৰত এক কোটি মানুহক নতুন কাম দিব লাগিব। অৰ্থাৎ দেশত বৰ্ত্তমান যিমান নিবনুৱা আছে তাৰ লগতে আৰু এক কোটিৰ সংখ্যা বাঢ়ি যাব। এইদৰে চাকৰি বিচৰা মানুহৰ সংখ্যা প্ৰতি বছৰে কুঁৰি লাখকৈ বাঢ়ি থাকিব। দ্বিতীয় পাঁচ বছৰীয়া পৰিকল্পনাৰ সময়ৰ ভিতৰত ১ কোটি বেকাৰৰ সংখ্যা বাঢ়িব। এই এক কোটি মানুহক যদি চহৰলৈ আনি কাম দিয়া হয় তেন্তে বৰ্ত্তমান গাৱঁৰ জীৱন স্তৰৰ কোনো উন্নতি সাধন নহব। কিন্তু এই এক কোটি মানুহৰ আটাইবিলাক মানুহ চহৰলৈ নাহিব। পৰিকল্পনাই নিজে স্বীকাৰ কৰিছে যে গাৱঁৰ বৰ্ত্তমান জন সংখ্যাতকৈ আৰু কুৰি লাখ মানুহ বাঢ়িব। গাৱঁৰ বৰ্ত্তমান জন সংখ্যাৰ কম নহয়। মই ভাবো তেওঁলোকৰ অনুমান যিমান শুদ্ধ নহয়।

তেওঁলোকে যিমানখোৰ মানুহক কাম দিব পাৰিব বুলি ভাবিছে সিমান মানুহক নোৱাৰিব। মাটিৰ মূল্য দিনে দিনে বাঢ়ি যাব। এনে অৱস্থাত গাঁৱৰ মানুহৰ জীৱন স্তৰ উন্নত হ'ব—পাৰিবনে?

গ্ৰামোদ্যোগেই তাৰক

গাঁৱত উৎপাদন বাঢ়িব লাগিব। গাঁৱে গাঁৱে গ্ৰামউদ্যোগ হ'ব লাগিব। গাঁৱৰ প্ৰত্যেকজন মানুহে কাম পাব লাগিব। খেতিয়ক সকলে বছৰ দিনৰ ৬ মাহ দিন এনেয়ে বহি কটাই। ৬ মাহৰ উপাৰ্জনেৰে বাৰ মাহ খায়। সেই সকলক ৬ মাহৰ কাৰণে কোনো উদ্যোগ আদি দিব লাগিব। কোনোৱে যদি কয় যে তেওঁলোকে ৬ মাহ খেতি কৰক আৰু ৬ মাহ কাৰখানাত কাম কৰক। তেন্তে সেইটো সম্ভৱপৰ হ'বনে? এনে কথা বাস্তৱত পৰিণত হ'ব নোৱাৰে। এইদৰে এইটোও ঠিক যে গাঁৱৰ মানুহ গাঁৱতেই থাকিব।

চহৰত উৎপাদন বঢ়াই, চহৰ সমূহক শক্তিশালী কৰি গাঁৱৰ লোকৰ জীৱন স্তৰ উন্নত নহয়। তাৰ বাবে দেশৰ পৰিকল্পনা কৰা সকলে চহৰত উৎপাদিত বস্তুৰ মূল্য কমাই দি গাঁৱৰ বস্তুৰ মূল্য বঢ়াই নিদিয়ে। ৰুচ আদি পৃথিৱীৰ সকলো বিকাশশীল ঠাইতে খেতিয়ক আৰু চহা সকলৰ বুকুত বহি দেশৰ বিকাশ সাধন কৰিছে। খেতিয়ক সকলক শোষণ কৰিছে। খেতিয়কৰ পৰা সস্তা দামত বস্তু লৈ তেওঁলোকক অধিক দামৰ বস্তু দিয়া হৈছে। যদি

বেপারের তুলাচনি ছেলনীয়া হয় বেছে সেগুলোকর বিরুদ্ধেই হয়। দেশত যি পুঁজির নির্মাণ হয় সি যদি জুয়াড়ীর আরু খেলিয়কর লোকসানর দ্বারাহে হয় তেন্তে [illegible] ভয়ানক কথাহে বুলিব। সেই কারণে জুয়াড়ী [illegible] সকলর জ্ঞানর [illegible] উন্নত করি বলৈ আমার সন্মুখত আছি আনন্দ নাই। বেকার সকলক কাম দিবলৈ [illegible] উপায় নাই। যাতে এনে [illegible] দর ছেলেবোর পরা [illegible] পুঁজি [illegible] [illegible] কপাহ (তুলা) [illegible] টকার [illegible]। [illegible] পুঁজির [illegible] চলিব পারে [illegible] [illegible] টকার পুঁজিবে দিলে ছয় [illegible] উপার্জন হব। [illegible] হব বেছি আরু পুঁজি [illegible]।

এই [illegible] গাঁৱৰ [illegible] ত্যাগ করিব [illegible]। [illegible] চিন্তা [illegible]। [illegible] সিদ্ধান্ত। সেই এই যুগ [illegible] সেই পাগল আছিলনে [illegible] করণ [illegible] সময়ায় [illegible] আছিল

কিন্তু তেওঁ যুগৰ আহ্বান বুজি পাইছিল। সেই কাৰণে মই আপোনালোকৰ ওচৰতএই তিনিটা দাবী ৰাখিলোঁ। মই আশা কৰো মোৰ এই অনুৰোধ আপোনালোকে কান পাতি শুনিব, এই বিষয়ে চিন্তা কৰিব আৰু তিনিওটা কথা অতি আনন্দেৰে গ্ৰহণ কৰিব।

জয়প্ৰকাশ নাৰায়ণ

একবছৰ সময় দান

ঃ ৪ ঃ

ছাত্ৰ সমাজত আমি এনে বিচাৰ ধাৰা প্ৰচাৰ কৰিব পাৰো যে ৰাজ্যৰ শাসন, পৰিচালনাকাৰী সকলে যদি সুব্যৱস্থাৰে কৰে তেন্তে তেওঁলোকক কৰিবলৈ দিয়া। যদি তেওঁলোকে ভুল পদ্ধতিৰে কৰে তেন্তে আমি তাক বিৰোধ কৰিম। কিন্তু যাতে ক'তো অফিচৰ দুৱাৰ-খিৰিকীৰ আয়না নাভাগে। কোনো দোকান নাইবা বাচ আদিত জুই নালাগে তাৰ বাবে সাৱধান হব লাগিব। লগতে এইটোও জানি থোৱা উচিত যে আইনৰ দ্বাৰাই নাইবা ৰাজ্য শক্তি দ্বাৰাই কেতিয়াও দেশৰ উন্নতি হব নোৱাৰে। মই ভাবো যে ছাত্ৰসকলৰ অন্তৰত আগেয়ে কমিউনিজিম বা চ'চিলিজিমৰ প্ৰতি যি শ্ৰদ্ধা আছিল, যি আকৰ্ষণ আছিল, সেই সকলো ক্ৰমাৎ কমি আহিছে। তাৰ পৰিবৰ্তে যদি কোনো নতুন বিচাৰ

তেওঁলোকৰ সন্মুখত দাঙি ধৰা হয়, তেন্তে তাক অতি আনন্দেৰে গ্ৰহণ কৰিব। মোৰ নিজৰ অনুভৱৰ পৰা মই দেখিছো যে যেতিয়াই এই নতুন বিচাৰ ধাৰা ছাত্ৰ সকলৰ সন্মুখত ৰখা হয় তেওঁলোকে তাক বুজিবলৈ চেষ্টা কৰে। এই বিষয়ে তেওঁলোকৰ লগত সম্পৰ্ক স্থাপন কৰি কথাবোৰ বুজাই দিয়ে, মিলন সভাত ৫০০ বা ১০০০ ছাত্ৰ উপস্থিত থাকে তাৰে ৫০-৬০ জন ছাত্ৰই অধ্যয়ন মণ্ডলী আদিত নিয়মিত ৰূপে যোগদান কৰে। আজিৰ এই অৱস্থা দহ বছৰৰ আগেয়ে দেখা নগৈছিল। তেতিয়া ছাত্ৰৰ আকৰ্ষণ আন ফালেহে আছিল। আজি মানুহৰ অন্তৰত এটা অনুকূল ভাৱধাৰা দেখা গৈছে। কিয়নো তেওঁলোকে বুজিব পাৰিছে যে দিনে দিনে যিবোৰ মৰণাস্ত্ৰ তৈয়াৰ হব ধৰিছে এইবোৰে এদিন সমস্ত বিশ্বক ধ্বংস কৰি পেলাব। আমাৰ কাৰণে এইটো এটা অনুকূল পৰিবেশ বুলিয়েই কব লাগিব আৰু সেই অনুকূলতাৰ সুবিধা গ্ৰহণ কৰিব লাগিব।

'৫৭ৰ আহ্বান

ইয়াৰ কাৰণে, আমি এটা কাৰ্য্যক্ৰম তৈয়াৰ কৰিব লাগিব আৰু সেই কাৰ্য্যক্ৰম '৫৭ চনৰ বিপ্লৱী কাৰ্য্যক্ৰম হোৱা উচিত। ছাত্ৰ সকলে নিজকে বিপ্লৱী আৰু ইনক্লাবী বুলি কয় আৰু সি সঁচাও। আমাৰ নৱ যুৱক সকলে যদি পৰিৱৰ্ত্তন কৰিব নোখোজে তেন্তে সমাজ পৰিৱৰ্ত্তনেই বা হব কেনেকৈ? নবীন সকলৰ অন্তৰত বিদ্ৰোহ আৰু বিপ্লৱৰ ভাৱনা থকা উচিত। নহলে বিকাশ বন্ধ হৈ পৰিব।

সমাজত স্থিতিবাদ নাথাকিলেও সমাজ শৃঙ্খলিত ভাৱে চলিব নোৱাৰে। সমাজৰ সকলো মানুহে যদি আজি এটা কাইলৈ এটা, পৰহিলৈ অন্য এটা এনে ধৰণে নতুন চিন্তাকৈ যদি কৰি যায় তেন্তে সমাজত কোনো স্থিৰতা নাথাকিব। সেই কাৰণে দুয়োটা শক্তি একেলগে আগ বাঢ়ি গৈ থাকিব লাগে। বৰ্তমানৰ কমিউনিষ্ট সকল পুৰণ প্ৰিয় হৈ পৰিছে ৰুছিয়া আৰু ৰুছিয়া বাদী কমিউনিষ্ট সকল পুৰাণ প্ৰিয়। ভাৰতীয় কমিউনিষ্ট সকলৰ সন্মুখত মই বথাৰ দৰে যদি কোনো প্ৰশ্ন তেওঁলোকৰ ভাগ উত্থাপন কৰা হয় তেন্তে তেওঁলোকে পোনপটীয়া ভাৱে তাৰ সমাধান দিব নোখোজে। তেওঁলোকে কোনো নতুন কথাৰ বিষয়ে চিন্তা কৰিব নোৱাৰে। তেওঁলোক ভাবে যে যদি চিন্তা কৰা যায় তেন্তে নিজৰ বিচাৰধাৰা ত্যাগ কৰিব লাগিব। সেই কাৰণেই কালিৰ বিপ্লৱবাদী আজি স্থিতিবাদী হৈ পৰিছে। ইতিহাসেই ইয়াৰ জ্বলন্ত প্ৰমাণ। সেইবাবে ছাত্ৰ সকলক বুজাই বঢ়াই তেওঁলোকৰ অন্তৰত থকা বৈপ্লৱিক পৰিবৰ্তনৰ প্ৰেৰণাৰ স্ৰোতক শুদ্ধ পথেৰে বোৱাই দিব পাৰি। আমি তেওঁলোকক কব পাৰো, ভাইহঁত, তোমালোকে 'বিপ্লৱ বিপ্লৱ' বুলি কৈ থাকা। [illegible] বলা '৫০ চন বৈপ্লৱিক বছৰ, ক্ৰান্তিৰ যুগ এই বিপ্লৱত যোগদান কৰাহঁক। বৈপ্লৱিক ধ্বনিৰে শুনাই দিব পাৰি যে এবছৰৰ কাৰণে স্কুল, কলেজৰ পঢ়া বন্ধ কৰি দিয়া। এবছৰৰ কাৰণে স্কুলীয়া শিক্ষা এৰি দিয়া। আগেয়ে মই সৰু সৰু ল'ৰা-ছোৱালীৰ কাৰণে বিপ্লৱৰ কোনো কাৰ্য্য ক্ৰমত সন্মতি নিদিছিলো। কিন্তু সিদিন বিমলা বহনৰ মুখে শিশু

সকলৰ পদ-যাত্ৰাৰ কাহিনী শুনিবলৈ পালো। কাহিনীটো ✽ বৰ প্ৰেৰণাদায়ক আছিল। এই বছৰৰ কাৰণে ছাত্ৰসকলৰ আগত এক বৈপ্লৱিক কাৰ্য্যক্ৰম ৰাখিব লাগে।

ছাত্ৰসকলৰ দৃষ্টিকোণ সলনি হব

ভূদান আন্দোলনৰ প্ৰতি পণ্ডিত জৱাহৰলাল নেহৰুজীয়ে সমৰ্থন জনাইছে। কংগ্ৰেছ পাৰ্টীয়ে সমৰ্থন কৰিছে আৰু মুখ্যমন্ত্ৰী তথা অন্যান্য মন্ত্ৰীয়েও সমৰ্থন কৰিছে। বিশ্ববিদ্যালয় সমূহৰ কুলপতি সকলৰ কিমানজনে সমৰ্থন জনাইছে মই নাজানো। কিয়নো তেওঁলোকো প্ৰায় পুৰাণবাদী হৈ পৰিছে। সেইবাবে তেওঁলোকে ছাত্ৰ সকলৰ শ্ৰদ্ধা ক্ৰমাৎ হেৰুৱাই পেলাইছে। শিক্ষক ছাত্ৰৰ মাজত বেলেগ বেলেগ ট্ৰেডইউনিয়ন (trade unions) গঢ়ি উঠিছে। আৰু দুয়োৰে মাজত সংঘৰ্ষ হৈ থাকে। তেওঁলোকৰ মাজত মালিক-মজুৰৰ সম্বন্ধ স্থাপিত হৈছে। নহ'লে ছাত্ৰ সকলে 'ইন টাৰ্মচ অব ষ্ট্ৰাইক'ৰ (in terms of strike) কথা কল্পনাই নকৰিলেহেঁতেন। কিন্তু যি সকলে ভূদান যজ্ঞক সমৰ্থন কৰিছে, যি সকলে ভাবে যে নৈতিক বিপ্লৱেহে মানৱ সমাজক ৰক্ষা কৰিব পাৰিব আৰু ইয়াৰ বাহিৰে আন পথ নাই, আমি সেই সকলৰ ওচৰলৈ যাম। পণ্ডিতজীয়ে অতি গভীৰ ভাৱে এই বিষয়ে চিন্তা কৰি নিজৰ মত ব্যক্ত কৰিছে। আমি এইটোও আশা কৰোঁ যে চৰকাৰে এবছৰৰ বাবে স্কুল-কলেজ বন্ধ বুলি ঘোষণা কৰি দিয়ক।

✽ এই কিতাপৰ "ক্ৰান্তি-যজ্ঞত" বালগোপাল পৃষ্ঠাত চাওক।

ভাবে কৰিলে ছাত্ৰসকল জাগি উঠিব আৰু বিপ্লৱত জঁপিয়াই পৰিব। ধৰিলওক যদি ভাৰতবৰ্ষ আৰু কোনো দেশৰ মাজত যুদ্ধ আৰম্ভ হয় তেন্তে যুদ্ধলৈ যাব পৰা বয়সৰ ছাত্ৰসকল যুদ্ধলৈ নাযাবনে ? যদি যুদ্ধ লাগে তেন্তে অক্সফৰ্ড, কেম্ব্ৰিজ আদিৰ ছাত্ৰসকল যুদ্ধলৈ নাযাবনে ? যুদ্ধ আৰম্ভ হলে সকলো প্ৰকাৰৰ স্কুল, কলেজ প্ৰায় বন্ধ হৈ পৰে। ভাৰতবৰ্ষত আজি যুদ্ধতকৈযো ডাঙৰ কাম আৰম্ভ হৈছে। যদি এবছৰৰ ভিতৰতে এই মহান কাৰ্য্য সমাপণ কৰিব পৰা যায় তেন্তে দেশৰ আধ্যাত্মিক আৰু সামাজিক জীৱনে এক উচ্চস্থান গ্ৰহণ কৰিব। যদি এই কাম [illegible] কৰিবলৈ চেষ্টা কৰা যায়, আৰু সমস্ত ভাৰতক [illegible] পৰিণত কৰি গাঁৱে গাঁৱে দপ-দপকৈ জুই জ্বলাই দিয়া হয় তেন্তে তাৰ দ্বাৰাই সমাধান হবনে ? কিন্তু যদি ভাৰতৰ সমস্ত স্কুল-কলেজৰ ছাত্ৰ সকলৰ অন্তৰত বিপ্লৱৰ হেন্দোলনি উঠে, সকলোৱে স্কুল কলেজ এৰি দি গাঁৱে গাঁৱে সমভাৱ বাণী মানুহৰ মাজত বিলাই ফুৰে, শ্ৰম-শক্তিৰে পেট প্ৰবৰ্ত্তাই, ভূদান যজ্ঞৰ বাণীৰে মানুহক অনুপ্ৰাণিত কৰি ভূ-সমস্যা সমাধানত নিজকে অৰ্পণ কৰে তেন্তে ভাৰতৰ আজিৰ কঙ্কাল অৱস্থা এবছৰৰ পাছত দেখিবলৈ নাপাব। ছাত্ৰসকলেও স্কুল-কলেজত যি শিকিছে এবছৰত তাতোকৈ বহুত শ গুণে বেছি শিকিবলৈ সুবিধা পাব। তাৰ পাছতো যদি কোনো ছাত্ৰই স্কুল-কলেজৰ মোহ ত্যাগ কৰিব নোৱাৰে তেন্তে তেওঁ আকৌ বিদ্যালয়লৈ গৈ পঢ়িব পাৰিব।

এবাৰ গাঁৱৰ মাজত সোমাই লোৱাৰ পাছত তেওঁলোকে দেখিবলৈ

পাব যে যি জ্ঞান ভেঁওলোকে কিতাপত দিনে নিশাই পঢ়ি থাকিও লাভ কৰিব নোৱাৰে গাৱঁত তাকেই পোৱা যায়। তেওঁলোকৰ অন্তৰত গঠনমূলক মনোভাৱৰ সৃষ্টি হব। বৰ্ত্তমানৰ দৃষ্টিকোণৰ আমূল পৰিৱৰ্ত্তন আহি পৰিব।

এবছৰ দান

সেই সময়ত আমি ইণ্টাৰ চাইন্সত (আই, এচ, চি) পঢ়িছিলো। চৰকাৰী ছাত্ৰবৃত্তিও পাইছিলো। পাটনা কলেজ তেতিয়া চাইন্স কলেজত আছিল। অসহযোগী ছাত্ৰসকলৰ শাৰীত আমাৰ নাম লিখা হৈছিল। কিন্তু সকলো পাহৰি পৰীক্ষা আদি এৰিবৈ গুচি আহিলো। পৰীক্ষালৈ মাথোন কুৰিটা দিন আছিল; তথাপি কুৰিটা দিন অপেক্ষা কৰি পৰীক্ষা পাছ কৰিবলৈকো আমি ইচ্ছা নকৰিলোঁ। মৌলানা আজাদে কৈছিল—ভাইহঁত; তোমালোকে গাধীৰ থাৰলৈ নাপাই তাৰ পৰিবৰ্ত্তে আচনিক বিহঁৰ লাড়ু চুহিব ধৰিছা। তোমালোকৰ কাৰণে কোনো ৰাষ্ট্ৰীয় বিদ্যালয় নাই বাবে তোমালোকে বিহঁ খাই থাকিবানে? মৌলানা চাহাবৰ কথা শুনি আমি বিহঁ ৰূপী শিক্ষা জলাঞ্জলি দি ওলাই আহিলো। পৰীক্ষাদিবলৈ কুৰিটা দিনো অপেক্ষা নকৰিলো। কিছুদিনৰ পাচত ভাবে কিছুমান আকৌ কলেজলৈ গ'ল। অৱশ্যে মহাত্মাগান্ধীৰ সেই ধ্বনিৰ প্ৰভাৱ আৰু আমাৰ কথাৰ যথেষ্ট প্ৰভেদ নিশ্চয় হব। কিন্তু বতাহ কঁপাই তোলা

বিনোবাজীৰ ওজস্বী ধ্বনিৰ জিজ্ঞাসু বৃত্তিৰ ছাত্ৰ সকলৰ হৃদয়ত জাগি নুঠিবনে ? সেই বাবে আমি ছাত্ৰ সকলক ৫৭' চনৰ কাৰণে ভূদান আন্দোলনত নামি ভাৰতৰ ভূমি সমস্যা সমাধান কৰিবলৈ আহ্বান জনাওঁ। গাৱঁৰ সকলো ঠাইতে আলোচনা হব ধৰিছে যে ১৯৫৭ চনৰ ভিতৰতে সমাজ ব্যৱস্থাৰ কিবা বিশেষ পৰিৱৰ্ত্তন নিশ্চয় হব। কিন্তু কি হব তাক সঠিককৈ কোনেও নাজানে। কেৱল '৫৭ চনৰ ভিতৰত যে কিবা এটা হব সেইটো লোকৰ দৃঢ় বিশ্বাস হৈছে। সেইবাবে আপোনালোকেও এই বিচাৰ ধাৰাৰ বিষয়ে চিন্তা কৰক। নিজে ভালকৈ বুজিলৈ আনকো বুজাই তাক এই বিচাৰ-ধাৰাৰ ব্যাপক প্ৰচাৰ কৰক। বিচাৰ ক্ৰান্তিৰ ছাত্ৰ সকলৰ জীৱনতো পৰিৱৰ্ত্তন হওক আৰু তাৰ প্ৰথম খোজ হিচাপে ছাত্ৰই সম্পত্তি দান কৰক। তেওঁলোকে নিজা নিজৰ কাপোৰ পিন্ধে, কিন্তু লাহে লাহে তাক খাদী কৰিবলৈ যত্ন কৰিব পাৰে। আজি কেৱল এইটোহে বিশেষ প্ৰশ্ন যে এই বিচাৰধাৰা তোমালোকৰ মনঃপুত হৈছেনে ? তুমি সমাজৰে এটা অঙ্গ, সমাজে তোমাক পঢ়ুৱাব ধৰিছে আৰু সমাজৰ পৰাই তুমি খাব লাগিছা। সেইকাৰণে সমাজৰ মঙ্গলৰ বাবে হোৱা এই বিপ্লৱৰ বিষয়ে চিন্তা কৰা আৰু কাৰ্য্যত পৰিণত কৰাটো তোমাৰ কৰ্ত্তব্য। আচৰণ কৰাৰ এটা নিয়ম মই তোমালোকক শিকাই দিওঁ। মই ভাবো যে ছাত্ৰ সকলে এবছৰ সময় দান কৰক বুলি যদি চাৰিওফালৰ পৰা ধ্বনি উঠে। তেন্তে তাক মই একো অন্যায় বুলি নাভাবোঁ। মৌলানা আজাদৰ নিচিনা বাণীৰে জুই জ্বলাব পৰা লোক আমাৰ ভিতৰত

নাথাকিলেও আমাৰ লগত যোগ আছে। যুগে চিঞৰি চিঞৰি সকিয়াব লাগিছে। সেই কাৰণে ই একো অসম্ভৱ নহয়।

ছাত্ৰসকলৰ মাজত দিয়া ভাষণ।

খাদীগ্ৰাম, ২৮।১২।৫৬ —জয়প্ৰকাশ নাৰায়ণ

ক্ৰান্তি যজ্ঞত বালক গোপাল

ঃ ৫ ঃ

সাম্প্ৰতিক পদযাত্ৰাৰ সমাৰোহৰ কাৰণে ছিন্দবাড়ীলৈ মোক নিমন্ত্ৰণ কৰিছিল। তেওঁৰ এজন নবযুবক অনুৰাগী বন্ধু "শ্ৰীমানৰ" তাঁৰ ওপৰত পদযাত্ৰা সঞ্চালনৰ ভাৰ আছিল। মানহেতীয়ে ১৯ তাৰিখে মোক শিবিৰলৈ লৈ গ'ল জংঘলৰ মাজে-বনেৰে সজা ৰঙ্গমঞ্চৰ ওচৰত পদযাত্ৰী দল ৰৈ আছিল। পদযাত্ৰী সকলক দেখিয়েই মই অবাক হৈ পৰিলোঁ। চকুক বিশ্বাস কৰিব নোৱাৰি চকুহাল এবাৰ মোহাৰি লৈ চালোঁ। কিন্তু মোৰ আশ্চৰ্য্যতো আগতকৈও অধিক স্পষ্ট হ'ল। কিয়নো ৰঙাৰ ওচৰত বহি থকা পদযাত্ৰী ৯০ জনৰ ভিতৰত আঠাই কেউজনেই বালক আছিল। সেইবোৰ লোকৰ ভিতৰত ১৮ বছৰ বয়সতকৈ বেছি বয়সীয়াল এজনো মোৰ চকুত নপৰিল। ১২ বছৰৰ পৰা ১৮ বছৰ বয়সলৈ ৯০ টি বালকে বুকু ফিন্দাই বিজয়গৰ্বে বহি আছিল।

বতাৰ বাকী কালে ছিন্দৱাড়াৰ বিভিন্ন হাইস্কুলৰ প্ৰায় ৩০০ জন ছাত্ৰ আৰু শিক্ষক বহি আছিল। ৫০ গৰাকীমান ছাত্ৰী আৰু শিক্ষয়িত্ৰীও আছিল। পদযাত্ৰী দলৰ ২৫।২৬ বছৰীয়া নেতা মানৱজীক মই সুধিলো "আপোনাৰ পদযাত্ৰা কাৰ্য্যক্ৰমত কেৱল এই বালক সকলেহে যোগ দিছিলনে ? গোটেই সপ্তাহ এই শিশুসকলে অকলে ঘুৰিছিলনে ?" "হয়, এওঁলোকেই ঘুৰিছিল। ছিন্দৱাড়াৰ কোনো নগৰিকেই সহযোগ কৰিবলৈ নাইবা পদযাত্ৰাত যোগ দিবলৈ সাজু নহ'ল। ৯০ জন ল'ৰা ৩০ টা দলত বিভক্ত হৈ ঘুৰিছিল" মানৱজীয়ে কলে।

এওঁলোকৰ ভিতৰত হিন্দু, শিখ, মুছলমান আদি সকলো ধৰ্ম্মৰ আৰু সকলো বৰ্ণৰ ল'ৰা আছে। পদযাত্ৰী দলবোৰৰ দলপতি (মুখ্য সেৱক) সকলৰ ৰোমহৰ্ষক অনুভৱবোৰ শুনি থাকোতে কেতিয়াবা বেজাৰত হিয়া ভাগি যাব খোজে, কেতিয়াবা আনন্দত অন্তৰ নাচি উঠে আৰু কেতিয়াবা বিষাদত মন মৰি যাব খোজে।

১৩ বছৰ বয়সৰ শিখ বালক এটি থিয় হল। তেওঁ দলৰ মুখ্য সেৱক আছিল। হাফ্‌চাৰ্ট আৰু হাফপেণ্ট পিন্ধা, মুৰত পাগুৰি মৰা বালক বীৰজন মোৰ ওচৰত থিয় দিলেহি। ভাগৰত মুখ শুকাই গৈছিল, চকু দুটিত কষ্টৰ ছাঁ ভাহি উঠিছিল। ভাগৰুৱা মাতেৰে কবলৈ ধৰিলে "দেশৰ মহান বিপ্লৱৰ সৈনিক হিচাপে আমি গুলাইছিলো, কিন্তু কোনেও আমাক তিলক নলগালে। মালা এধাৰিও আমাক নিপিন্ধালে। গাৱঁত দুদিন একো খাবলৈ নাপালো। ১০ মাইলৰ পৰা ১৪ মাইললৈকে

নিভো আমি খোজ কাঢ়িছিলো। আমি সাহিত্য বিক্ৰী কৰিলো, ভূদান গীত গাইছো আৰু মানুহক বিচাৰধাৰা বুজাইছো। কিন্তু সন্ত ৱিনোবাৰ কাম আমি সফলভাবে কৰিব নোৱাৰিলো। কিয়নো সাত দিনৰ ভিতৰত আমি মাথোন সাত একৰ মাটিহে দানৰূপে সংগ্ৰহ কৰিব পাৰিলো। এই বুলি কৈ বালকটিয়ে উচুপি উচুপি কান্দিব ধৰিলে।

মই বেছি সময় বব নোৱাৰিলো। তাৰ ওচৰলৈ উঠি গৈ মৰমেৰে হাত ফুৰাই কলো—"ভাইটি, তুমি বৰ ডাঙৰ সেৱা কৰিছা। সন্ত ৱিনোবাই তোমাক বৰ ভাল পাব। সাত একৰ মাটি তুমি কেনেকৈ সংগ্ৰহ কৰিলা আৰু কিমান জন দাতাই দান কৰিছে আমি বুজিব পৰা নাই। তুমি বৰ ভাল ল'ৰা। আজি তোমাক মই মালা পিন্ধাম আৰু কপালত তিলক লগাই দিম।"

বালক বীৰৰ চকুজুৰিযেদি চকুপানী বৈ আছিল। কামিজৰ এটা ভ'গ ওলোটাই আনি চকু দুটি মোহাৰি লৈ মিচিকীয়াই হাঁহি মাৰিলে। বিজয়ী বীৰৰ দৰে সভা'ৰ ফালে এবাৰ ডিঙি বেঁকা কৰি চাই পঠিয়ালে। হৰ্ষধ্বনি আৰু হাত চাপৰি বজাই সভাই অনুমোদন কৰিলে।

দ্বিতীয়তে মুচলমান দলপতি জন থিয় হ'ল। তেওঁৰ সঙ্গী দুজন হিন্দু আছিল। প্ৰায় ১৩ একৰ মাটি দানৰূপে পাইছে। পদযাত্ৰাৰ অনুভৱৰ কথা বৰ্ণাই কবলৈ ধৰিলে—"এখন গাৱঁলৈ গলো। গাৱঁৰ ধনী, দুখীয়া, চাকৰিয়াল কোনোৱেই সহযোগ

নকৰিলে। আমাৰ খোৱা-বোৱাৰ ব্যৱস্থাও নকৰিলে। ভোকত অধীৰ হৈ পৰিলো। তথাপি আগবাঢ়ি গৈয়েই থাকিলো। গাৱঁৰ ভূমিপতি মুখিয়ালজনে গাৱঁৰ সকলোকে সাৱধান কৰি দিলে যে, ভূদান কৰ্ম্মীক যাতে কোনোৱে সহায় নকৰে। ফলত সেই গাৱঁতো খোৱা নহল। চাউল কিনি আনি গাৱঁৰ বাহিৰত তিনিওজনে ৰান্ধিলো। ১৩।১৪ বছৰৰ লৰা। ৰন্ধা-বঢ়াৰ অভ্যাস নাছিল। তিনিটা শিল আনিলো। জংঘলৰ পৰা খৰি লুৰি আনিলো। শিল তিনিটাৰে চৌকা সাজি জুই জ্বলালো। জুইৰ ধোৱা আৰু চকু-পানীয়ে বিবশ কৰি পেলাইছিল। তথাপি দলপতিয়ে ৰান্ধি-বাঢ়ি আঁটাইকেইজনকে খুৱালে।

তৃতীয় বালক যীৰজন হিন্দু আছিল। তেওঁৰ দলত দুজন মুচলমান ল'ৰাও আছিল। তেওঁৰ দলে ৮০্ টকাৰ সাধন দান পাইছে। সাম্যযোগৰ পাঁচজন গ্ৰাহক ক'ৰছ। ২৩ একৰ ভূমিদান পাইছে। দলপতি ১৪ বছৰ বয়সৰ ল'ৰা। তেওঁৰ সঙ্গী দুজন অনুমানিক ১৫ বছৰ বয়সৰ আছিল। পোচাক খাদীৰ কামিজ আৰু খাদীৰ পায়জামা আছিল। বিশাল কপাল আৰু ডাঙৰ ডাঙৰ চকু যুৰিত তীব্ৰ বুদ্ধিৰ প্ৰতিবিম্ব ভাহি উঠিছিল। মিচিকীয়া হাঁহি মাৰি সন্ত বিনোবাৰ বালক বন্ধুজনে কবলৈ ধৰিলে—'ভূদান যজ্ঞৰ বিচাৰ-ধাৰা বুজিবলৈ মানুহে কি কঠিনতা অনুভৱ কৰে মই বুজিব পৰা নাই। দেশত কোনো দৰিদ্ৰ নাথাকক—বিনোবাই তাকেই বাঞ্ছা নকৰে নে? ঘৰত আমি সকলোৱেই মৰম-চেনেহেৰে জীৱন যাপন কৰোঁ। সকলোৱে সমানে ভগাই-পিতাই

থাওঁ। তেন্তে ভূমিৰ সমবিতৰণ কৰোঁতে কি অসুবিধাৰ সৃষ্টি হব পাৰে? গাৱঁৰ সকলো মাটিৰ সমবিতৰণ হোৱাটোকেই মই কামনা কৰোঁ। সকলোৱে মিলি-জুলি বাস কৰক, একেলগে উৎপাদন কৰক আৰু একেলগে মিলা-প্ৰীতিৰে ভগাই খাওক। পদ-যাত্ৰাৰ কালত আমি বৰ আনন্দ উপভোগ কৰিছোঁ। মোৰ সঙ্গী সকলেই সকলো কাম কৰিছে। বৰ ভাল আৰু উৎসাহী সঙ্গী মই পাইছিলোঁ · · ।"

সভাৰ অধ্যক্ষ শ্ৰীপ্ৰবোধৰ নয়ন সজল হৈ উঠিল। কোনে এই কোমলমতি শিশুক বিপ্লৱৰ গূঢ়াৰ্থ শিকালে? কিমান সহজ অথচ গভীৰ ভাৱে তুমি বিপ্লৱৰ সাৰমৰ্ম্ম আয়ত্ত কৰি লৈছে! চতুৰ্থ বালকবীৰ থিয় হৈ ৰ'ল। তেওঁ নিচেই সৰু। তেওঁৰ বয়স বাৰ বছৰতকৈ কম আছিল। মধুৰ সুৰেৰে ভূদান গীত গাই সভাক স্তম্ভিত কৰি পেলালে। গীতৰ অন্তত ল'ৰাজনে কবলৈ ধৰিলে—"সুন্দৰ সুন্দৰ গীত শুনিয়েই মানুহে ভূদানৰ কথা বুজি পাইছিল। বক্তৃতা দিবৰ কোনো প্ৰয়োজনেই নহৈছিল।"

পঞ্চম বালকবীৰৰ দলটো জঙ্গলৰ মাজেৰে ফুৰিব লগীয়া হৈছিল। এদিনাখন তেওঁ বন্ধুসকলৰ সৈতে গহন জঙ্গল এডৰাৰ মাজেদি গৈ আছিল। সেই সময়ত সেই মৌজাৰ মৌজাদাৰে জঙ্গলত চিকাৰ কৰি ফুৰিছিল। তেওঁলোকে আহি থকা সুৰু-সুৰীয়া বাটটোৰ ওচৰতে বন্দুকৰ শব্দ হ'ল। গুৰুম! গুৰুম!! শব্দ শুনি তেওঁলোকে চক খাই উঠিল। মনতে ভাবিলে, বাঘৰ গাত গুলী লাগিছে চাগে। যদি এইপিনে বাঘটো আহে তেন্তে আমি

কি কৰিম ? কোনোপিনে দৌৰিবলৈকো বাট নাই। চৰিওকালে ভাঠ হাৰিবে ভৰা। অলপ সময়ৰ কাৰণে তিনিওজনে গাত পা-লগাই থিয় দি থাকিলো। এজনে লাহে লাহে বাকী কেইজনক ক'লে- ভাইহঁত! আমি ভগৱানৰ কামৰ কাৰণে ওলাইছোঁহক। এতিয়া তেওঁৰেই নাম লওঁহক। তেওঁৱেই যি কৰে কৰিব।" স্কুলত দৈনিক যি প্ৰাৰ্থনা কৰা হয় তাকেই চকু মুদি, হাতযোৰ কৰি গাবলৈ ধৰিলো। সমস্ত মন প্ৰাণ এক গোট কৰি প্ৰাৰ্থনা কৰিলো।

ল'ৰা এজনে সভাৰ আগত কবলৈ ধৰিলে—"প্ৰাৰ্থনা গাই থাকোঁতে আমাৰ সাহ জন্মিল। আমাৰ ভয় নাইকিয়া হ'ল।" এজনে আনজনৰ হাতত ধৰি তেওঁলোক ক্ৰমাৎ আগবাঢ়ি গ'ল। সিদিনাৰ পৰা তেওঁলোকৰ অন্তৰত ভগৱানৰ প্ৰতি অচলা ভক্তি উপজিল।

আটাইবোৰ দলৰ অনুভৱ যদি লিখিবলৈ যাওঁ তেন্তে এখনি উপন্যাস হৈ পৰিব। সেইবাবে আৰু এটি মাত্ৰ ক্ৰান্তি-বীৰৰ কাহিনী লিখি সামৰণি মাৰিম।

এজন শিশু-বীৰ দলপতিয়ে ক'লৈ ধৰিলে—"এদিনাখন আমিও খাবলৈ নাপালো। ভোকত আমি অধীৰ হৈ পৰিছিলো। কিন্তু ভূমিধাৰী গাওঁৰ মুখিয়ালজনে সকলোকে আদেশ বাণী শুনাই দিয়ে যে ভূমিযাত্ৰী দলক কোনোৱে সহায় কৰিব নোৱাৰে। গাওঁৰ সকলো মানুহে ধনীলৈ ভয় কৰি চলিছিল। চৌব্বিশ ঘণ্টা উপবাসৰ পাচত দ্বিতীয় দিনা খোজ কাঢ়িবলৈকে ভৰিত শক্তি নাই-

কিয়া হ'ল । এবাৰ মনতে ভাবিলো যে হিন্দবাড়ীলৈ উভতি যাওঁ । জোক সহ্য কৰাৰ অভ্যাস সমূলি নাই । সন্মুখৰ পাৰঁত যদি খাবলৈ নাপাওঁ তেন্তে হিন্দাবাড়ীলৈ উলটি যাবলৈ মনস্থ কৰিলো । অলপ পাচতে মনত আন এটা কথাই খুন্দিয়াব ধৰিলে । মনত ভাবিলো—"আমি হিন্দবাড়ীৰ পৰা অতি ওচৰতে আছো । সেইবাবে অসুবিধাৰ সন্মুখীন হোৱাৰ লগে লগে আমি উলটি যাবলৈ ওলাইছো । কিন্তু আমাৰ যি সকল বন্ধু আন আন দলত গৈছে তেওঁলোকে যদি খাবলৈ নাপায় তেন্তে উলটি আহিব পাৰিবনে ? তেওঁলোক যে কিমান দূৰ-দূৰণিলৈ গৈছে । তেওঁলোক নিশ্চয় উলটি আহিব নোৱাৰিব । তেন্তে আমি উলটি যোৱাটো উচিত হবনে ? কেতিয়াও উচিত নহব । আমি উভতি নাযাওঁ । আগবাঢ়ি যাওঁহক ।" আটাইয়ে নিজৰ নিজৰ বিচনা মূৰত তুলি ললোঁ । হিন্দবাড়ীৰ ফালে আগবাঢ়িব খোজোঁ, খোজ হিন্দবাড়ীৰ বিপৰীত ফালে আগুৱাব ধৰিলে । দলটোত বাৰবছৰীয়া শিখ লৰা এটি আছিল । তেওঁৰ ভৰিত ঢৌ উঠিছিল । ভৰিৰ পৰা তেজ ওলাইছিল । ২।৩ মাইল যোৱাৰ পিচত পিচলি তেওঁ বাগৰি পৰিল । কঁকালত অলপ দুঃখ পালে । তথাপি সাহসেৰে দল আগবাঢ়ি গৈ থাকিল । আঠ মাইল দূৰ যোৱাৰ কথা আছিল শিখ ল'ৰাজনৰ ভোকত মূৰ ঘূৰাব ধৰিলে আৰু দুবাৰ লুটি খাই বাগৰি পৰিল । তথাপি সঙ্গীসকলৰ লগত আগবাঢ়ি গৈ থাকিল । দলপতিয়ে শিখ ল'ৰা জনক মাতি আনিলে । প্ৰসন্ন বদন, সুন্দৰ চেহেৰাৰ অকণমানি শিশুটি । ভৰিত কোনো কোনো ঠাইত ঢৌ ফুটি ঘা হৈছিল

দেখুৱাব ধৰিলে। হাতত আৰু কিলাকুটিৰ কোনো কোনো ঠাইত ছাল এৰাইছে গৰ্ব্বেৰে দেখুৱাব ধৰিলে।

বালকৰ অৱস্থা দেখি অজানিতে মই বেজাৰৰ ভাবে ইস্ বুলি কৈ উঠিলো। তাকে শুনি মোৰকালে মুখ ঘূৰাই লৈ বালকে কৰলৈ ধৰিলে—"একো হোৱা নাই বাইদেউ! এইখিনি ঘা দুই এদিনতে শুকাই যাব। খেল আদি খেলোতে আমি নপৰো জানো? তেতিয়া জানো আমি দুঃখ নাপাওঁ?" বুলি কৈ হাঁহিব ধৰিলে। আকৌ এবাৰ হাতচাপৰি বাজি উঠিল। ঝণ ঝণ ধ্বনিৰে সভাস্থল মুখৰিত হৈ উঠিল।

তিনি ঘণ্টা সময়লৈ পদযাত্ৰীসকলৰ অভিজ্ঞতা শুনিলো। সন্ত বিনোবাৰ মহান বিপ্লৱ এতিয়া বালক গোপাল সকলৰ লীলাখেলা হৈ পৰিল। ৯০ টি বীৰ বালকে এসপ্তাহত ২৫০ একৰ মাটিৰ দান পত্ৰ সংগ্ৰহ কৰিলে। সাম্যযোগৰ ২৫ জন গ্ৰাহক কৰিলে। ২৯০ টকাৰ সাধন দান পালে। ১৬০ টকাৰ সম্পত্তিদান সংগ্ৰহ কৰিলে। দলপতি সকলৰ আত্ম নিবেদন শেষ হলত পদযাত্ৰী সকলৰ কাৰণে মালা অনা হ'ল। প্ৰত্যেকজন পদযাত্ৰীক মই নিজহাতে মালা পিন্ধালো, তিলক আৰু অক্ষত দিলো। মালা পিন্ধাওঁতে আনন্দতে বালক সকল নাচি উঠিছিল। তিলক দিওঁতে যাতে মই অসুবিধা বোধ নকৰো তাৰ বাবে ঝাট্ কৰি চুলিখিনি পাচফালে ওলোটাই থৈছিলো। বীৰ বালক কেইটিৰ প্ৰত্যেকটিৰ দিব্য বৰ্ণনা কৰিবলৈ মোৰ প্ৰয়োজনীয় শক্তি নাই। মই যদি সাহিত্যিক নাইবা কবি হলোহেঁতেন!

—বিমলা

সৰ্ব্বোদয় সাহিত্য মন্দিৰ

পাণবজাৰ, গুৱাহাটী পোঃ অসম

অখিল ভাৰত সৰ্ব্ব সেৱা সংঘ প্ৰকাশনৰ একমাত্ৰ শাখা তথা সৰ্ব্বোদয় সাহিত্য প্ৰকাশক ও পৰিবেশক।

"ভূদান যজ্ঞ" নামৰ পত্ৰিকাখন নিয়মিত ভাৱে '৫৭ চনৰ পৰা প্ৰকাশ হৈ আছিছে। বাৰ্ষিক বৰঙণি মাত্ৰ ৩৲, ৬ মহীয়া—১।০। সৰ্ব্বোদয় বিচাৰ ধাৰাৰ প্ৰায় ১৭ খনতকৈও বেছি পুস্তক অসমীয়া ভাষাত বৰ্ত্তমান প্ৰকাশ কৰা হৈছে।

নৱজীৱন ট্ৰাষ্ট, সস্তা সাহিত্য মণ্ডল, ৰবা এণ্ড কোং, হিন্দী কিতাবস আদিৰ দ্বাৰা প্ৰকাশিত গান্ধীবিনোবা সাহিত্যৰ উপৰিও অন্যান্য কিতাপ বিক্ৰীৰ বাবে মজুত আছে।

সৰ্ব্বোদয়ৰ ইংৰাজী, হিন্দী আদি আলোচনী, "ভূদান যজ্ঞ" সাপ্তাহিক আৰু নতুন বছৰৰ "গান্ধী ডায়েৰীৰ" বাবে ওপৰৰ ঠিকনাত খবৰ কৰক।